www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

□ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

তুমি যদি জীৱনত জ্ঞানী হ'বলৈ ইচ্ছা কৰা তেনেহ'লে প্ৰথমে জিভাক শাসন কৰা। — লেভষ্টাৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

□প্ৰথম বছৰ □সংখ্যা- ১৯৫ □ মঙ্গলবাৰ □ ১৯ মে', ২০২৬ চন □ Volume/Year- I □ Issue- 195 □ Tuesday □ 19th May, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

■ ৩-৪ দিনৰ ভিতৰত জিলা নিৰীক্ষণ সমিতিৰ বৈঠক আহ্বানৰ নিৰ্দেশ ■

# অস্বাভাৱিক দাম বৃদ্ধি কৰিলে বাতিল হ'ব ট্ৰেড লাইচেন্স

□ সামগ্ৰীৰ দাম বৃদ্ধি সন্দৰ্ভত ৰাজ্য চৰকাৰৰ বৈঠক

□ অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ মে' ঃ** ৰাজ্যত অত্যাৱশ্যকীয় সামগ্ৰীৰ অস্বাভাৱিক মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰা আৰু বজাৰৰ সুস্থিৰতা বজাই ৰখাৰ উদ্দেশ্যে অসম চৰকাৰে আজি এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ১৮ মে'ত অনুষ্ঠিত এক উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত চৰকাৰে ৰাজ্যৰ মূল্য নিৰীক্ষণ ব্যৱস্থাৰ বুজ লয় আৰু কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশনা জাৰি কৰে। চৰকাৰী নিৰ্দেশনা অনুসৰি, ৰাজ্যৰ সকলো জিলাৰ উপায়ুক্তসকলক অহা তিনিৰ পৰা চাৰি দিনৰ ভিতৰত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিসমূহৰ বৈঠক আহ্বান কৰিবলৈ কোৱা হৈছে। এই বৈঠকসমূহত বজাৰৰ বৰ্তমান পৰিস্থিতি মূল্যায়ন কৰি প্ৰয়োজনীয় প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত □ ৬ পৃষ্ঠাত



চেন্সে'-নিফটিৰ ৬০০ ৰো অধিক পইণ্ট পতন

## ভাৰতীয় টকাৰ অভিলেখ পতন

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্য প্ৰতি বেৰেলত ১১০ ডলাৰৰ ওপৰত উঠি যোৱা আৰু পশ্চিম এছিয়াৰ উত্তপ্ত সংঘাতই ভাৰতীয় টকাৰ ওপৰত চৰম প্ৰভাৱ পেলাইছে। সোমবাৰে বৈদেশিক মুদ্ৰাৰ বজাৰ মুকলি হোৱাৰ লগে লগে টকাৰ দৰ অভিলেখ গঢ়ি হ্ৰাস পাবলৈ ধৰে। আমেৰিকান □ ৬ পৃষ্ঠাত

কেন্দ্ৰৰ সহযোগিতাৰ আশ্বাস

## কেৰালাৰ নতুন চৰকাৰক প্ৰধান-মন্ত্ৰীৰ শুভেচ্ছা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** কেৰালাৰ নতুন ইউডিএফ চৰকাৰে আজি শপতগ্ৰহণ কৰে। ৰাজ্যৰ ৰাজধানী তিৰুৱনন্তপুৰমৰ চেণ্ট্ৰেল ষ্টেডিয়ামত অনুষ্ঠিত শপতগ্ৰহণ অনুষ্ঠানত জ্যেষ্ঠ কংগ্ৰেছ নেতা ভি ডি সতীশনে মুখ্যমন্ত্ৰী হিচাপে শপত □ ৬ পৃষ্ঠাত

■ সভাপতি লুৰীণ জ্যোতি গগৈলৈ প্ৰেৰণ পদত্যাগ পত্ৰ ■

## অজাপ ত্যাগ ৰাজেন গোহাঁইৰ




দলৰ প্ৰাথমিক সদস্য পদৰ পৰাও অব্যাহতি

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** অসমৰ ৰাজনীতিত আন এক উল্লেখযোগ্য পৰিৱৰ্তন ঘটিল। প্ৰাক্তন কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী, বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি আৰু অসম জাতীয় পৰিষদৰ জ্যেষ্ঠ নেতা ৰাজেন গোঁহায়ে অৱশেষত দলটো ত্যাগ কৰিছে। তেখেতে দলৰ সভাপতি লুৰীণজ্যোতি গগৈলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰাৰ লগতে দলটোৰ প্ৰাথমিক সদস্য পদৰ পৰাও অব্যাহতি লোৱাৰ কথা সদৰি কৰে। লুৰীণজ্যোতি গগৈলে □ ৬ পৃষ্ঠাত

□পাঁচখন দেশ ভ্ৰমণ; ৩২ সংখ্যক আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি □

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ নৰৱে'ৰ সৰ্বোচ্চ অসামৰিক সন্মান 'গ্ৰেণ্ড ক্ৰছ'



**ইন্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ১৮ মে' ঃ** পাঁচদিনীয়া গুৰুত্বপূৰ্ণ বিদেশ ভ্ৰমণসূচীৰ চতুৰ্থ পৰ্যায়ত নৰৱেৰ ৰাজধানী অছ'ল'ত উপস্থিত হৈছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। সোমবাৰে তেখেতক নৰৱেৰ ৰজা হাৰাল্ড পঞ্চমে দেশখনৰ সৰ্বোচ্চ □ ৬ পৃষ্ঠাত

## শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ শুনানি সম্পন্ন

২৮ মে'ত আদালতে দিব জামিন আবেদনৰ ৰায়

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** উচ্চ ন্যায়ালয়ে শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ শুনানি আজি সম্পন্ন কৰে। কিন্তু ৰায়দানৰ বাবে আজিৰ তাৰিখটো স্থগিত ৰাখি ন্যায়ালয়ে অহা ২৮ মে'ত জামিনৰ আবেদনৰ ওপৰত ৰায় প্ৰদান কৰিব বুলি ঘোষণা □ ৬ পৃষ্ঠাত

মুম্বাইৰ এখন ব্যক্তিগত হাস্পতালত ভৰ্তি

## হঠাৎ গুৰুতৰভাৱে অসুস্থ মৌলানা বদৰুদ্দিন আজমল



২১ মে'ত পবিত্ৰ হজযাত্ৰালৈ যোৱাৰ কথা আছিল আজমলৰ

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** অসমৰ প্ৰভাৱশালী ৰাজনৈতিক দল অল ইণ্ডিয়া ইউনাইটেড ডেমক্ৰেটিক ফ্ৰণ্ট (AIUDF)ৰ সভাপতি তথা ধুবৰীৰ প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমল □ ৬ পৃষ্ঠাত

থিৰুৱন্তপুৰমত ভি ডি সতীশনৰ সৈতে শপত ল'লে ২০গৰাকী মন্ত্ৰীয়ে

## কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে শপত ল'লে কংগ্ৰেছ নেতা ভি ডি সতীশনে



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ মে' ঃ** কেৰালাত আজি যুগান্তকাৰী ৰাজনৈতিক পৰিৱৰ্তন ঘটিল। কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ভি ডি সতীশনে সোমবাৰে কেৰালাৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। একে অনুষ্ঠানতে তেওঁৰ নেতৃত্বাধীন কেবিনেটৰ আন ২০ গৰাকী মন্ত্ৰীয়েও পদ আৰু গোপনীয়তাৰ শপত □ ৬ পৃষ্ঠাত

■ গুৱাহাটীত প্ৰথম পৰ্যায়ত জল মেট্ৰ' সেৱা ■

## দেশৰ ১৮খন চহৰত জল মেট্ৰ' আৰম্ভ কৰাৰ পৰিকল্পনা




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৮ মে' ঃ** দেশত বহুল প্ৰতীক্ষিত জল মেট্ৰ' সেৱাৰ আৰম্ভণি সন্দৰ্ভত আজি নতুন দিল্লীত এক গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ □ ৬ পৃষ্ঠাত

স্নাতকোত্তৰত ন্যূনতম অৰ্হতা নথকা ১২৭ গৰাকীক অবৈধভাৱে PhD প্ৰদান

# বড়োলেণ্ড বিশ্ববিদ্যালয়ত PhD প্ৰদানৰ নামত ভয়ংকৰ জালিয়াতি

❒ ২৬ মে'ত UGCৰ দিল্লীস্থিত মুখ্য কাৰ্যালয়লৈ তলব কৰা হ'ল বিশ্ববিদ্যালয় কৰ্তৃপক্ষক ❒

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৮ মে' ঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ত ডক্টৰেট ডিগ্ৰী (PhD) প্ৰদানৰ নামত এক ভয়ংকৰ জালিয়াতিৰ অভিযোগ উন্মোচিত হৈছে। বিশ্ববিদ্যালয় মান্যতা আৰু অনুদান কমিচন (UGC)ৰ এখন বিশেষজ্ঞ সমিতিৰ প্ৰতিবেদনত এই বিস্ফোৰক তথ্য প্ৰকাশ পাইছে। প্ৰতিবেদন অনুসৰি, স্নাতকোত্তৰ (পোষ্ট গ্ৰেজুৱেট) স্তৰত □ ৬ পৃষ্ঠাত




## ড° বসন্ত কুমাৰ গোস্বামীৰ মন্তব্যক সমৰ্থন সাংসদ ৰকিবুল হুছেইনৰ

চৰ-চাপৰিৰ মুছলমানক লৈ কৰা মন্তব্যক বাস্তৱ আখ্যা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** অসম সাহিত্য সভাৰ সভাপতি গৰাকীয়ে সাম্প্ৰতিক সময়ত দিয়া এক বক্তব্যক সম্পূৰ্ণ সমৰ্থন জনাই ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে কয় যে, তেখেতৰ সেই কথাষাৰ একেবাৰে বাস্তৱ আৰু দিনৰ পোহৰৰ দৰে স্পষ্ট। এই কথা কোনোৱে ঢাকি □ ৬ পৃষ্ঠাত

গৌৰৱ গগৈ, ৰণদ্বীপ সিং সূৰ্যৱালাই সমগ্ৰ ষড়যন্ত্ৰ ৰচাৰ তথ্য

## ২৩ মে'ত ক্ৰাইম ব্ৰাঞ্চত হাজিৰ হ'ব লাগিব কংগ্ৰেছ নেতা ৰণদ্বীপ সিং সূৰ্যৱালা

প্ৰসংগ ঃ ৰিণিকি ভূঞা শৰ্মাৰ পাছপ'ৰ্ট বিতৰ্ক



**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৮ মে' ঃ** ৰাজ্যসভাৰ সাংসদ তথা অল ইণ্ডিয়া কংগ্ৰেছ কমিটি (AICC)ৰ জ্যেষ্ঠ নেতা ৰণদ্বীপ সিং সুৰ্যেৱালাক ক্ৰাইম ব্ৰাঞ্চে চমন জাৰি কৰিছে। তেওঁক অহা ২৩ মে'ত ক্ৰাইম ব্ৰাঞ্চৰ কাৰ্যালয়ত হাজিৰ হোৱাৰ নিৰ্দেশ দিয়া হৈছে। উল্লেখযোগ্য যে, ৰিণিকি ভূঞা শৰ্মাৰ গোচৰৰ ভিত্তিতে এই চমন প্ৰেৰণ কৰা □ ৬ পৃষ্ঠাত

"ৰাইজৰ হকে যুঁজ অব্যাহত থাকিব"

## কংগ্ৰেছ ত্যাগৰ বাতৰি নাকচ দেৱব্ৰত শইকীয়াৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৮ মে' ঃ** কংগ্ৰেছ দল ত্যাগ কৰি বিজেপিত যোগদান কৰিব বুলি চলি থকা বাতৰিৰ মাজত শেষত মুখ খুলিলে জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। তেখেতে স্পষ্ট ভাষাত কয় যে তেওঁ কংগ্ৰেছ দল ত্যাগ কৰা বা নগাঁও লোকসভা সমষ্টিৰ □ ৬ পৃষ্ঠাত



# অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° ৰাজিৱ বৰঠাকুৰৰ মৃত্যু

## শোকত ম্ৰিয়মাণ দেৰগাঁও

**অসম বাৰ্তা, দেৰগাঁও, ১৮ মে’ ঃ** দেৰগাঁও মিলনপুৰ নিৱাসী, সমাজকৰ্মী তথা দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ ৰাজিৱ বৰঠাকুৰ (৭২) ৰ ১৪ মে’ নিশা বাংগালোৰত পৰলোক হয়। কমল দুৱৰা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° বৰঠাকুৰে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বিষয়া ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। দেৰগাঁৱত লায়ঞ্চ ক্লাৱৰ তেওঁ আছিল প্ৰতিষ্ঠাপক সম্পাদক। একালৰ এজন সুদক্ষ বেডমিণ্টন খেলুৱৈ বৰঠাকুৰ দেৰগাঁৱৰ শংকৰদেৱ শিশু নিকেতনৰ অন্যতম প্ৰতিষ্ঠাপক আছিল। দেৰগাঁও টাওন ক্লাৱৰ সভাপতিৰ দায়িত্বত থাকি টাওন ক্লাৱ ভৱন নিৰ্মাণত মূল ভূমিকা গ্ৰহণ কৰিছিল। টাওন ক্লাৱ পূজা সমিতি আৰু স্থায়ী সমিতিৰো সভাপতিকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ গুৰুদায়িত্বত অতি নিষ্ঠাৰে সমাজৰ কামত আগভাগ লোৱা বৰঠাকুৰৰ মৃত্যুত দেৰগাঁৱত গভীৰ শোকৰ ছাঁ পৰে। দেৰগাঁৱৰ ঐতিহ্যমণ্ডিত নেঘেৰিটিং শিৱদৌলৰ পুৰহিত বংশৰ অন্যতম সদস্য বৰঠাকুৰে মৃত্যুৰ সময়ত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী মধুচন্দা বৰঠাকুৰসহ এগৰাকী বিবাহিত কন্যা, জোৱাই, ভাতৃ উমা প্ৰিণ্টাৰছৰ স্বত্বাধিকাৰী অশ্বিনী বৰঠাকুৰকে ধৰি বহুতো আত্মীয় কুটুমক এৰি থৈ যায়।

# নামনি মাজুলীৰ আহতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী

## উদ্‌যাপন সমিতি গঠন

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ মে’ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ অন্যতম প্ৰধান শিক্ষানুষ্ঠান আহঁতগুৰি উচ্চ মাধ্যমিক বিদ্যালয়খন চলিত বৰ্ষত ৭৫ বছৰত ভৰি দিলে। সেই উপলক্ষে আজি মহাৰজত জয়ন্তী উদযাপনৰ প্ৰস্তুতি হিচাপে এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। আজি দুপৰীয়া বাৰ বজাৰ পৰা আৰম্ভ হোৱা উক্ত ৰাজহুৱা সভাত সভাপতিত্ব কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল চন্দ্ৰ বৰাই। বিদ্যালয়ৰ প্ৰধান শিক্ষক মাণিক হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত স্থানীয় বহুতো ৰাইজে অংশগ্ৰহণ কৰে। এই সভাতেই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা মিচিং স্বায়ত্ব শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য উমা পাঠৰী দেৱক সভাপতি, চন্দন কুম্বাং দেৱক কাৰ্যকৰী সভাপতি, প্ৰধান শিক্ষক মাণিক হাজৰিকাক প্ৰধান সম্পাদক, সত্যজ্যোতি কুম্বাং আৰু বিষ্ণুপ্ৰসাদ শইকীয়াক যুটীয়া সম্পাদক হিচাপে লৈ উদযাপন সমিতি গঠন কৰা হয়। উক্ত সভাত অতি শীঘ্ৰে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন খনি অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। লগতে অতি সোনকালে অন্যান্য উপ সমিতি সমূহো গঠন কৰা হব বুলি উদযাপন সমিতিয়ে জনায়। মহাৰজত জয়ন্তী উদযাপনৰ ক্ষেত্ৰত সকলো প্ৰাক্তন শিক্ষক, শিক্ষাৰ্থী, স্থানীয় ৰাইজ আৰু শুভাকাংক্ষী সহায় সহযোগ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# খন্দকাৰ পাৰা বজাৰৰ কাষৰ জৰাজীৰ্ণ PWD পথ; অতিষ্ঠ স্থানীয় ৰাইজ

**অসম বাৰ্তা, কুমুল্লীপাৰা, ১৮ মে’ ঃ** বৰপেটা জিলাৰ ২৫ নং পাকা বেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত খন্দকাৰ পাৰা বজাৰৰ পূবফালে হাউলীৰ পৰা জনীয়াৰ ফালে সংযোগ স্থাপন কৰা ব্যস্ত PWD পথৰ একাংশ দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ অৱস্থাত পৰি থকাত অঞ্চলজুৰি তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছে। পথটোৰ আনুমানিক ২০০ মিটাৰ যোৱা বছৰৰ পৰাই খুবেই বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা পৰিলক্ষিত হৈছে। জানিব পৰা মতে, পথটোৰ দুয়োফালে ঘন জনবসতি গঢ় লৈ উঠাৰ ফলত পথৰ মাজভাগ তুলনামূলকভাৱে দ অৱস্থাত পৰিণত হৈছে। বিশেষকৈ বাৰিষা কালত পথছোৱাত দীৰ্ঘ সময় ধৰি পানী জমা হৈ থাকে। ফলস্বৰূপে পথটোৰ বিভিন্ন স্থানত ডাঙৰ-ডাঙৰ গাঁত সৃষ্টি হোৱাৰ লগতে সম্পূৰ্ণ পথছোৱাই এক জৰাজীৰ্ণ ৰূপ ধাৰণ কৰিছে। ইফালে, এইবাৰ পথটোৰ দক্ষিণ দিশে এটা ড্ৰেইন নিৰ্মাণৰ কাম চলি থকা পৰিলক্ষিত হৈছে যদিও ক্ষতিগ্ৰস্ত পথছোৱাৰ মেৰামতি কাম এতিয়াও সম্পূৰ্ণ নোহোৱাত সাধাৰণ ৰাইজে ব্যাপক দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিশেষকৈ চাৰিচকীয়া বাহন, ঠেলাগাড়ী, ই-ৰিক্সা, মটৰ চাইকেল, চাইকেল আদি সৰু-বৰ যানবাহনৰ চলাচল অত্যন্ত বিপদজনক আৰু কষ্টসাধ্য হৈ পৰিছে বুলি অভিযোগ উঠিছে। স্থানীয় বাসিন্দাসকলে কয় যে, দৈনিক সহস্ৰাধিক লোক এই পথৰে যাতায়ত কৰে। কিন্তু পথৰ বেয়া অৱস্থাৰ বাবে যিকোনো সময়তে দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা আছে। বিশেষকৈ বিদ্যালয়গামী ছাত্ৰ-ছাত্ৰী, ৰোগী কঢ়িয়াই নিয়া বাহন আৰু ব্যৱসায়িক সামগ্ৰী কঢ়িয়াই অনা-নিয়া কৰা লোকসকল আটাইতকৈ অধিক সমস্যাৰ সন্মুখীন হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত উক্ত সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক জাকিৰ হুছেইন শিকদাৰ আৰু PWD বিভাগৰ সংশ্লিষ্ট বিষয়াসকলৰ দৃষ্টি আকৰ্ষণ কৰি স্থানীয় ৰাইজে অতি শীঘ্ৰে পথছোৱাৰ সম্পূৰ্ণ মেৰামতি কাম সম্পন্ন কৰাৰ দাবী জনাইছে।

# সৰুপথাৰত অনুষ্ঠিত অসম কবি সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান ‘চোতাল’

**অসম বাৰ্তা, সৰুপথাৰ, ১৮ মে’ ঃ** ধনশিৰি মহকুমা কবি সন্মিলনৰ উদ্যোগত আৰু ড° প্ৰণৱ ঢেকিয়াল ফুকনৰ আতিথ্যত সৰুপথাৰত অনুষ্ঠিত হৈছিল সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় অনুষ্ঠান ‘চোতাল’। অসমৰ কাব্য জগতৰ অন্যতম অনুষ্ঠান ‘সদৌ অসম কবি সন্মিলন’ৰ কেন্দ্ৰীয় কাৰ্যসূচী “চোতাল” ধনশিৰি মহকুমা কবি সন্মিলনৰ উদ্যোগত আৰু বিশিষ্ট কবি তথা শিক্ষাবিদ ড° প্ৰণৱ ঢেকিয়াল ফুকনৰ আতিথ্যত সৰুপথাৰত সফলতাৰে সম্পন্ন হৈ যায়। সৰুপথাৰৰ ১ নং পদুমণিস্থিত সৰুপথাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক ড° প্ৰণৱ ঢেকিয়াল ফুকনৰ নিজা বাসস্থানৰ প্ৰাংগণত আয়োজিত এই ব্যতিক্ৰমী অনুষ্ঠানটিয়ে উচ্চস্তৰীয় সাহিত্যিক পৰিৱেশৰ সৃষ্টি কৰে। সদৌ অসম কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱাই সভাপতিত্ব কৰা অনুষ্ঠানটিত আজি কেইবাখনো গ্ৰন্থ উন্মোচন হৈছে। ধনশিৰি মহকুমা কবি সন্মিলনৰ মুখপত্ৰ “শতভিষা” উন্মোচিত হৈছে। কবি, শিক্ষয়িত্ৰী নীৰু দত্তৰ “ওমলা পদ্য”, স্পনানী গগৈ চেতিয়াৰ “মই জুবিনক কৈছোঁ” শীৰ্ষক গ্ৰন্থ উন্মোচন কৰা হয়। অসমৰ ভিন্ন প্ৰান্তৰ কবি, সাহিত্যিক তথা সাহিত্যপ্ৰেমীৰ উপস্থিতিয়ে গৌৰৱান্বিত কৰা এই অনুষ্ঠানটিৰ শুভাৰম্ভ হয় এক আধ্যাত্মিক পৰিৱেশৰ মাজেৰে। বোকাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক সুশীল শইকীয়াই পৰিৱেশন কৰা এটি ভক্তিৰসপূৰ্ণ বৰগীতেৰে কাৰ্যসূচীৰ সফল আৰম্ভণি ঘটে। বৰগীতটিৰ সুৰদী সুৰ আৰু গাম্ভীৰ্যই সমবেত ৰাইজক মন্ত্ৰমুগ্ধ কৰি তোলে। সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় বিষয়ববীয়াৰ লগতে ৰাজ্যৰ চুকে-কোণে থকা বিভিন্ন জিলাৰ পৰা অহা প্ৰতিগৰাকী প্ৰতিনিধি আৰু কবিক ধনশিৰি মহকুমা কবি সন্মিলনৰ তৰফৰ পৰা আন্তৰিক আদৰণি জনোৱা হয়। এই অনুষ্ঠানত ধনশিৰি মহকুমা কবি সন্মিলনৰ মুখপত্ৰ ‘শতভিষা’ৰ চতুৰ্থ সংখ্যাটিৰ শুভ উন্মোচন কৰা হয়। অনুষ্ঠানত উপস্থিত থকা বিশিষ্ট সাহিত্যিক আৰু জ্যেষ্ঠ বিষয়ববীয়াই যুটীয়াভাৱে এই মুখপত্ৰখনি উন্মোচন কৰে। এই সংখ্যাটিয়ে অসমীয়া কাব্য সাহিত্যৰ ভঁৰাল চহকী কৰাত বিশেষ ভূমিকা ল’ব। ‘চোতাল’ অনুষ্ঠানৰ মূল আকৰ্ষণ আছিল কবি সন্মিলন বা কবিতা পাঠৰ অনুষ্ঠান। ড° প্ৰণৱ ঢেকিয়াল ফুকনৰ বাসগৃহৰ মুকলি চোতালত বহি কবিসকলে ইজনৰ পিছত সিজনকৈ নিজৰ স্বৰচিত কবিতা পাঠ কৰে। প্ৰেম, বিৰহ, প্ৰকৃতি, সমাজ চেতনা আৰু সমসাময়িক




জ্বলন্ত সমস্যাক সাঙুৰি কবিসকলে পাঠ কৰা কবিতাসমূহে উপস্থিত শ্ৰোতাক আপ্লুত কৰে। জ্যেষ্ঠ কবিসকলৰ গম্ভীৰ কবিতাৰ সমান্তৰালভাৱে তৰুণ প্ৰজন্মৰ কবিসকলৰ নতুন চিন্তাৰ কবিতায়ো বিশেষ সমাদৰ লাভ কৰে। ঘৰুৱা অথচ অতি মৰ্যাদাপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হোৱা এই “চোতাল” কাৰ্যসূচীৰ শেষত শলাগৰ শৰাই আগবঢ়াই আদৰণিকাৰী ড° প্ৰণৱ ঢেকিয়াল ফুকনে কয় যে এনেধৰণৰ অনুষ্ঠানে অসমৰ সাহিত্য চৰ্চাক ড্ৰয়িং ৰুমৰ পৰা উলিয়াই আনি প্ৰকৃততে জনসাধাৰণৰ চোতাল পোৱাইছেহি। চোতালৰ গৃহস্থ ড° প্ৰণৱ ঢেকিয়াল ফুকনে কয়, “সকলোৰে পবিত্ৰ মানসেৰে সদৌ অসম কবি সন্মিলনৰ এই কাৰ্যসূচী “চোতাল”। আজি ধনশিৰি মহকুমা কবি সন্মিলনৰ উদ্যোগত আৰু আমি, মই আমাৰ আতিথ্যত এই কাৰ্যসূচীত আমাৰ গৃহত ৰূপায়ণ কৰিছোঁ। সদৌ অসম কবি সন্মিলনৰ সভাপতি ৰাজুমণি বেজবৰুৱা, প্ৰাক্তন সভাপতি তথা উপদেষ্টা বিশিষ্ট লেখক ড° মাণিক শইকীয়া ডাঙৰীয়া, সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যক্ষ নাৰায়ণ চন্দ্ৰ তালুকদাৰ, অসমৰ বিশিষ্ট সাহিত্যিক গৱেষক ধৰ্মেশ্বৰ দুৱৰা দেৱ আজি উপস্থিত আছে। আৰু অসমৰ বিভিন্ন প্ৰান্তৰ শাখাৰ সভাপতি সম্পাদক ধৰি বিভিন্ন কবি উপস্থিত আছে। গতিকে আজি আমাৰ চোতালত কবিতাৰ যি এটি অনুষ্ঠান আয়োজন হৈছে, এই অনুষ্ঠানে আমি আশা কৰোঁ যে কবিতাক ৰাইজৰ মাজলৈ লৈ যাব। কবিতা কেৱল ব্যক্তি বিশেষৰ মন বা ভাবৰ প্ৰকাশ নহয়, মই ভাবো যে কবিতাই সমাজখন গঢ়ে। কবিতাই আমাৰ উঠি অহা প্ৰজন্মৰ মাজলৈ যদি আমি কবিতাক লৈ যাব পাৰোঁ, উঠি অহা প্ৰজন্মৰ যি এতিয়া বিপথগামী অৱস্থা হৈছে, তেওঁলোকক আমি কবিতাৰ জৰিয়তে জীৱনৰ সঠিক পথ দেখুৱাব পাৰোঁ। আৰু যিহেতু সকলোৰে অন্তৰত সৃষ্টিশীলতা থাকে, সকলোৰে অন্তৰত আচলতে প্ৰতিজন মানুহেই কবি।

# ড্ৰাগছসহ দুৰ্ধৰ্ষ ড্ৰাগছ বেপাৰী আটক

**অসম বাৰ্তা, মিৰ্জা, ১৮ মে’ ঃ** মিৰ্জাত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন দুৰ্ধৰ্ষ ড্ৰাগছ বেপাৰীক আটক কৰা হয়। ধৃত বেপাৰীজন হৈছে বঙৰা ইছলামপুৰৰ আইদুল ওৰফে পপাৰ, যিয়ে দীৰ্ঘদিন ধৰি দক্ষিণ কামৰূপ অঞ্চলত ড্ৰাগছৰ বেহা চলাই আহিছিল বুলি অভিযোগ আছে। জানিব পৰা মতে, মিৰ্জা অঞ্চলত ভাড়াতীয়া হিচাপে থকা আইদুলক স্থানীয় সচেতন যুৱকসকলে আজি পুৱাৰে পৰা অনুসৰণ কৰি দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ সন্মুখত হাতে-লুটে ধৰি আৰক্ষীক গতাই দিয়ে। পিছত পলাশবাৰী আৰক্ষীক খবৰ দিয়াত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ আইদুলক আটক কৰে। আৰক্ষীয়ে ধৃতযুৱক জনৰ পৰা ৪২টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ, ৪টা মোবাইল ফোন, এএছ ০১ জি এছ ৪৭৪২ নম্বৰৰ এখন চুইফ্‌ট বাহন আৰু কিছু নগদ ধন জব্দ কৰে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে।

# পলাশবাৰী আৰক্ষী সফলতা; উদ্ধাৰ চুৰি বাইক

**অসম বাৰ্তা, মিৰ্জা, ১৮ মে’ ঃ** পলাশবাৰী আৰক্ষীৰ তৎপৰতাত উদ্ধাৰ হ’ল এখন চুৰি মটৰচাইকেলৰ লগতে গ্ৰেপ্তাৰ কৰা হ’ল এজন অভিযুক্ত। প্ৰাপ্ত খবৰ অনুসৰি, ১০ মে ত চুৰি হোৱা এখন হিৰো হোণ্ডা গ্লেমাৰ মটৰচাইকেলৰ সন্দৰ্ভত ১১ মে’ত পলাশবাৰী থানাত ভুক্তভোগীয়ে দাখিল কৰিছিল এজাহাৰ। উক্ত এজাহাৰ ভিত্তিত অতি ক্ষিপ্ৰতাৰে অভিযান আৰম্ভ কৰিছিল আৰক্ষীয়ে। ফলত বৰপেটাৰ আলোপতি চৰ অঞ্চলৰ পৰা উদ্ধাৰ কৰা হয় উক্ত চুৰি মটৰচাইকেলখন। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত ৰকিবুল ইছলাম নামৰ ২২ বছৰীয়া এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। ইতিমধ্যে অভিযুক্তক আইনী ব্যৱস্থাৰ বাবে আদালতত হাজিৰ কৰোৱাৰ প্ৰস্তুতি চলাইছে পলাশবাৰী আৰক্ষীয়ে।

## ই-ৰিস্কাৰ গোপন চেম্বাৰৰ পৰা উদ্ধাৰ দুটা গৰু, আটক দুজন

# কোৰবাণী ঈদৰ পূৰ্বে ধুবুৰীত চোৰাং গৰু সৰবৰাহ

**অসম বাৰ্তা, গোলকগঞ্জ, ১৮ মে’ ঃ** কোৰবাণী ঈদৰ পূৰ্বে ধুবুৰী জিলাত পুনৰ পোহৰলৈ আহিছে চোৰাং গৰু সৰবৰাহৰ ঘটনা। গোলকগঞ্জ আৰক্ষীয়ে এক গোপন তথ্যৰ ভিত্তিত অভিযান চলাই দুটা চোৰাং গৰু জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হয়। ই-ৰিস্কাৰ গোপন চেম্বাৰত গৰু লুকুৱাই সৰবৰাহ কৰাৰ অভিনৱ কৌশলে সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আজি দিনৰ প্ৰায় ৩ বজাত গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া হৰ্ষজিত দাসৰ নিৰ্দেশত আৰক্ষীৰ এটা দলে বিৰাট নগৰ চাৰিআলিত সন্দেহজনকভাৱে ৰখাই থোৱা এখন বেটাৰীচালিত ই-ৰিস্কাত তালাচী চলায়। তালাচীৰ সময়তে আৰক্ষীয়ে ই-ৰিস্কাখনৰ গোপন চেম্বাৰৰ তলত লুকুৱাই অনা দুটা গৰু উদ্ধাৰ কৰে। প্ৰাথমিক তদন্তত পোহৰলৈ আহিছে যে পশ্চিম বংগৰ পৰা ভিতৰুৱা পথ ব্যৱহাৰ কৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৌৰীপুৰ অভিমুখে গৰু দুটা সৰবৰাহ কৰা হৈছিল। অভিযানত জড়িত অভিযোগত আৰক্ষীয়ে বাৰেক আলী মোল্লা (৩০), পিতা বাচা মোল্লা, নিবাসী মাজেৰ চৰ, চালাকুৰা, ধুবুৰী আৰু উমৰ ফাৰুক, পিতা মুজিবুৰ বেপাৰী, নিবাসী ভাসানি চৰ পাঠ ওৱান, ধুবুৰীৰ, আটক কৰিছে। ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে, এই চোৰাং সৰবৰাহ চক্ৰৰ সৈতে আৰু কোনো লোক জড়িত আছে নেকি সেই দিশত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। গোলকগঞ্জ আৰক্ষীৰ এই সফল অভিযানৰ পিছত সীমান্তৱৰ্তী অঞ্চলসমূহত পুনৰ এবাৰ আৰক্ষীৰ তৎপৰতা বৃদ্ধি পোৱা দেখা গৈছে। তদন্তত আৰু কি কি তথ্য পোহৰলৈ আহে সেয়াই এতিয়া লক্ষণীয় হৈ পৰিছে।

## তিনিদিনীয়া ভাগৱত পাঠৰ সফল সামৰণি

# মাজুলীৰ খলিহামাৰীত ‘কুমৰ হৰণ হৰি-হৰ যুদ্ধ’ ভাওনা প্ৰদৰ্শন

**অসম বাৰ্তা, উজনী মাজুলী, ১৮ মে’ ঃ** মধ্য মাজুলীৰ খলিহামাৰী গাঁৱত অনুষ্ঠিত তিনি দিনীয়া ভাগৱত পাঠ অনুষ্ঠানৰ আজিৰ পুৱা সফল পৰিসমাপ্তি ঘটে। অনুষ্ঠানৰ লগত সংগতি ৰাখি অন্তিম দিনা উক্ত গাঁৱৰ হৰি মন্দিৰত কুমৰ হৰণ হৰি-হৰ যুদ্ধ নাট মঞ্চস্থ কৰা হয়। উদীয় মান যুৱক ৰাজীৱ বৰাৰ পৰিচালনাৰে মঞ্চস্থ কৰা উক্ত নাট ভাগি দৰ্শন কৰিবলৈ স্থানীয় অগণন লোকৰ সমাগম ঘটে। ভাওনা প্ৰদৰ্শনৰ আৰম্ভণিতে খলিহামাৰী গাঁৱৰ কণ কন শিল্পী সকলে গায়ন বায়ন প্ৰদৰ্শন কৰি অনুষ্ঠানটিৰ শুভ আৰম্ভণি কৰে। উক্ত নাট ভাগিত সূত্ৰধাৰ চৰিত্ৰত কৌশিক বৰা, নাৰায়ণৰ চৰিত্ৰত অংকুৰ বৰা, বলোভদ্ৰৰ চৰিত্ৰত গৌতম বৰা, বান ৰজাৰ চৰিত্ৰত ৰাজীৱ নাথ, নাৰদৰ চৰিত্ৰত পিংকু বৰা, মন্ত্ৰীৰ চৰিত্ৰত কৃষ্ণ বৰা, বান ৰজাৰ সেনাপতিৰ চৰিত্ৰত দিকু বৰা, অনিৰুদ্ধৰ চৰিত্ৰত বাপ্পু বৰা, শিৱৰ চৰিত্ৰত ৰূপম বৰা, কাল যৱনৰ চৰিত্ৰত সুমন বৰা, কালযৱনৰ সেনাপতিৰ চৰিত্ৰত বসন্ত বৰা, মুচুকুণ্ডৰ চৰিত্ৰত আকাশ বৰা, কুজিৰ চৰিত্ৰত বিশ্বজিত বৰা, প্ৰদ্যুন্ম হিৰণ্য বৰা, সাত্যকীৰ চৰিত্ৰত কাজু বৰা, ঊষাৰ চৰিত্ৰত জিতু আৰু চিত্ৰলেখা চৰিত্ৰত মুন কলিতাই ভাও প্ৰদৰ্শন কৰে। ভাওনা প্ৰদৰ্শনৰ প্ৰাক ক্ষণত কাৰ্য্যসূচীৰ আত ধৰে উদ্‌যাপন সমিতিৰ সভাপতি মহানন্দ বৰা, উপ সভাপতি ৰাজীৱ বৰা, সম্পাদক কৃষ্ণ কান্ত বৰা, আৰু সহ সম্পাদক বিশ্বজিৎ বৰাই। তিনিদিনীয়া উক্ত আধ্যাত্মিক কাৰ্য্যসূচী সফল পৰিসমাপ্তি ঘটোৱাৰ বাবে আয়োজক সমিতিৰ সভাপতি মহানন্দ বৰা, সম্পাদক কৃষ্ণকান্ত বৰা আৰু প্ৰচাৰ সম্পাদক প্ৰাঞ্জল বৰাই সকলোকে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে উক্ত ভাওনাখনি সুচাৰুৰূপে চলাই নিয়াৰ ক্ষেত্ৰত গায়ন দীপু বৰা, বায়ণ কংকন বৰা আৰু বিষ্ণুপ্ৰসাদ বৰাই পূৰ্ণ সহযোগিতা আগবঢ়ায়।

# বিশ্বনাথ জিলা অনুসূচিত জাতি ছাত্ৰ সন্থা আৰু বিহালী সচেতন গণ মঞ্চৰ উদ্যোগত বিশেষ সম্বৰ্দ্ধনা সভা সম্পন্ন

**অসম বাৰ্তা, জিনজিয়া, ১৮ মে’ ঃ** সদৌ বিশ্বনাথ জিলা অনুসূচিত জাতি ছাত্ৰ সন্থা আৰু বিহালী সচেতন গণ মঞ্চৰ উদ্যোগত আজি বিহালী কনিষ্ঠ মহাবিদ্যালয়ত উচ্চ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিশ্বনাথ জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তুলতুল দাসে আঁত ধৰা অনুষ্ঠানটোৰ সভাপতিত্ব কৰে বিহালী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ কৃষ্ণ বৰালে আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিহালী সচেতন গণ মঞ্চৰ সভাপতি বিপ্লৱ দাসে। এই সভাত জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা দীপা বৰুৱা, সমাজকৰ্মী মণিলাল শৰ্মা, বিশ্বনাথ জিলা বাৰ্তাজীৱি সংঘৰ সভাপতি দীপক শৰ্মা, বিহালী প্ৰেছ ক্লাৱৰ সভাপতি ভুবন লুইটেল, উপ-সভাপতি খগেন মটক, জ্যেষ্ঠ সাংবাদিক দিগন্ত দাস, শিক্ষক দিগন্ত দাস, বিহালী কনিষ্ঠ মহাবিদ্যালযৰ তাৰা দেবী, খগেন উপাধ্যায়, মীনা মিশ্ৰ, মদন সেন, প্ৰশান্ত শৰ্মা বৰুৱা, বিশ্বনাথ জিলা সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক বিতুপন লহকৰ, বিশ্বনাথ জিলা আদিবাসী ছাত্ৰ সন্থাৰ উপ-সভাপতি পৱন বাউৰী, বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক দ্বীপজ্যোতি হাজৰিকা আদি উপস্থিত থাকে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আদিবাসী কল্যাণ ও উন্নয়ন পৰিষদৰ OSD ৰূগেশ্বৰ খাণ্ডুৱাল। সভাত সোণাপুৰৰ পৰা অহা যুৱ কণ্ঠশিল্পী ৰূপজ্যোতি পাপুৱে গীত পৰিৱেশন কৰে। উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ২৫০জন কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়।

## শোকস্তব্ধ ডবকাৰ ভেদৌআটীবাসী

# মানৱসেৱাৰে হৃদয় জয় কৰা হাফিজ আব্দুল্লাহ আহমেদৰ অকাল মৃত্যু

**অসম বাৰ্তা, ডবকা, ১৮ মে’ ঃ** হোজাই জিলাৰ ডবকা ভেদৌআটী গাঁৱৰ সকলোৰে সুপৰিচিত, নম্ৰ-ভদ্ৰ যুৱক হাফিজ আব্দুল্লাহ আহমেদে দীৰ্ঘদিনীয়া অসুস্থতাৰ সৈতে যুঁজি বৃহস্পতিবাৰে দুপৰীয়া প্ৰায় ২:৩০ বজাত ডিব্ৰুগড় কেঞ্চাৰ হাস্পতালত শেষ নিঃশ্বাস ত্যাগ কৰি এই সংসাৰৰ পৰা চিৰবিদায় লয়। তেওঁৰ অকাল মৃত্যুৰ খবৰে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। জীৱনকালত তেওঁ বিভিন্ন শিক্ষানুষ্ঠান, মাদ্ৰাছা আৰু মোক্তাৱত শিক্ষকতা কৰি বহু শিক্ষাৰ্থীক জ্ঞানৰ পোহৰ বিলাই গৈছে। কেৱল এজন শিক্ষক হিচাপেই নহয়, সমাজৰ বিভিন্ন উন্নয়নমূলক কাম-কাজৰ সৈতেও সক্ৰিয়ভাৱে জড়িত আছিল হাফিজ আব্দুল্লাহ আহমেদ। সমাজসেৱাৰ সমান্তৰালভাৱে নিজৰ অধ্যৱসায় আৰু সততাৰে তেওঁ এজন সফল ব্যৱসায়ী হিচাপেও নিজকে প্ৰতিষ্ঠিত কৰিছিল। অত্যন্ত মৰমিয়াল আৰু সদাচাৰী স্বভাৱৰ বাবে অঞ্চলটোৰ সকলো শ্ৰেণীৰ লোকৰ মাজত তেওঁ আছিল সমানভাৱে জনপ্ৰিয়। তেওঁৰ অকাল বিয়োগে আত্মীয়-স্বজন, বন্ধু-বান্ধৱ তথা সমগ্ৰ অঞ্চলবাসীক গভীৰভাৱে মৰ্মাহত কৰি তুলিছে। মৃত্যুৰ সময়ত তেওঁ এই সংসাৰত পিতৃ-মাতৃ, এজনী ভণ্টি, পত্নী আৰু দুটি কণমানি পুত্ৰ সন্তানক এৰি থৈ যায়। এজন দায়িত্বশীল পুত্ৰ, মৰমিয়াল স্বামী, স্নেহশীল পিতৃ আৰু সমাজমুখী ব্যক্তিত্বৰূপে তেওঁৰ অভাৱ বহুদিনলৈ অনুভৱ কৰিব সমগ্ৰ অঞ্চলবাসীয়ে। শুক্ৰবাৰে নিখাৰিমুখত অগণন গুণমুগ্ধৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন হয়।

# সদৌ অসম কৰ্মচাৰী পৰিষদৰ দেৰগাঁও আঞ্চলিক সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান

**অসম বাৰ্তা, দেৰগাঁও, ১৮ মে’ ঃ** অসম আন্দোলনৰ পটভূমিত জন্মলাভ কৰা সদৌ অসম কৰ্মচাৰী পৰিষদৰ গোলাঘাট জিলাৰ অন্তৰ্গত দেৰগাঁও আঞ্চলিক কৰ্মচাৰী পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান শনিবাৰে হাতীয়েখোৱা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। দেৰগাঁও আঞ্চলিকৰ নতুন সমিতিৰ বিষয়ববীয়া সকলৰ দায়িত্ব গ্ৰহণৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰে। মালা তামোলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত উপস্থিত থাকে জিলা সভাপতি প্ৰসন্ন শৰ্মা, উপদেষ্টা অজয় বৰা, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্যা মালা তামোলী, জিলা

## অৱসৰপ্ৰাপ্ত শিক্ষকবৃন্দৰ সশ্ৰদ্ধ সম্বৰ্দ্ধনা অনুষ্ঠান

সম্পাদক মানস কাকতি, প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰবীন গগৈ, দেৰগাঁও আঞ্চলিকৰ উপদেষ্টা প্ৰজ্ঞাসুন্দৰ হাজৰিকা, দেৰগাঁও আঞ্চলিকৰ উপ-সভাপতি সীমান্ত দত্ত, গিতুৰঞ্জন বৰা, বাবুল পাচনি, ৰসেশ্বৰ ঠেঙাল দেৱৰ লগতে উপস্থিত থাকে গোলাঘাট জিলাৰ কৰ্মচাৰী পৰিষদৰ সন্মানীয় বিষয়ববীয়া জিতু দত্ত, হৰিহৰ বৰা, কিশোৰ শইকীয়া, পুতুল গগৈ, মৃদুপৱন শৰ্মা বৰ বৰা, মৃদুল বৰা, কৰুণা কান্ত ৰাজবংশী বাবলু ৰহমান আৰু সুব্ৰত দুৱৰা। শপত গ্ৰহণ অনুষ্ঠানৰ লগতে সংগতি ৰাখি এক সম্বৰ্দ্ধনা অনুষ্ঠানো অনুষ্ঠিত হয়। প্ৰজ্ঞা সুন্দৰ হাজৰিকাই আঁত ধৰা অনুষ্ঠানত কৰ্মচাৰী পৰিষদৰ বিষয়ববীয়া অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰণৱ বৰপূজাৰী দেৱৰ লগতে প্ৰকাশ নেওগক সম্বৰ্দ্ধনা জনায়। ছাত্ৰী গৰাকী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত নিশাই অভিভাৱকে ছাত্ৰী গৰাকীক মৰিয়নি খণ্ড প্ৰাথমিক চিকিৎসালয় লৈ যায় যদিও চিকিৎসকে আঘাতৰ অৱস্থা গুৰুত্বৰ বুলি বিবেচনা কৰি উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসামহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ইফালে, অভিযুক্ত নৃত্য শিক্ষক “চনু কুমাৰ”ৰ বিৰুদ্ধে ইয়াৰ পূৰ্বেও ছাত্ৰ-ছাত্ৰীক এনেদৰে নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ অভিযোগ উত্থাপিত হৈছিল বুলি জানি পৰা গৈছে। ঘটনাটোৰ পিছতে মৰিয়নি অঞ্চলত তীব্ৰ ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সচেতন মহলে অভিযুক্ত শিক্ষকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

# চাউলধোৱাত ১৮টা ম’হসহ বাহন জব্দ; তিনিটাকৈ সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৮ মে’ ঃ** লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে যোৱা নিশা এখন ম’হভৰ্তি বাহন জব্দ কৰাৰ লগতে অবৈধভাৱে ম’হ সৰবৰাহ কৰা তিনিজনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। বাহনখনত ১৮টা ম’হ কঢ়িয়াই অনা হৈছিল। চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিত গগৈৰ নেতৃত্বত চলা অভিযানত ৰাষ্ট্ৰীয় ঘাই পথেৰে অবৈধভাৱে সৰবৰাহ কৰিবলৈ যত্ন কৰোঁতে এই সফলতা লাভ কৰে আৰক্ষীয়ে। বাহনখনৰ নম্বৰ হৈছে এ এছ ২৫ এফ চি ৫২৭৫। গ্ৰেপ্তাৰ কৰা তিনি কুখ্যাত সৰবৰাহকাৰী হৈছে দৰং জিলাৰ দৰং থানাৰ অন্তৰ্গত দৈপাম গাঁৱৰ প্ৰয়াত ছফিকুল ইছলামৰ পুত্ৰ হজৰত আলী (২১), একে ঠাইৰে প্ৰয়াত আছাদ আলীৰ পুত্ৰ ৰাহিদুৰ ৰহমান (১৮) আৰু লখিমপুৰ জিলাৰ ঘিলামৰা থানাৰ অন্তৰ্গত মাজ পাটৰী গাঁৱৰ গড়নাথ পেগুৰ পুত্ৰ প্ৰদীপ পেগু (৪৭)।

# যোগীঘোপা চলন্তপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সম্বৰ্ধনা অনুষ্ঠান

**অসম বাৰ্তা, যোগীঘোপা, ১৮ মে’ ঃ** বঙাইগাঁও জিলাৰ চলন্তপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নবাগত আদৰণি সভা অনুষ্ঠিত হয়। লগতে ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনায়। কৃতি ছাত্ৰ-ছাত্ৰীৰ লগতে বিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক শৈক্ষিক দিশত উন্নতিৰ হকে আজিৰ অনুষ্ঠানে অনুপ্ৰেৰণা যোগাই তুলিব বুলি বিদ্যালয়ৰ পৰিদৰ্শক গৰাকীয়ে উল্লেখ কৰে। যাৰ ফলত আগন্তুক দিনত চলন্তপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব বুলি বিদ্যালয়ৰ শিক্ষক সকলে আশা প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত বঙাইগাঁও জিলাৰ বিদ্যালয় পৰিদৰ্শক পল্লৱী মেধি উপস্থিত থাকি নিজ হাতেৰে কিৰ্তী ছাত্ৰ-ছাত্ৰীক জনোৱাৰ লগতে মান পত্ৰ প্ৰদান কৰা পৰিলক্ষিত হয়।

## সম্পাদকীয়

# ইৰানৰ ভাবুকিত আতংকিত বিশ্ব

মাৰ্কিন ৰাষ্ট্ৰপতি ডʼনাল্ড ট্ৰাম্পে চীন ভ্ৰমণ সামৰি আমেৰিকালৈ ঘূৰি অহাৰ লগে-লগে ইৰানে পুনৰ এক ভয়ংকৰ সতৰ্কবাণী জাৰি কৰি সমগ্ৰ বিশ্বক উদ্বিগ্ন কৰি তুলিছে। মধ্য প্ৰাচ্যৰ উত্তপ্ত পৰিস্থিতিৰ মাজতে হৰমুজ প্ৰণালীৰ তলত থকা গুগʼল, এমাজন, মেটা আদি মাৰ্কিন প্ৰতিষ্ঠানৰ ইণ্টাৰনেট কেবলসমূহত আঘাত হানিব পাৰে বুলি ইৰানৰ ৰেভুলেশ্যনাৰী গাৰ্ডৰ মুখপাত্ৰই ঘোষণা কৰিছে। ইয়াৰ লগতে তেওঁলোকে দাবী কৰিছে যে এই কেবলসমূহৰ বাবে মাৰ্কিন প্ৰতিষ্ঠানসমূহে শুল্ক দিব লাগিব, অন্যথা সেইবোৰ ধ্বংস কৰা হʼব।

প্ৰথম অৱস্থাত ইৰানে হৰমুজ প্ৰণালীৰে তেল আৰু গেছ পৰিবাহী জাহাজৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰি এছিয়াকে ধৰি বহু দেশত ইন্ধনৰ মূল্যবৃদ্ধি আৰু নাটনিৰ সৃষ্টি কৰিছিল। সেই সংকটৰ পৰা বিশ্ব অলপ স্বস্তি পোৱাৰ আগতেই ইৰানে এই নতুন ভাবুকি প্ৰেৰণ কৰিছে। সাগৰ তলৰ যোগাযোগৰ কেবলসমূহ আধুনিক বিশ্বৰ স্নায়ু কেন্দ্ৰ স্বৰূপ। যদি সেই কেবলসমূহ ধ্বংস হয়, তেন্তে সমগ্ৰ বিশ্বতে ইণ্টাৰনেট সেৱাত ভীষণ ব্যাঘাত জন্মিব। ডিজিটেল অৰ্থনীতি, যোগাযোগ, বাণিজ্য, চিকিৎসা সেৱা, শিক্ষা, পৰিবহণ- প্ৰায় সকলো ক্ষেত্ৰতে পক্ষাঘাত ঘটিব। এই পৰিস্থিতিয়ে কিছুমান গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে। প্ৰথমতে, এনে সাগৰতলৰ কেবল ধ্বংস কৰাটো কিমান সম্ভৱ? সামুদ্ৰিক আইন অনুসৰি আন্তঃৰাষ্ট্ৰীয় জলসীমাত স্থাপিত এই কেবলসমূহ সকলো দেশৰ বাবে অতিৰিক্ত সুৰক্ষিত বুলি গণ্য কৰা হয়। কিন্তু ইৰানে যদি সঁচাকৈয়ে এইকাম কৰে, তেন্তে ই আন্তঃৰাষ্ট্ৰীয় আইনৰ ঘোৰ উলংঘন হʼব। দ্বিতীয়তে, ইৰানৰ এই পদক্ষেপ প্ৰত্যক্ষভাৱে আমেৰিকা আৰু ইজৰাইলক লক্ষ্য কৰি লোৱা হৈছে- কিন্তু ইয়াৰ ফলভোগী হʼব গোটেই বিশ্ব। এচিয়া, ইউৰোপ, আফ্ৰিকা তথা মধ্যপ্ৰাচ্যৰ লক্ষাধিক লোক ইণ্টাৰনেটৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ ভাৰত, চীন, জাপানৰ দৰে দেশৰ অৰ্থনীতি খৰ্ব হʼব।

সাধাৰণ মানুহৰ মনত উঠা প্ৰশ্নসমূহো সমানেই জৰুৰী। ইণ্টাৰনেট নাথাকিলে দৈনন্দিন জীৱন কেনেকুৱা হʼব? বেংকিং লেনদেন, অনলাইন শিক্ষা, দূৰ-সংযোগ, আকস্মিক চিকিৎসা সেৱা — সকলো অচল হৈ পৰিব নেকি? ইৰানে শুল্ক দাবী কৰাটো এক নতুন কৌশল নেকি? যদি মাৰ্কিন প্ৰতিষ্ঠানবোৰে শুল্ক দিয়ে, তেন্তে ইৰানে সঁচাকৈয়ে কেবলসমূহৰ সুৰক্ষাৰ দায়িত্ব লʼব পাৰিবনে? নে এইটো কেৱল এক প্ৰলোভন? আকৌ, আমেৰিকাই কেনে প্ৰতিকাৰ ব্যৱস্থা গ্ৰহণ কৰিব? পূৰ্বতে ইৰানৰ তেল নিষেধাজ্ঞাৰ প্ৰত্যুত্তৰত আমেৰিকাই সেনা মোতায়েন কৰিছিল। এইবাৰ পৰিস্থিতি অধিক ভয়ংকৰ — কাৰণ ইণ্টাৰনেট নষ্ট হʼলে ই এক বিশ্বযুদ্ধৰ দৰে বিনাশকাৰী হʼব পাৰে। আন এক দিশ হৈছে ইৰানৰ নিজা স্বাৰ্থ। ইৰানেও ডিজিটেল জগতৰ ওপৰত নিৰ্ভৰশীল। তেওঁলোকে এই কেবল সম্পূৰ্ণৰূপে ধ্বংস কৰিলে নিজৰ দেশৰো বহু ক্ষতি হʼব। সম্ভৱতঃ ইৰানৰ উদ্দেশ্য হৈছে আমেৰিকা আৰু ইজৰাইলৰ ওপৰত চাপ সৃষ্টি কৰি ৰাজনৈতিক সুবিধা আদায় কৰা। কিন্তু এই ধৰণৰ ভাবুকিয়ে বিশ্ববাসীৰ মাজত আতংক সৃষ্টি কৰাটো নিশ্চিত।

এই পৰিপ্ৰেক্ষিতত বিশ্ব সম্প্ৰদায়ে সতৰ্ক হৈ উঠিবলগীয়া হৈছে। ৰাষ্ট্ৰসংঘ, নেট' তথা আন্তঃৰাষ্ট্ৰীয় সাগৰীয় সংস্থাসমূহে দ্ৰুত কূটনৈতিক পদক্ষেপ গ্ৰহণ কৰা উচিত। সাগৰতলৰ কেবলসমূহক আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা প্ৰদানৰ বাবে এক বিশেষ চুক্তিৰ প্ৰয়োজন। একে সময়তে, মাৰ্কিন নেতৃত্বই ইৰানৰ সৈতে সংলাপৰ পথ মুকলি ৰাখি এই সংকট সমাধানৰ চেষ্টা চলাব লাগে। কাৰণ এনে অন্ধ অভিযানে সমগ্ৰ বিশ্বক এক অকল্পনীয় ডিজিটাল মহামাৰীৰ সন্মুখীন কৰাব পাৰে। ই আৰু নথওক।

# অসমৰ গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণত কুটীৰ শিল্পৰ ভূমিকা



হিমাংশু ৰঞ্জন ভূঞা



অসমৰ অৰ্থনৈতিক প্ৰেক্ষাপট এক বিশাল গ্ৰাম্য জনবসতি আৰু কৃষিভিত্তিক জীৱিকাৰ ওপৰত প্ৰতিষ্ঠিত। এই ৰাজ্যখনৰ ভূখণ্ডৰ প্ৰায় আশী শতাংশ লোকেই গাঁও অঞ্চলত বাস কৰে, যাৰ বাবে গ্ৰাম্য অৰ্থনীতিৰ স্বাস্থ্যই অসমৰ সামগ্ৰিক বিকাশৰ গতি নিৰ্ণয় কৰে। কিন্তু কেৱল মাত্ৰ ধান, চাহ আৰু অন্যান্য সীমিত ফচলৰ উৎপাদনৰ ওপৰত নিৰ্ভৰশীল হৈ থকা অৰ্থনীতিয়ে বহনক্ষমতাৰ দিশত সততে প্ৰত্যাহ্বানৰ সন্মুখীন হয়। অসমৰ কৃষি খণ্ড প্ৰাকৃতিক দুৰ্যোগ যেনে— বছৰেকীয়া বানপানী আৰু খৰাঙৰ প্ৰতি অত্যন্ত সংবেদনশীল। ইয়াৰ উপৰিও, জনসংখ্যা বৃদ্ধিৰ ফলত খেতিৰ মাটিৰ ওপৰত ক্ৰমবৰ্ধমান চাপ আৰু কৃষিজাত সামগ্ৰীৰ মূল্যৰ অনিশ্চয়তাই গ্ৰাম্য পৰিয়ালসমূহৰ আৰ্থিক স্থিৰতাক বিঘ্নিত কৰে। এনে এক জটিল আৰু সীমাবদ্ধতাৰে ভৰা অৰ্থনৈতিক গাঁথনিত, পৰম্পৰাগতভাৱে চলি অহা কুটীৰ শিল্পসমূহে এক বিকল্প, শক্তিশালী আৰু বহনক্ষম পথৰ সন্ধান দিছে। কুটীৰ শিল্প হৈছে সেইবোৰ ক্ষুদ্ৰায়তন উৎপাদন প্ৰণালী, যিবোৰ ঘৰুৱা পৰিৱেশত, পৰিয়ালৰ সদস্যসকলৰ সহায়ত, কম মূলধনেৰে আৰু সৰল সঁজুলিৰে পৰিচালিত হয়। অসমৰ গ্ৰাম্য জীৱনত কুটীৰ শিল্পৰ স্থান অতি গভীৰ, কিয়নো ই কেৱল অৰ্থনৈতিক কাৰ্যকলাপেই নহয়, বৰঞ্চ সাংস্কৃতিক পৰম্পৰা, থলুৱা জ্ঞান আৰু সামাজিক সম্প্ৰীতিৰো ভেটি। ইয়াৰ ব্যাপক প্ৰভাৱ গ্ৰাম্য নিয়োগ, মহিলা সবলীকৰণ, সম্পদৰ সদ্ব্যৱহাৰ আৰু অৰ্থনৈতিক বিকেন্দ্ৰীকৰণৰ দৰে একাধিক গুৰুত্বপূৰ্ণ দিশত পৰিলক্ষিত হয়।

কুটীৰ শিল্পৰ আটাইতকৈ শক্তিশালী আৰু তাৎপৰ্যপূৰ্ণ অৱদান হৈছে গ্ৰাম্য অঞ্চলত বৃহৎ হাৰত আৰু উৎপাদনশীলতাৰে নিয়োগ সৃষ্টি কৰা। অসমৰ গাঁওসমূহত কৃষিৰ ওপৰত নিৰ্ভৰশীলতা ইমানেই বেছি যে ই একধৰণৰ প্ৰচ্ছন্ন নিবনুৱা সমস্যাৰ জন্ম দিছে। বহু সংখ্যক লোকে কৃষিৰ কামত নিয়োজিত হৈ আছে যদিও তেওঁলোকৰ প্ৰান্তিক উৎপাদনশীলতা প্ৰায় শূন্য। বিশেষকৈ খেতিৰ অফ ছিজনত, শস্য চপোৱাৰ পাছত বা বতৰৰ ওপৰত নিৰ্ভৰশীলতাৰ বাবে গ্ৰাম্য শ্ৰমিকৰ এক বৃহৎ অংশই কৰ্মহীন হৈ পৰে। এনে সময়ত, কুটীৰ শিল্পই এই বিশাল সংখ্যক শ্ৰমিক শক্তিক ঘৰতে বা গাঁৱৰ ভিতৰতে থলুৱা কাৰ্যকলাপত নিয়োজিত কৰাৰ এক সহজ সমাধান আগবঢ়ায়। এই শিল্পসমূহৰ বাবে কোনো ডাঙৰ কল-কাৰখানা বা বৃহৎ বিনিয়োগৰ প্ৰয়োজন নহয়; কেৱল পৰম্পৰাগত সঁজুলি আৰু স্থানীয়ভাৱে উপলব্ধ কেঁচামাল ব্যৱহাৰ কৰিয়েই উৎপাদন আৰম্ভ কৰিব পাৰি। বয়ন শিল্প, য'ত মহিলাসকলে তাঁতশালত কাপোৰ বোৱা, বাঁহ-বেতৰ কাম, য'ত দৈনন্দিন জীৱনত প্ৰয়োজনীয় সামগ্ৰী যেনে— জাপি, পাচি, চালনি আদি নিৰ্মাণ কৰা হয়, বা মৃৎ শিল্প— এই সকলোবোৰেই গ্ৰাম্য পৰিয়ালসমূহক কৃষিৰ পৰা অহা আয়ৰ এক শক্তিশালী বিকল্প উৎস প্ৰদান কৰে। এই ব্যৱস্থাই নিয়োগৰ সুবিধা বিকেন্দ্ৰীকৃত কৰে, যাৰ ফলত কৰ্মৰ সন্ধানত গাঁৱৰ পৰা চহৰলৈ হোৱা প্ৰব্ৰজনৰ হাৰ যথেষ্ট হ্ৰাস পায়। যদি গাঁৱৰ যুৱক-যুৱতী আৰু মহিলাসকলে ঘৰতে নিজৰ দক্ষতা ব্যৱহাৰ কৰি সন্মানজনকভাৱে উপাৰ্জন কৰিব পাৰে, তেন্তে তেওঁলোকে নিজৰ গাঁও আৰু সমাজৰ প্ৰতি অধিক দায়বদ্ধ হৈ থাকে, যাৰ ফলত গ্ৰাম্য সামাজিক গাঁথনিৰ স্থিৰতা অটুট থাকে। এইদৰে, কুটীৰ শিল্পই কেৱল দৰিদ্ৰতা দূৰ কৰাই নহয়, বৰঞ্চ ই গ্ৰাম্য মানুহক এক কৰ্মক্ষম আৰু মৰ্যাদাপূৰ্ণ জীৱনৰ নিশ্চয়তা প্ৰদান কৰে।

অসমৰ গ্ৰাম্য অৰ্থনীতিৰ উত্তৰণত কুটীৰ শিল্পৰ আন এক উল্লেখযোগ্য আৰু প্ৰশংসনীয় ভূমিকা হৈছে মহিলা সবলীকৰণ। অসমীয়া সংস্কৃতিত নাৰীৰ বয়ন শিল্পৰ দক্ষতা এক বিশেষ মৰ্যাদাৰ স্থান লাভ কৰি আহিছে। তাঁতশালৰ ব্যৱহাৰ অসমীয়া নাৰীৰ জীৱনৰ এক অভিন্ন অংশ। পাট, মুগা আৰু এৰি আদি মূল্যবান সূতাৰে কাপোৰ বোৱাৰ প্ৰথাৰ জৰিয়তে মহিলাই অৰ্থনৈতিক কাৰ্যকলাপত পোনপটীয়া অংশগ্ৰহণৰ সুযোগ পায়। কুটীৰ শিল্পৰ বিশেষত্ব এয়ে যে ই মহিলাসকলক তেওঁলোকৰ ঘৰুৱা দায়িত্ব আৰু সামাজিক বাধ্যবাধকতাৰ পৰা আঁতৰাই নানিও উপাৰ্জনৰ সুবিধা দিয়ে। তেওঁলোকে নিজৰ ঘৰতে থকা তাঁতশালত বা আন ক্ষুদ্ৰ উৎপাদন গোটত কাম কৰিব পাৰে। এই অৰ্থনৈতিক স্বাৱলম্বিতাৰ ফলত মহিলাৰ সামাজিক আৰু পাৰিবাৰিক জীৱনত এক গুণগত পৰিৱৰ্তন আহে। উপাৰ্জনৰ জৰিয়তে তেওঁলোকে পৰিয়ালৰ বিত্তীয় সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অধিক সক্ৰিয় ভূমিকা লʼবলৈ সক্ষম হয়। নিজৰ উপাৰ্জন নিজৰ হাতত থকাৰ ফলত তেওঁলোকৰ আত্মবিশ্বাস আৰু আত্ম-সন্মানবোধ বৃদ্ধি পায়, যি কেৱল ঘৰৰ ভিতৰতে নহয়, বৰঞ্চ সমাজৰ অন্যান্য স্তৰতো তেওঁলোকক বলিষ্ঠভাৱে উপস্থাপন কৰিবলৈ সাহস যোগায়। গ্ৰাম্য অঞ্চলত মহিলাসকলৰ অৰ্থনৈতিক অংশগ্ৰহণ বৃদ্ধি পোৱাৰ ফলত সমাজৰ আয়ৰ বৈষম্যও হ্ৰাস পায় আৰু এক সুস্থিৰ আৰ্থিক গাঁথনি গঢ় লৈ উঠে। বহু ক্ষেত্ৰত, মহিলা উদ্যমীসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ জৰিয়তে স্থানীয় বজাৰত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হয়, যাৰ ফলত তেওঁলোকে কেৱল শ্ৰমিক হিচাপেই নহয়, বৰঞ্চ সফল উদ্যোগী হিচাপেও পৰিচিত হয়। এইদৰে, কুটীৰ শিল্প হৈছে গ্ৰাম্য নাৰীৰ অৰ্থনৈতিক আৰু সামাজিক ক্ষমতাক শক্তিশালী কৰাৰ এক ফলপ্ৰসূ আহিলা।

কুটীৰ শিল্পৰ গুৰুত্ব স্থানীয় সম্পদৰ সদ্ব্যৱহাৰ আৰু মূল্য সংযোজনৰ দিশতো গভীৰভাৱে জড়িত। অসম প্ৰাকৃতিকভাৱে সম্পদশালী ৰাজ্য। ইয়াৰ বনাঞ্চলসমূহত সহজে উপলব্ধ বাঁহ, বেত, বিভিন্ন প্ৰকাৰৰ কাঠ, আৰু স্থানীয়ভাৱে পোৱা সূতা আৰু মাটি এই শিল্পসমূহৰ বাবে মুখ্য কেঁচামাল। এই সম্পদসমূহৰ ব্যৱহাৰে আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰে আৰু গাঁৱৰ অৰ্থনৈতিক চক্ৰক স্থানীয়ভাৱে শক্তিশালী কৰে। কুটীৰ শিল্পৰ কাৰিকৰসকলে তেওঁলোকৰ পৰম্পৰাগত জ্ঞান আৰু দক্ষতা ব্যৱহাৰ কৰি এই প্ৰাথমিক কেঁচামালসমূহক দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা মূল্যবান সামগ্ৰীলৈ ৰূপান্তৰিত কৰে। উদাহৰণস্বৰূপে, সাধাৰণ বাঁহক জাপি, মূঢ়া, বা বেতৰ আচবাবলৈ ৰূপান্তৰ কৰাৰ ফলত ইয়াৰ বজাৰ মূল্য কেইবা গুণো বৃদ্ধি পায়। এই মূল্য সংযোজনে গাঁৱৰ লোকসকলৰ বাবে উচ্চ আয় নিশ্চিত কৰাৰ লগতে সম্পদৰ অপচয় ৰোধ কৰাত সহায় কৰে। যিহেতু এই উৎপাদন প্ৰণালীবোৰ ক্ষুদ্ৰ পৰিসৰত আৰু প্ৰাকৃতিকভাৱে চলে, সেয়েহে বৃহৎ উদ্যোগৰ দৰে পৰিৱেশ প্ৰদূষণৰ সমস্যাও ইয়াত নাথাকে। এই উদ্যোগবোৰে এক বহনক্ষম আৰু পৰিৱেশ-অনুকূল অৰ্থনৈতিক বিকাশৰ পথ প্ৰদৰ্শন কৰে। ইয়াৰ উপৰিও, স্থানীয় সম্পদৰ ব্যৱহাৰে সেই সম্পদৰ সংৰক্ষণ আৰু ইয়াৰ প্ৰতি মানুহৰ দায়বদ্ধতাও বৃদ্ধি কৰে, কিয়নো সম্পদৰ যোগানৰ ওপৰত তেওঁলোকৰ জীৱিকা নিৰ্ভৰশীল হৈ থাকে।

> *অসমৰ প্ৰতিটো জনজাতীয় আৰু জনগোষ্ঠীৰ নিজস্ব কুটীৰ শিল্পৰ শৈলী আছে, যি তেওঁলোকৰ সংস্কৃতি, ইতিহাস আৰু লোক-বিশ্বাসক প্ৰতিফলিত কৰে। বয়ন শিল্পত ব্যৱহৃত নʼাবোৰ, বাঁহ-বেতৰ সামগ্ৰীৰ নিৰ্মাণ কৌশল বা মৃৎ শিল্পৰ আকৃতিত থলুৱা কলা আৰু ৰুচিৰ ছাপ বিদ্যমান। এই শিল্পসমূহৰ চৰ্চা কেৱল এক উৎপাদন প্ৰক্ৰিয়াই নহয়, বৰঞ্চ ই এক পৰম্পৰাগত জ্ঞান আৰু কলা-কৌশলৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হোৱা ধাৰা। যান্ত্ৰিকতাৰ দ্ৰুত প্ৰসাৰৰ ফলত এই মূল্যৱান জ্ঞান হেৰাই যোৱাৰ সম্ভাৱনা থাকে, কিন্তু কুটীৰ শিল্পৰ সক্ৰিয় চৰ্চাই এই দক্ষতাক জীয়াই ৰখাত সহায় কৰে। ইয়াৰ উপৰিও, এই শিল্পজাত সামগ্ৰীসমূহে অসমৰ স্বকীয় পৰিচয়ক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰে। গ্ৰাম্য পৰ্যটনৰ বিকাশৰ ক্ষেত্ৰত কুটীৰ শিল্পসমূহ এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হʼব পাৰে।*

সাংস্কৃতিক সংৰক্ষণ আৰু পৰম্পৰাগত জ্ঞানৰ ধাৰাবাহিকতাৰ ক্ষেত্ৰতো কুটীৰ শিল্পৰ ভূমিকা অপ্ৰতিদ্বন্দ্বী। অসমৰ প্ৰতিটো জনজাতীয় আৰু জনগোষ্ঠীৰ নিজস্ব কুটীৰ শিল্পৰ শৈলী আছে, যি তেওঁলোকৰ সংস্কৃতি, ইতিহাস আৰু লোক-বিশ্বাসক প্ৰতিফলিত কৰে। বয়ন শিল্পত ব্যৱহৃত নʼাবোৰ, বাঁহ-বেতৰ সামগ্ৰীৰ নিৰ্মাণ কৌশল বা মৃৎ শিল্পৰ আকৃতিত থলুৱা কলা আৰু ৰুচিৰ ছাপ বিদ্যমান। এই শিল্পসমূহৰ চৰ্চা কেৱল এক উৎপাদন প্ৰক্ৰিয়াই নহয়, বৰঞ্চ ই এক পৰম্পৰাগত জ্ঞান আৰু কলা-কৌশলৰ প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হোৱা ধাৰা। যান্ত্ৰিকতাৰ দ্ৰুত প্ৰসাৰৰ ফলত এই মূল্যৱান জ্ঞান হেৰাই যোৱাৰ সম্ভাৱনা থাকে, কিন্তু কুটীৰ শিল্পৰ সক্ৰিয় চৰ্চাই এই দক্ষতাক জীয়াই ৰখাত সহায় কৰে। ইয়াৰ উপৰিও, এই শিল্পজাত সামগ্ৰীসমূহে অসমৰ স্বকীয় পৰিচয়ক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰে। গ্ৰাম্য পৰ্যটনৰ বিকাশৰ ক্ষেত্ৰত কুটীৰ শিল্পসমূহ এক আকৰ্ষণৰ কেন্দ্ৰবিন্দু হʼব পাৰে। পৰ্যটকসকলে এই শিল্পৰ উৎপাদন প্ৰক্ৰিয়া ওচৰৰ পৰা চাই থলুৱা শিল্পীসকলৰ পৰা সামগ্ৰী ক্ৰয় কৰাৰ ফলত স্থানীয় অৰ্থনীতিলৈ পোনপটীয়াভাৱে ধনৰ আগমন হয়। ইয়াৰ জৰিয়তে শিল্পীসকলে নিজৰ কামৰ প্ৰতি অধিক অনুপ্ৰাণিত হয় আৰু তেওঁলোকৰ সাংস্কৃতিক জ্ঞানক এক অৰ্থনৈতিক মূল্য প্ৰদান কৰা হয়। এনেদৰে, কুটীৰ শিল্পই অসমৰ ঐতিহ্যক সংৰক্ষণ কৰাৰ লগতে ইয়াক বজাৰমুখী কৰি তুলি এক সাংস্কৃতিক অৰ্থনীতিৰ ভেটি স্থাপন কৰে।

যদিও কুটীৰ শিল্পৰ সম্ভাৱনা অতি উজ্জ্বল, তথাপি ইয়াৰ পূৰ্ণ বিকাশৰ পথত বহুতো গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান আছে। আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো হৈছে আধুনিক যান্ত্ৰিক উদ্যোগৰ পৰা অহা কঠিন প্ৰতিযোগিতা। কল-কাৰখানাত উৎপাদিত সামগ্ৰীৰ মূল্য কম আৰু উৎপাদনৰ মাত্ৰা বেছি হোৱাৰ বাবে হাতেৰে তৈয়াৰী সামগ্ৰীয়ে বজাৰত স্থান দখল কৰিবলৈ অসুবিধা পায়। হাতেৰে তৈয়াৰী সামগ্ৰীৰ উচ্চ উৎপাদন ব্যয় আৰু অধিক সময়ৰ প্ৰয়োজন হোৱাৰ বাবে ইয়াৰ মূল্য সাধাৰণতে বেছি হয়, যাৰ ফলত সাধাৰণ গ্ৰাহক ইয়াক ক্ৰয় কৰাৰ পৰা বিৰত থাকে। ইয়াৰ উপৰিও, বজাৰ সংযোগ আৰু দক্ষ বিপণন ব্যৱস্থাৰ অভাৱ এক ডাঙৰ বাধা। গ্ৰাম্য শিল্পীসকলে প্ৰায়ে তেওঁলোকৰ উৎপাদিত সামগ্ৰী চহৰৰ বজাৰলৈ নিয়া আৰু উপযুক্ত মূল্যত বিক্ৰী কৰাত অসুবিধাৰ সন্মুখীন হয়। মধ্যভোগীসকলে এই সংযোগৰ অভাৱৰ সুযোগ লৈ কম মূল্যত সামগ্ৰী ক্ৰয় কৰি পিছত উচ্চ মূল্যত বিক্ৰী কৰে, যাৰ ফলত শিল্পীসকলে তেওঁলোকৰ শ্ৰমৰ উচিত মূল্য নাপায়। কেঁচামালৰ গুণগত মানদণ্ড বজাই ৰখা আৰু সময়ে সময়ে ইয়াৰ যোগান নিশ্চিত কৰাটোও এক সমস্যা। তদুপৰি, গ্ৰাম্য শিল্পীসকলৰ মাজত নতুন ডিজাইন, আধুনিক প্ৰযুক্তি আৰু বিত্তীয় ব্যৱস্থাপনাৰ জ্ঞানৰ অভাৱো দেখা যায়। এই সমস্যাসমূহৰ সমাধান অবিহনে কুটীৰ শিল্পৰ বহনক্ষম বিকাশ সম্ভৱ নহয়।

কুটীৰ শিল্পৰ বিকাশ আৰু আধুনিকীকৰণৰ বাবে এক সুসংগঠিত আৰু বহুমুখী কৌশল গ্ৰহণ কৰাটো অত্যাৱশ্যকীয়। প্ৰথমতে, গ্ৰাম্য শিল্পীসকলক উৎপাদনৰ মানদণ্ড উন্নত কৰা, নতুন ডিজাইন আৰু শৈলী প্ৰৱৰ্তন কৰা, আৰু বজাৰৰ চাহিদা অনুসৰি উৎপাদন কৰাৰ বিষয়ে উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰিব লাগে। এই প্ৰশিক্ষণত কম খৰচী আৰু উন্নত সঁজুলি ব্যৱহাৰৰ পদ্ধতিও অন্তৰ্ভুক্ত কৰিব লাগে, যাতে তেওঁলোকৰ উৎপাদন ক্ষমতা বৃদ্ধি পায়। দ্বিতীয়তে, বিত্তীয় সাহায্যৰ ব্যৱস্থা শক্তিশালী কৰাটো জৰুৰী। চৰকাৰী বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠানে কুটীৰ উদ্যোগীসকলক কম সুদৰ ঋণ আৰু অনুদান আগবঢ়াব লাগে। তৃতীয়তে, বিপণনৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিব লাগিব। শিল্পীসকলক সমবায় সমিতি বা উৎপাদক গোট গঠন কৰিবলৈ উৎসাহিত কৰিব লাগে, যাতে তেওঁলোকে একত্ৰিতভাৱে উৎপাদিত সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰিব পাৰে আৰু মধ্যভোগীৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস হয়। ইয়াৰ উপৰিও, ডিজিটেল বিপণন মঞ্চ, সামাজিক মাধ্যম আৰু ই-কমাৰ্চ প্লেটফৰ্মৰ জৰিয়তে এই সামগ্ৰীসমূহক বিশ্বব্যাপী বজাৰলৈ লৈ যোৱাৰ ব্যৱস্থা কৰিব লাগে। সামগ্ৰীৰ গুণগত মানদণ্ড নিশ্চিত কৰিবলৈ চৰকাৰে এক মানক (Standard) নিৰ্ধাৰণ কৰি ইয়াক 'অসমীয়া হস্তশিল্প' হিচাপে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিব পাৰে, যাৰ ফলত ইয়াৰ বজাৰত এক বিশেষ স্থান লাভ হʼব। এই সকলোবোৰ পদক্ষেপৰ জৰিয়তে কুটীৰ শিল্পই এক সুসংগঠিত উদ্যোগ হিচাপে গঢ় লৈ উঠিব আৰু অসমৰ অৰ্থনীতিত এক শক্তিশালী স্থান দখল কৰিব পাৰিব।

সামগ্ৰিকভাৱে, অসমৰ গ্ৰাম্য অৰ্থনীতিৰ বহনক্ষম আৰু সৰ্বাংগীণ উত্তৰণৰ ক্ষেত্ৰত কুটীৰ শিল্পৰ ভূমিকা এক অপৰিহাৰ্য আৰু গুৰুত্বপূৰ্ণ স্তম্ভ। ই কেৱল নিয়োগ সৃষ্টি, আয় বৃদ্ধি আৰু দৰিদ্ৰতা দূৰ কৰাৰ এক আহিলা নহয়, বৰঞ্চ ই গ্ৰাম্য সমাজৰ সামাজিক স্থিৰতা, মহিলাৰ মৰ্যাদা আৰু সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণৰো ভেটি। কৃষিৰ অনিশ্চয়তা আৰু সীমাবদ্ধতাৰ মাজত, কুটীৰ শিল্পই গ্ৰাম্য পৰিয়ালসমূহক এক নিৰ্ভৰযোগ্য আৰু সুৰক্ষিত বিকল্প উপাৰ্জনৰ পথ দিয়ে। স্থানীয় সম্পদৰ সদ্ব্যৱহাৰ আৰু পৰিৱেশ-অনুকূল উৎপাদন পদ্ধতিৰে ই এক বহনক্ষম অৰ্থনীতিৰ প্ৰতিচ্ছবি দাঙি ধৰে। আধুনিক প্ৰত্যাহ্বানসমূহক মোকাবিলা কৰিবলৈ কৌশলগত প্ৰশিক্ষণ, বিত্তীয় সহায়, আৰু দক্ষ বিপণন ব্যৱস্থাৰ জৰিয়তে এই শিল্পসমূহক শক্তিশালী কৰাটো বৰ্তমানৰ সময়ৰ আহ্বান। অসমৰ গ্ৰাম্য জীৱনৰ গভীৰতাত শিপাই থকা এই কুটীৰ শিল্পসমূহক সঠিকভাৱে লালন-পালন আৰু সমৰ্থন আগবঢ়ালে নিশ্চিতভাৱে ই গ্ৰাম্য দৰিদ্ৰতা আৰু অৰ্থনৈতিক বৈষম্য দূৰ কৰি ৰাজ্যখনক এক উন্নত আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ দিশে লৈ যাব। এই শিল্পসমূহৰ পুনৰুজ্জীৱনে অসমৰ গ্ৰাম্য মানুহৰ জীৱনলৈ আত্মবিশ্বাস, স্বাৱলম্বিতা আৰু মৰ্যাদা কঢ়িয়াই আনিব, যি এক শক্তিশালী আৰু আত্মনিৰ্ভৰশীল অসমৰ ভেটি হʼব।

# মোবাইলৰ গ্ৰাসত যুৱপ্ৰজন্ম


চৈয়দা তনজিয়া ৰাৰিছা আজমি

সাম্প্ৰতিক সময়ত মই লক্ষ্য কৰিছোঁ যে আমাৰ যুৱপ্ৰজন্ম এক অলক্ষিত মানসিক মহাব্যাধিৰ দিশে ধাৱমান হৈছে। অধিকাংশ পৰিয়ালতে শিশুসকলক এক কৃত্ৰিম, যান্ত্ৰিক আৱেষ্টনীৰ মাজত ডাঙৰ-দীঘল হোৱাৰ পৰিৱেশহে প্ৰদান কৰা হৈছে। ইয়াৰেই সবাতোকৈ বিপদসঙ্কুল উপাদানবিধ হৈছে মোবাইল ফোন। শিশুৰ মগজু আৰু ব্যক্তিত্ব বিকাশৰ মূল সময়ছোৱাতেই তেওঁলোকক আৱদ্ধ কৰি পেলোৱা হৈছে চলভাষৰ পৰ্দাত।

শিশু অৱস্থাত মগজুৰ বিকাশৰ গতি অতি দ্ৰুত হয়। বিশেষকৈ জীৱনৰ প্ৰথম পাঁচটা বছৰত মগজুৰ ছাইনেপছ অতি ক্ষিপ্ৰতাৰে গঢ়ি উঠে। এই বিকাশ বাহ্যিক জগতখনৰ ত্ৰিমাত্ৰিক অভিজ্ঞতা, স্পৰ্শ, শব্দ আৰু পাৰস্পৰিক সামাজিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। কিন্তু যেতিয়া এটি শিশোৱে দিনটোৰ অধিকাংশ সময় মোবাইলৰ দ্বিমাত্ৰিক স্ক্ৰীণ এখনত চকু নিবদ্ধ কৰি কটায়, তেতিয়া মগজুৰ প্ৰাকৃতিক উত্তৰণ স্তব্ধ হৈ পৰে। ইয়াৰ ফলত শিশুৰ 'কগনিটিভ স্কিল' মন্থৰ হয়। যিবোৰ শিশুৱে দুই বছৰ বয়সৰ আগতেই মোবাইলৰ স্ক্ৰীণৰ সংস্পৰ্শলৈ আহে, তেওঁলোকৰ ক্ষেত্ৰত 'স্পীচ ডিলে' বা কথা কোৱাত পলম হোৱাৰ প্ৰৱণতা বহুগুণে বৃদ্ধি পাই বুলি বিশ্ব স্বাস্থ্য সংস্থা আৰু 'আমেৰিকান একাডেমী অৱ পেডিয়াট্ৰিক্স'এ তথ্য দাঙি ধৰিছে। এই সমস্যাটোৰ অন্তৰালৰ জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়াটো হৈছে 'ডোপামিন' নামৰ হৰমʼনবিধৰ ক্ষৰণ। মোবাইল এপ্‌-কেচন, চুটি ভিডিঅ', ৰীলবোৰ এনেদৰে প্ৰস্তুত কৰা হয় যাতে প্ৰতি ছেকেণ্ডত সলনি হোৱা দৃশ্য আৰু শব্দই মগজুত তাৎক্ষণিক আনন্দ বা 'ইনষ্টেণ্ট গ্ৰেটিফিকেচন'ৰ সৃষ্টি কৰে। ই মগজুত প্ৰচুৰ পৰিমাণে ডোপামিন হৰমʼন নিঃসৰণ কৰে। ফলত শিশুটি অতি কম বয়সতে এক গভীৰ আসক্তিত আক্ৰান্ত হয়। এই কৃত্ৰিম উদ্দীপনাত অভ্যস্ত মগজুৱে পৰৱৰ্তী সময়ত বাস্তৱ পৃথিৱীৰ সুস্থিৰ আৰু ধীৰ গতিৰ প্ৰতি অসহিষ্ণু হৈ পৰে। ইয়াৰ পোনপটীয়া প্ৰভাৱ পৰে শিশুৰ মনোযোগ ক্ষমতাৰ ওপৰত। তেওঁলোকে কিতাপ পঢ়া, শ্ৰেণীকোঠাৰ পাঠ গ্ৰহণ কৰা বা যিকোনো গভীৰ চিন্তামূলক কামত অধিক সময়ৰ বাবে মনোনিৱেশ কৰিবলৈ নোৱাৰা হয়। ইয়াকেই 'ডিজিটেল ডেমেনচিয়া' বোলে। এইবোৰৰ পৰিণতিতেই তেওঁলোক মানসিক অৱসাদ, সামাজিক ভীতি আৰু একাকিত্বৰ চিকাৰ হয়। ইয়াৰ শাৰীৰিক পৰিণতিও সুদূৰপ্ৰসাৰী। মোবাইলৰ নীলা পোহৰে মগজুৰ 'মেলাটোনিন' নামৰ টোপনিৰ বাবে দায়ী হৰমʼনবিধৰ প্ৰাকৃতিক চক্ৰ ব্যাহত কৰে। ফলত অনিদ্ৰা, মূৰৰ বিষ আৰু মেদবহুলতা শিশুসকলৰ মাজত প্ৰায়েই দেখা দিয়ে।

এই আসক্তিৰ বাবে মই পিতৃ-মাতৃসকলকহে অধিক জগৰীয়া কৰিম। নিজৰ ব্যস্ততাৰ অজুহাতত নতুবা কৰ্তব্যৰ পৰা সহজতে হাত সাৰিবলৈ শিশুৰ হাতত তেওঁলোকে মোবাইল তুলি দিয়ে। ভাত খুৱাবলৈ নোৱাৰিলে মোবাইল, কান্দিলে শান্ত কৰাবলৈ মোবাইল, বাহিৰলৈ খেলিবলৈ যাবলৈ খুজিলে মোবাইল। মুঠতে সকলোতে মোবাইল। অভিভাৱকৰ এই সাময়িক স্বাচ্ছন্দ্যই সন্তানৰ সুদূৰ-প্ৰসাৰী ক্ষতিহে কৰিছে। শিশুৰ বাবে প্ৰকৃতি আৰু সমাজেই হৈছে শিক্ষক। সহপাঠীৰ সৈতে খেলা-ধূলা কৰিলে শিশুৰ মাজত সহযোগিতা, সহনশীলতা আৰু নেতৃত্ব লʼব পৰা গুণ গঢ়ি উঠে। কিন্তু মোবাইলৰ নিৰ্জন জগতখনে শিশুক আত্মকেন্দ্ৰিক, সমজুৱা কামত পিছপৰা এজন আত্মবিশ্বাস নথকা মানুহ হিচাপেহে গঢ়ি তোলে। এখন সমাজ কেৱল ওখ ওখ অট্টালিকা, অত্যাধুনিক যন্ত্ৰ আদিৰে জীয়াই নাথাকে। সমাজ জীয়াই থাকে মানুহৰ বিবেক, চিন্তা আৰু মানৱীয় প্ৰমূল্যৰ দ্বাৰাহে। গতিকে আমাৰ যুৱপ্ৰজন্মক ডিজিটেল দাসত্বৰ গৰাহৰ পৰা উলিয়াই অনাৰ বাবে সকলোৱে সহযোগিতা আগবঢ়োৱা উচিত। ঘৰত পিতৃ-মাতৃয়ে প্ৰথমতে নিজৰো মোবাইলৰ ব্যৱহাৰ সীমিত কৰিবলৈ লাগিব। কাৰণ শিশোৱে সদায় ঘৰখনৰ মানুহক অনুকৰণ কৰিহে শিকে। ঘৰত কিতাপ পঢ়াৰ, কথা পতাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। সন্তানক সৰু সৰু সামাজিক কামত নিয়োজিত কৰিবলৈ লাগিব। সমনীয়াৰ লগত খেলিবলৈ সামান্য স্বাধীনতা দিব লাগিব। গতিকে এতিয়া এই সিদ্ধান্ত সমাজৰ অগ্ৰজসকলৰ যে তেওঁলোকে নিজৰ ব্যস্ততাৰ বাবে এটা জাতিক যান্ত্ৰিক পংগুত্বৰ পিনে যাবলৈ দিব নে সচেতনতাৰে নিজৰ গুৰু দায়িত্ব পালন কৰি সন্তানক এক উজ্জ্বল ভৱিষ্যতৰ পিনে লৈ যাব। সমাজৰ জ্যেষ্ঠজনৰ মৰম আৰু সাহসেই সদায় এক বলিষ্ঠ প্ৰজন্মৰ ভেঁটি গঢ়ি তোলে।

# সামাজিক মাধ্যম, তথ্যভিত্তিক লেখা আৰু সম্যক বিশ্লেষণ



কমলেশ কাঞ্চন

সাম্প্ৰতিক সময়ত সাহিত্য চৰ্চা কৰাৰ বাবে বিভিন্ন মাধ্যম উপলব্ধ। প্ৰায় সংখ্যক ন- পুৰণি লেখকে এতিয়া নিজৰ লেখা প্ৰচাৰ কৰাৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ কৰা দেখা যায়। বহুতে আকৌ ফেচবুকৰ সাহিত্য চৰ্চাৰ গ্ৰুপত সাহিত্য চৰ্চা কৰে। একাংশ পাঠকে আকৌ ফেচবুকৰ লেখক বুলি টুলুঙা মন্তব্য কৰাও দেখা যায়। কিন্তু অপ্ৰিয় হʼলেও সত্য যে সাম্প্ৰতিক সময়ত অধিকাংশ লেখক/লেখিকাই নিজৰ মনোভাৱ প্ৰকাশ কৰাৰ বাবে ফেচবুকৰ দৰে জনপ্ৰিয় সামাজিক মাধ্যম ব্যৱহাৰ কৰে। সম্প্ৰতি অসমৰ যুৱ প্ৰজন্মৰ লেখক /লেখিকাই সামাজিক মাধ্যমৰ লগতে অসমৰ বিভিন্ন বাতৰি কাকতত লিখিবলৈ আৰম্ভ কৰিছে; যিটো অসমীয়া সাহিত্যৰ বাবে এক ইতিবাচক দিশ। কিন্তু কোনো এটা বিষয়ত সবিশেষ লিখাৰ আগতে লেখকজন যথেষ্ট অধ্যয়ন কৰা প্ৰয়োজন। গান গালে যিহেতু গায়ক নহয়, লিখিলেও কিন্তু লেখক নহয় বুলি কʼব খোজা আলোচক সকলেও জনা উচিত যে কোনেওঁ মাকৰ পেটত শিকি নাহে। গায়ক হʼবলৈ হʼলে প্ৰথম অৱস্থাত যেনেকৈ গান গাব লাগে লেখক বা লেখিকা হʼবলৈ হʼলেও প্ৰথম অৱস্থাত লিখিব লাগিব; সেয়া ফেচবুকে হওক বা অন্য মাধ্যমতে হওক। কিন্তু লেখা এটাৰ বিষয়ে সবিশেষ নজনাকৈ একাংশ পাঠকে বহুতো সমালোচনা কৰা দেখা যায়। বহুতে তথ্যভিত্তিক লেখাৰ ওপৰতেই গুৰুত্ব দিয়া দেখা যায় যিটোক সাধাৰণ লেখা বুলি কোৱা হয়। বৰ্তমান সময়ত তথ্য ভিত্তিক প্ৰবন্ধ লিখাটো বিশেষ অসুবিধা নহয় কাৰণ এতিয়া ইণ্টাৰনেটৰ যুগত গুগলত বিচাৰিলেই সকলো তথ্য পায়। কিন্তু কোনো এটা বিষয়ত লেখকজনে কি কʼব বিচাৰিছে, তেওঁৰ পৰ্যবেক্ষণ কি সেই বিষয়ে কিন্তু মতামত দিয়া লোক একেবাৰে কম। সাম্প্ৰতিক কালত লেখক এজনৰ পৰ্যবেক্ষণ ক্ষমতা আৰু মৌলিক সৃষ্টিৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়। লেখা এটাৰ বিষয়ে সবিশেষ নজনাকৈ তথ্য ভিত্তিক লেখা বুলি প্ৰশংসাৰে ওপচাই দিয়া মানুহজনে কিন্তু লেখকজনৰ পৰ্যবেক্ষণ ক্ষমতা বা সম্যক বিশ্লেষণ অধ্যয়ন নকৰে। সকলো পাঠকৰে নিজস্ব দৃষ্টিভংগীক লেখক/লেখিকাই সন্মান কৰে কিন্তু অধিক তথ্যৰ প্ৰয়োজন হʼলে পাঠকজনে আৰ্টিফিচিয়েল ইণ্টেলিজেণ্ট চমুকৈ AIৰ সহায় লʼব পাৰে। পাঠকৰ জ্ঞানাৰ্থে জনাও যে AI ৰ জৰিয়তে বৰ্তমান সকলো তথ্য পাব পাৰি। গতিকে পাঠক সকলে তথ্যৰ লগতে লেখক/ লেখিকা সকলৰ পৰ্যবেক্ষণ আৰু মৌলিকতাৰ বিষয়েও অধ্যয়ন কৰিব বুলি আশা কৰিলোঁ।

‘মানৱ অধিকাৰ ৰক্ষাত সাংবাদিকৰ ভূমিকা’ শীৰ্ষক আলোচনা সভা

# লখিমপুৰত মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ ছহিদ দিৱস, পৰাগ স্মৰণ সভা

**অসম বাৰ্তা, লীলাবাৰী, ১৮ মে’** ঃ ‘গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভস্বৰূপ সাংবাদিকসকলৰ মানৱ অধিকাৰ কিমান সুৰক্ষিত?’-মানৱ অধিকাৰ সংগ্ৰাম সমিতি, লখিমপুৰ জিলা সমিতিৰ অন্তৰ্গত চাউলধোৱা আঞ্চলিক সমিতিৰ উদ্যোগত ৰাইজ আৰু জিলা সমিতিৰ সহযোগত চাউলধোৱা থেকেৰাগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত আজি ‘ছহিদ দিৱস’ তথা ‘পৰাগ স্মৰণ সভা’ৰ লগতে স্থানীয় সাংবাদিক আৰু কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্দ্ধনা অনুষ্ঠিত হৈ যায়। জাতীয় বীৰ ছহিদ, বিশিষ্ট সাংবাদিক পৰাগ কুমাৰ দাসৰ স্মৃতি দিৱসটি দিনযোৰা কাৰ্যসূচীৰে পুৱা ৭ বজাত সমূহীয়া চাফাই অভিযানেৰে কাৰ্যসূচীৰ শুভাৰম্ভ হয়। পুৱা ৮ বজাত মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ পতাকা ‘মাছ’ তথা মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ চাউলধোৱা আঞ্চলিক সমিতিৰ অধ্যক্ষ বুধি নাথে উত্তোলন কৰে। ৯ বজাত শ্বহীদ তৰ্পণ কাৰ্যসূচীটি ‘মাছ’ৰ কেন্দ্ৰীয় সচিব তথা জ্যেষ্ঠ সাংবাদিক ৰাজু সিংহই মুখ্য তৰ্পক আৰু লখিমপুৰ জিলা সচিব সমিতিৰ সচিব হেমন্ত ফুকন আৰু জিলা সমিতিৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দেৱৰঞ্জন বৰাই পুষ্প অৰ্পণ কৰে। ৯.৩০ বজাত শ্বহীদ পৰাগ কুমাৰ দাসৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি জনোৱাৰ পাছতে ১১ বজাত অনুষ্ঠিত হয় এখন বিশেষ স্মৰণ সভা। পৰাগ কুমাৰ দাসৰ লগতে শ্বহীদ গোলাপী বসুমতাৰী, চেনিৰাম নাথ, নৃপেন শৰ্মা, লতিকা কছাৰী, মহেশ নাথ, দশম সোণোৱাল, অতুল ফাংচু আৰু মনোজ কোঁৱৰৰ স্মৃতিত আয়োজিত এই সভাখন সঞ্চালনা কৰে লখিমপুৰ জিলা সমিতিৰ সহকাৰী সচিব সঞ্জীৱ বৰুৱা আৰু চাউলধোৱা আঞ্চলিক সমিতিৰ সচিব জিংকু শইকীয়াই। দুপৰীয়া ‘মানৱ অধিকাৰ ৰক্ষাত সাংবাদিকৰ ভূমিকা’ শীৰ্ষক এক গুৰুত্বপূৰ্ণ আলোচনা সভা অনুষ্ঠিত হয়। ‘মাছ’ৰ কেন্দ্ৰীয় সচিব ৰাজু সিংহই সঞ্চালনা কৰা সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকে জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সভাপতি তথা ‘জাফা’ৰ উপদেষ্টা মজিন সোণোৱালে। বক্তাসকলে সাম্প্ৰতিক সময়ত গণতন্ত্ৰৰ চতুৰ্থ স্তমভ স্বৰূপ সাংবাদিকসকলে



মানৱ অধিকাৰ সুৰক্ষিত কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া দায়িত্বৰ ওপৰত আলোকপাত কৰে। দিনৰ ভাগত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত স্থানীয় সাংবাদিকসকলক সম্বৰ্দ্ধনা জনোৱাৰ লগতে অঞ্চলটোৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলকো উৎসাহিত কৰাৰ উদ্দেশ্যে একোখনকৈ অভিনন্দন পত্ৰৰে সম্বৰ্দ্ধনা প্ৰদান কৰে। উল্লেখ্য যে, সন্ধ্যা ৬ বজাত শ্বহীদ বেদীৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ দিনযোৰা অনুষ্ঠানটিৰ সফল সামৰণি পৰে। বন্তি প্ৰজ্বলন কাৰ্যসূচীত ‘মাছ’ৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বিষ্ণু শৰ্মা, ৰঙাজান আঞ্চলিক সমিতিৰ অধ্যক্ষ মহঃ ইমদাদুল্লাহ ফাৰুক আৰু প্ৰাক্তন জিলা সাংগঠনিক সচিব পিতাম্বৰ বৰাই অংশ লয়। চাউলধোৱা অঞ্চলত আয়োজিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানে ছহিদ সাংবাদিকগৰাকীৰ আদৰ্শক সোঁৱৰাই দিয়াৰ লগতে মানৱ অধিকাৰ সংগ্ৰামক অধিক গতিশীল কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

# মাজুলীৰ ঘুনুচাবাৰীত কৃতী শিক্ষাৰ্থীৰ সম্ভাষণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, মাজুলী, ১৮ মে’** ঃ “সময়ৰ সদ্ব্যৱহাৰ কৰিব জনাসকলেই জীৱনটোক ৰঙীণ কৰি তুলিবলৈ সক্ষম হয়। সময় হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ। সেইবাবেই টাইম ইচ দ্য বেষ্ট হিলাৰ বুলি কোৱা হয়।” -এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ। মাজুলীৰ ঘুনুচাবাৰী অঞ্চলৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্ভাষণ জনোৱাৰ উদ্দেশ্য আজি ঘুনুচাবাৰীৰ আশাজ্যোতি যুৱ সংঘৰ বিশেষ উদ্যোগত আয়োজন কৰা হয় এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তাৰ ভাষণ দি অধ্যক্ষ ড° শইকীয়াই শিক্ষাৰ্থীসকলক সম্বুধি কয়, সমাজক দিব পৰাখিনি দি যোৱাটো সকলোৰে কৰ্তব্য হোৱা উচিত। সম্বৰ্ধনা সভা উপলক্ষে পুৱা যুৱ সংঘৰ কৰ্মকৰ্তাসকলৰ সৌজন্যত পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত গাঁৱৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কৰা কাৰ্যসূচী আৰম্ভ কৰে বয়োজ্যেষ্ঠ লোক গোলাপ বৰুৱা আৰু ললিত ভূঞাই। ঘুনুচাবাৰী গাঁৱৰ নামঘৰত দিনৰ ১১.০০ বজাৰ পৰা অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি মহেন্দ্ৰ বৰাই। অনুষ্ঠানৰ আৰম্ভণিতে গাঁৱৰ মহিলাসকলে এটি দিহানাম পৰিৱেশন কৰে। আশাজ্যোতি যুৱ সংঘৰ হৈ অঞ্জন শইকীয়া আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক (অৱসৰপ্ৰাপ্ত) অধ্যক্ষ নৰেন্দ্ৰ শৰ্মাই। সভাখনি উদ্বোধন কৰি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পবিত্ৰ গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ সংগ্ৰাম কৰিবই লাগিব বুলি উল্লেখ কৰে। অঞ্চলটোৰ শতায়ু গৰকা ব্যক্তি বেণুধৰ শইকীয়া আৰু ভোগেশ্বৰ বৰাক সভাত সম্বৰ্ধনা জনোৱা হয়। উদযাপন সমিতিৰ তৰফৰ পৰা আদৰণী ভাষণ দিয়ে ঘুনুচাবাৰী আশাজ্যোতি যুৱ সংঘৰ সভাপতি অচ্যুত শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূঞাই শিক্ষাৰ্থীসকলক নিজৰ কৰ্তব্যৰ প্ৰতি সদাসচেতন হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া, শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰসন্ন নাথ আৰু জেংৰাইমুখ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দেৱজিত শইকীয়াই। কৰিস্মা দেৱীৰ লোকগীত আৰু ৰাজশ্ৰী বৰাৰ ভূপেন্দ্ৰ সংগীতে সকলোকে মোহিত কৰে। আজিৰ সভাত অঞ্চলটোৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক অংগবস্ত্ৰ, কিতাপ টোপোলা, স্মাৰক, প্ৰশংসা পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। প্ৰায় দুই শতাধিক লোক উপস্থিত থকা সভাখনিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় আশাজ্যোতি যুৱ সংঘৰ সম্পাদক সৌৰভজ্যোতি চমুৱাই।

# জোনাইত গভাইত চোৰক আটক; মাটি খান্দি চুৰি সামগ্ৰী উদ্ধাৰ

**অসম বাৰ্তা, ধেমাজি, ১৮ মে’** ঃ ধেমাজি জিলা অন্তগত জোনাইত অসম আৰক্ষীৰ বৃহৎ সফলতা। জোনাই জেলেম পঞ্চায়তৰ অন্তগত কে দি চুক গাঁৱত অভিযান চলাই উদ্ধাৰ কৰিবলৈ সক্ষম হয় বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী। অভিযানত চুৰি কাণ্ডত জড়িত থকাৰ অভিযোগত তিনিজনক আটক কৰে জোনাই আৰক্ষীয়ে। জানিব পৰা মতে পৰা মতে এখন ৱেলডিং দোকানৰ পৰা চুৰে লুটি লৈ যায় সকলো সমগ্ৰী। ঘটনাৰ সন্দৰ্ভত বিপনী খনৰ স্বত্বাধিকাৰী গৰাকীয়ে জোনাই থানাত এজাহাৰ দাখিল কৰাৰ পিছতে আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। পিছত এজাৰহ ভিত্তিত জোনাই আৰক্ষীয়ে জোনাই তিনিটাকৈ স্থানত অভিযান চলাই সকলো সামগ্ৰী উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উক্ত অভিযানত চুৰি কাণ্ডত জড়িত থকা তিনিজনক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোক কেইজন কে দি গাঁৱৰ ৰহিম পেগু, মিমাং দলে আৰু দাৰাচন পেগু বুলি জানিব পৰা গৈছে। ইফালে একেটা অভিযানতে চাৰিলেনড যুক্ত ৰাষ্ট্ৰীয় ঘাই পথ নিৰ্মাণত ব্যৱহিত বৃহৎ পৰিমাণৰ জালি আৰু চাৰিচকীয়া বাহনৰ চকা আদি মাটিত পুটি থোৱা অৱস্থাৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হয় জোনাই আৰক্ষীয়ে। আৰক্ষী সূত্ৰই জানিব দিয়া অনুসৰি অভিযানত উদ্ধাৰ হোৱা সামগ্ৰীসমূহ মুল্য প্ৰায় দুই লাখ ভিতৰত হ’ব বুলি অনুমান কৰিছে।

# দৰঙৰ ধ্বজাপাৰাত কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, পাথৰিঘাট, ১৮ মে’** ঃ দৰং জিলাৰ বৃহত্তৰ হাজৰিকাপাৰা অঞ্চলৰ দেবানন্দ সত্ৰ গাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান ধ্বজাপাৰা ৰূপজ্যোতি সংঘৰ উদ্যোগত ১৬ মে’ তাৰিখে এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উজ্জ্বলি উঠা কৃতী ছাত্ৰ-ছাত্ৰী ক্ৰমে বৰষা হাজৰিকা, নিশান্ত কলিতা, ধনিষ্ঠা ডেকা আৰু গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা এম বি বি এছ চূড়ান্ত পৰীক্ষাৰ ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কুলদীপ গোস্বামীক সংঘৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সংঘৰ প্ৰাক্তন সভাপতি যোগেশ শৰ্মাই আঁত ধৰা আৰু ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী জয়ন্ত শৰ্মাই সভাপতিত্বত কৰা অনুষ্ঠানটোত বিশেষভাবে উপস্থিত থাকে শিক্ষয়ত্ৰী ৰঞ্জুমনি দেৱী, ৰূপজ্যোতি সংঘৰ সভাপতি পুষ্পধৰ ডেকা, সংঘৰ উপদেষ্টা দ্বয় লংকেশ্বৰ হাজৰিকা আৰু চন্দ্ৰ কান্ত হাজৰিকা, সংঘৰ সম্পাদক দ্বয় বিনয় হাজৰিকা আৰু ধনজিৎ ডেকা প্ৰমুখ্যে কেবাগৰাকীও বিশিষ্ট ব্যক্তি। উল্লেখ্য যে দৰঙৰ অন্যতম লোক উৎসৱ দেউলৰ লগত সংগতি ৰাখি আয়োজন কৰা উক্ত কাৰ্যসূচীৰ প্ৰাকমুহূৰ্তত কছাৰীঝাৰৰ পৰীস্মিতা কলিতাৰ মহিলা নাগাৰা নামৰ দলৰ দ্বাৰা নাগাৰা নাম পৰিবেশন কৰা হয়। প্ৰণিধানযোগ্য যে প্ৰতিষ্ঠা কালৰে পৰাই ধ্বজাপাৰা ৰূপজ্যোতি সংঘই বিভিন্ন শৈক্ষিক, সামাজিক, সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰত বিশেষ ভূমিকা লৈ অহা পৰিলক্ষিত হৈছে।

# দৰঙত জৰুৰীকালীন সময়ছোৱাত ল’বলগীয়া সাৱধানতা তথা সুৰক্ষা প্ৰস্তুতিমূলক অনুশীলনীৰ সফল সমাপন

**অসম বাৰ্তা, দেওমৰনৈ, ১৮ মে’** ঃ কেন্দ্ৰীয় গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰ্দেশ মৰ্মে কালি অৰ্থাৎ ১৬ মে’ ২০২৬ তাৰিখে সন্ধিয়া ৬: ০০ বজাৰ পৰা ৮: ০০ বজালৈ দৰং জিলাত দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ উদ্যোগত আৰু গুৱাহাটীস্থিত ভাৰতীয় বায়ুসেনাৰ সহযোগত দৰং জিলা প্ৰশাসনৰ বিশেষ সহযোগত তথা এক জৰুৰীকালীন “Air Raid Mock Exercise” তথা সুৰক্ষা প্ৰস্তুতিমূলক অনুশীলন সফলতাৰে সম্পন্ন কৰা হয়। এই গুৰুত্বপূৰ্ণ অনুশীলনৰ লক্ষ্য আছিল সম্ভাব্য আকাশমাৰ্গীয় আক্ৰমণ, যুদ্ধকালীন বিপদ বা যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়ত জনসাধাৰণ আৰু বিভিন্ন চৰকাৰী বিভাগসমূহক অধিক সজাগ, সচেতন আৰু কাৰ্যক্ষম কৰি তোলা। অনুশীলনৰ সময়ত অতিৰিক্ত জিলা আয়ুক্ত অনুৰাগ ফুকন উপস্থিত থাকি সমগ্ৰ কাৰ্যসূচী পৰ্যবেক্ষণ কৰাৰ লগতে অংশগ্ৰহণকাৰী দলসমূহক উৎসাহ আৰু প্ৰেৰণা যোগায়। ‘সতৰ্ক থাকক, সচেতন থাকক, সুৰক্ষিত থাকক’-কথাষাৰক শিৰোধাৰ্য্য কৰি অনুষ্ঠিত কৰা এই অনুশীলনৰ অংশ হিচাপে “Danger Siren” আৰু “All Clear Siren” বজোৱা হয়। বৈ বৈ বাজি থকা চাইৰেণ (Intermittent Siren)ক “Danger Siren” বুলি কোৱা হয়, যিয়ে সম্ভাব্য বিপদ বা জৰুৰী অৱস্থাৰ সতৰ্কবাণী প্ৰদান কৰে। আনহাতে, অবিৰতভাৱে বাজি থকা চাইৰেণ (Continuous Siren) ক “All Clear Siren” বুলি কোৱা হয়, যিয়ে বিপদমুক্ত বা স্বাভাৱিক অৱস্থা পুনৰ ঘূৰি অহাৰ সংকেত প্ৰদান কৰে। এই অনুশীলনৰ সময়ত ব্লেকআউট ব্যৱস্থা, সুৰক্ষিত স্থানলৈ স্থানান্তৰণ, আহত লোকৰ উদ্ধাৰ, জৰুৰীকালীন চিকিৎসা সহায় আৰু তাৎক্ষণিক সঁহাৰি ব্যৱস্থাৰ ওপৰত বাস্তৱসন্মত প্ৰদৰ্শন কৰা হয়। মংগলদৈ অসামৰিক চিকিৎসালয়, অগ্নি নিৰ্বাপক বাহিনী, APDCL, DDMA আৰু বিভিন্ন বিষয়াসকল তথা অন্যান্য সংশ্লিষ্ট বিভাগসমূহে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আন্তঃবিভাগীয় সমন্বয় আৰু সেৱাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰে। এই অনুশীলনী কাৰ্য্যসূচী জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসন, স্বাস্থ্য বিভাগ, জিলা পৰিবহণ বিষয়া, জিলা তথ্য আৰু জনসংযোগ বিভাগ তথা অন্যান্য সংশ্লি-ষ্ট বিভাগৰ সহযোগিতাত দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ তৰফৰ পৰা সফলতাৰে সমাপন কৰা হয়। উল্লেখ্য যে, এই অনুশীলন কাৰ্যসূচীৰ নেতৃত্বত আছিল দৰং অসামৰিক প্ৰতিৰক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত উপ নিয়ন্ত্ৰক পলাশ বৰুৱা।

## মাৰ্ঘেৰিটাত কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৮ মে’** ঃ মুছলিম সমাজৰ এক অন্যতম মহিলা সংগঠন হিদায়ৎ মহিলা মজলিছৰ উদ্যোগত মাৰ্ঘেৰিটাত কীৰ্তি শিক্ষাৰ্থীসকল সম্বৰ্ধনা অনুষ্ঠান আয়োজন কৰা হয়। বিশেষকৈ উচ্চ আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ মাৰ্ঘেৰিটালৈ গৌৰৱ কঢ়িয়াই অনা শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত সম্বৰ্ধনা জ্ঞাপন অনুষ্ঠানত হিদায়ৎ মহিলা মজলিছ, মাৰ্ঘেৰিটা বিষয় ববীয়াসহ উপস্থিত থাকে প্ৰাক্তন প্ৰৱক্তা ড° আনিছা আলি, শিক্ষক জিন্নাত আলি, সমাজসেৱিকা ৰঞ্জু বৰগোঁহাইসহ অঞ্চলটোৰ কেইবা গৰাকী ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত মুঠ ৯ গৰাকীৰ কীৰ্তি শিক্ষাৰ্থীক হিদায়ৎ মহিলা মজলিছৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। হিদায়ৎ মহিলা মজলিছ, মাৰ্ঘেৰিটাৰ সভানেত্ৰী এলিনা বেগমে সভাপতিত্ব কৰাৰ অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে নাজমা উল্লাই।

# বিধায়ক হিচাপে নিৰ্বাচিত হৈয়েই গড়াখহনীয়া অঞ্চল পৰিদৰ্শন মাকুমৰ প্ৰথম বিধায়ক সঞ্জয় কিষাণৰ

গুইজান-বাঘজান-কৰদৈগুৰীত স্থায়ী সমাধানৰ আশ্বাস

**অসম বাৰ্তা, তিনিচুকীয়া সদৰ, ১৮ মে’** ঃ নৱগঠিত মাকুম বিধানসভা সমষ্টিৰ প্ৰথমগৰাকী বিধায়ক হিচাপে নিৰ্বাচিত হৈয়েই সমষ্টিৰ জ্বলন্ত সমস্যা গড়াখহনীয়াৰ বুজ ল’বলৈ ওলাই আহিল সঞ্জয় কিষাণ। প্ৰতিকূল বতৰকো নেওচি দেওবাৰে পুৱাই গুইজান ঘাটৰ পৰা নাৱেৰে কৰদৈগুৰীলৈ যাত্ৰা কৰে বিধায়কগৰাকীয়ে। লগত আছিল জলসম্পদ বিভাগৰ অভিযন্তা আৰু বিভাগীয় বিষয়াসকল। উল্লেখ্য যে, নৱগঠিত মাকুম সমষ্টিৰ অন্তৰ্গত কৰদৈগুৰী অঞ্চলত ডাঙৰী নদীৰ গড়াখহনীয়াই বিগত কেইবাবছৰ ধৰি ভয়াবহ ৰূপ ধাৰণ কৰিছে। প্ৰতি বছৰে বাৰিষাৰ আগত আৰু বাৰিষাৰ সময়ত শ শ বিঘা কৃষিভূমি, বাসগৃহ নদীৰ বুকুত জাহ গৈছে। স্থানীয় ৰাইজে বহুবাৰ প্ৰশাসনৰ ওচৰত স্থায়ী প্ৰতিৰোধৰ দাবী জনাই আহিছে যদিও আজিলৈকে সমস্যাটোৰ স্থায়ী সমাধান হোৱা নাই। দেওবাৰে পুৱা প্ৰায় ১০ বজাত গুইজান ঘাটত উপস্থিত হৈ বিধায়ক সঞ্জয় কিষাণে প্ৰথমে স্থানীয় ৰাইজৰ সৈতে মত-বিনিময় কৰে। ইয়াৰ পিছতে বৰষুণকো আওকাণ কৰি তেওঁ অভিযন্তাৰ দল এটা লৈ নাৱেৰে কৰদৈগুৰীৰ আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত এলেকাবোৰ পৰিদৰ্শন কৰে। প্ৰায় ৪-৫ ঘণ্টা জুৰি চলা এই পৰিদৰ্শন কালত তেওঁ নদীৰ সোঁতৰ গতি, খহনীয়াৰ প্ৰকোপ আৰু পূৰ্বৰ প্ৰতিৰোধ ব্যৱস্থাসমূহৰ অৱস্থাৰ বুজ লয়। পৰিদৰ্শনৰ অন্তত সাংবাদিকৰ আগত বিধায়ক সঞ্জয় কিষাণে কয়, “মাকুম সমষ্টিৰ ৰাইজে মোক যি বিশ্বাস আৰু দায়িত্ব দিছে, সেই দায়িত্বৰ প্ৰথমে মই গড়াখহনীয়াৰ দৰে জটিল সমস্যাৰ পৰা কাম আৰম্ভ কৰিব বিচাৰিছোঁ। কৰদৈগুৰী-গুইজানৰ মানুহৰ কান্দোন মই বহুদিনৰ পৰা দেখি আহিছোঁ। এইবাৰ কেৱল আশ্বাস নহয়, কাম হ’ব।” তেওঁ লগতে জনায় যে আগন্তুক বিধানসভাৰ প্ৰথম অধিৱেশনত মাকুম সমষ্টিৰ গড়াখহনীয়াৰ বিজ্ঞানসন্মত স্থায়ী সমাধানত সন্দৰ্ভত সদনত দাবী জনাব। স্থানীয় ৰাইজে নৱনিৰ্বাচিত বিধায়কগৰাকীৰ এই তৎপৰতাক আদৰণি জনাইছে। উল্লেখযোগ্য যে সমষ্টি পুনঃনিৰ্ধাৰণৰ পিছত গঠন হোৱা মাকুম সমষ্টিৰ পৰা সঞ্জয় কিষাণ প্ৰথমবাৰৰ বাবে বিধায়ক নিৰ্বাচিত হৈছে। সমষ্টিটোৰ এটা বৃহৎ অংশ ডাঙৰী নৈৰ পাৰত অৱস্থিত হোৱা বাবে গড়াখহনীয়া আৰু বানপানী ইয়াৰ মূল সমস্যা। বিধায়কগৰাকীৰ এই তাৎক্ষণিক পদক্ষেপে সমষ্টিবাসীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছে।

# ওদালগুৰি জিলা মহিলা সমিতিৰ “সুস্থ নাৰী, সুৰক্ষিত নাৰী আৰু শক্তিশালী নাৰী” শীৰ্ষক সজাগতা সভা সম্পন্ন




**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, টংলা, ১৮ মে’** ঃ ওদালগুৰি জিলা মহিলা সমিতিৰ উদ্যোগত আৰু পায়নিয়াৰ চিনিয়াৰ চেকেণ্ডাৰী স্কুলৰ সহযোগত আজি বিদ্যালয়খনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় সুস্থ নাৰী, সুৰক্ষিত নাৰী আৰু শক্তিশালী নাৰী, উন্নত সমাজৰ মূল আধাৰ শীৰ্ষক সজাগতা সভা। সমাজখনত কৈশোৰ অৱস্থাত ছোৱালীসকলে সততে সমুখীন হোৱা কিছু সমস্যা সমাধানৰ বাবও আলোকপাত কৰে। ওদালগুৰি জিলা মহিলা সমিতিৰ সভানেত্ৰী অনিমা ভূঞা বৰুৱাই সঞ্চালনা কৰা সজাগতা সভাত অংশগ্ৰহণ কৰি নেচনেল পায়নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইছলামে নাৰী সুৰক্ষাৰ দিশত আলোকপাত কৰে। অৱসৰী কৃতী শিক্ষয়িত্ৰী হীৰণ দেৱীয়ে সুস্থ নাৰী, সুৰক্ষিত নাৰী, শক্তিশালী নাৰী-উন্নত সমাজৰ মূল আধাৰ শীৰ্ষক সজাগতা সভাত উক্ত বিষয়ত সাৱলীলভাৱে বিস্তৃত ব্যাখ্যা আগবঢ়ায়। বৃহত্তৰ টংলা অঞ্চলৰ কেবাখনো বিদ্যালয়ৰ তত্ত্বাবধায়কে অংশগ্ৰহণ কৰি শীৰ্ষক বিষয়ত আলোকপাত কৰে। ওদালগুৰি জিলা মহিলা সমিতিৰ সম্পাদিকা ৰশ্মিতা শৰ্মাই আঁত ধৰা উক্ত সজাগতা সভাত টংলাৰ বিদ্যালয়ৰ ছাত্ৰী, নেচনেল পায়নিয়াৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, ওদালগুৰি জিলা মহিলা সমিতিৰ বিষয়ববীয়া উপস্থিত থাকে।

# সদৌ কলিতা ছাত্ৰ সন্থা ধুবুৰী জিলা সমিতি আৰু কদমতোলা আঞ্চলিক সমিতিৰ উদ্যোগত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, চাপৰ, ১৮ মে’** ঃ সদৌ কলিতা ছাত্ৰ সন্থা ধুবুৰী জিলা সমিতি আৰু কদমতোলা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত ধুবুৰী জিলাৰ কদমতোলাস্থিত সদৌ কলিতা ছাত্ৰ সন্থাৰ জিলা আঞ্চলিক কাৰ্যালয়ত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা (HSLC) আৰু উচ্চতৰ মাধ্যমিক (HS) পৰীক্ষাত উত্তীৰ্ণ কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা উদ্দেশ্যে এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। সদৌ কলিতা ছাত্ৰ সন্থা ধুবুৰী জিলা সমিতিৰ উপদেষ্টা কুশল কলিতাৰ সভাপতিত্বৰ অনুষ্ঠানটোত অঞ্চলটোৰ বহু সংখ্যক ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষাগুৰু তথা সমাজৰ বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানৰ আৰম্ভণিতে অতিথিসকলক ফুলাম গামোচা আদৰণি জনোৱা হয়। ইয়াৰ পিছতে কৃতী ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা আৰু উপহাৰ সামগ্ৰী প্ৰদান কৰি তেওঁলোকৰ সাফল্যক স্বীকৃতি জনোৱা হয়। অনুষ্ঠানটোৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ ক্ষেত্ৰত উৎকৃষ্ট ফলাফল লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে সমাজত শিক্ষাৰ প্ৰতি ইতিবাচক বাৰ্তা প্ৰেৰণ কৰা। অনুষ্ঠানত বক্তব্য ৰাখি সদৌ কলিতা ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিৰ বিষয়ববীয়াসকলে কয় যে, ছাত্ৰ-ছাত্ৰীৰ সফলতাই সমাজ আৰু জাতিৰ ভৱিষ্যৎ উজ্জ্বল কৰি তোলে। তেওঁলোকে শিক্ষাৰ লগতে নৈতিক মূল্যবোধ, শৃংখলা আৰু সমাজসেৱাৰ মনোভাৱ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আগন্তুক দিনতেও সংগঠনটোৱে শিক্ষাৰ উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ বাবে বিভিন্ন ধৰণৰ গঠনমূলক পদক্ষেপ গ্ৰহণ কৰি যাব বুলিও জানিবলৈ দিয়ে। অনুষ্ঠানত উপস্থিত অভিভাৱক আৰু শিক্ষাগুৰুসকলেও এই পদক্ষেপক আদৰণি জনাই কয় যে, এনে ধৰণৰ সম্বৰ্ধনা অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীৰ মনোবল বৃদ্ধি কৰাৰ লগতে আগন্তুক প্ৰজন্মক শিক্ষাৰ প্ৰতি অধিক উৎসাহিত কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে সদৌ কলিতা ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া, ধুবুৰী জিলা সমিতিৰ বিষয়ববীয়া, কদমতোলা আঞ্চলিক সমিতিৰ বিষয়ববীয়া, স্থানীয় জেষ্ঠ ব্যক্তি বিৰেন্দ্ৰ কলিতা, হিতেশ দাস, মাণিক দাস, মনোৰঞ্জন দাস, মনেশ দাস, মোহন দাস, জানকী দাস, উৰ্মিলা দাস আৰু স্থানীয় বহু ব্যক্তি।

চুৰি গৰু সৰবৰাহ কৰাৰ সন্দেহত জ্বলাই দিলে বাহন দুখন

# ডুমডুমাৰ বৰহাপজানত দাউদাউকৈ জ্বলিল দুখনকৈ বাহন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ১৮ মে’** ঃ তিনিচুকীয়া জিলাৰ ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত বৰহাপজানৰ শুকানগুৰি চাহ বাগিচাৰ ১২ নম্বৰ লাইনত আজি দিনৰ ভাগত দুখনকৈ চাৰিচকীয়া বাহন জ্বলাই দিয়া ঘটনাই বাগিছাখনৰ লগতে অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, চুৰি গৰু সৰবৰাহ কৰাৰ সন্দেহত এখন মালবাহী টাটা মেজিক আৰু এখন মাৰুতি অল্টো বাহনত অগ্নিসংযোগ কৰে কোনো লোকে। ঘটনাৰ বিষয়ে জানিব পৰা মতে আজি কিছুদিনৰ পৰা গুকানগুৰি, হিলিকা আদি অঞ্চলৰ আৱাসীসকলৰ ঘৰৰ পৰা সঘনাই গৰু চুৰি হৈ থকা ঘটনাত সকলো ক্ষোভিত হৈ থকাৰ সময়তে আজি পুৱা বাগিচাখনৰ মাজেৰে AS-23-DC-2701 নম্বৰৰ মালবাহী টাটা মেজিক বাহনখনত দুটা গৰু লৈ যোৱা প্ৰত্যক্ষ কৰে স্থানীয় ৰাইজে। আনহাতে এই বাহনখনৰ আগে আগে ক’লা ৰঙৰ AS-01-V-8283 নম্বৰৰ এখন মাৰুতি অল্টো গাড়ী গৈ থকা দেখি ৰাইজৰ সন্দেহ



ওপজাত বাহন দুখন ৰখাবলৈ চেষ্টা কৰে। কিন্তু বাহনৰ চালক দুজনে ৰাইজৰ কথা নুশুনি আগবাঢ়ি গৈ থকাত পাছে পাছে খেদি যোৱাত এটা সময়ত সুযোগ বুজি চালক দুজনে বাগিচাৰ মাজৰ পথৰ ওপৰতে বাহন দুখন থৈ পলায়ন কৰে। এনেদৰে গৰুসহ বাহন দুখন থৈ চালক পলায়ন কৰাত উত্তেজিত ৰাইজে পথৰ পৰা বাহন দুখন এডোখৰ মুকলি ঠাইলৈ আনি প্ৰথমে অল্টো গাড়ীখন জ্বলাই দিয়ে। আনহাতে এই ঘটনাৰ খবৰ লাভ কৰি ডুমডুমা আৰক্ষীয়ে অৰ্ধসামৰিক বাহিনীক লগত লৈ ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ জোৱানক ঘটনাস্থলীত দেখি তাত উপস্থিত থকা ৰাইজ অধিক উত্তেজিত হৈ আৰক্ষীৰ সন্মুখতে টাটা মেজিক (মালবাহী) খনৰ পৰা গৰু দুটা নমাই বাহনখনত অগ্নিসংযোগ কৰি দিয়ে। অৱশ্যে সেই সময়তে অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী গৈ দুয়োখন বাহনৰ অগ্নি নিৰ্বাপন কৰাত বাহন দুখন ডুমডুমা থানালৈ লৈ আহে। এই ঘটনাৰ পাছত বাগিচাখনত এক চেপা উত্তেজনাই বিৰাজ কৰি আছে। আজি জ্বলি যোৱা বাহন দুখনৰ গৰাকী কোন সেই বিষয়ে আৰক্ষীয়ে এতিয়ালৈকে জানিবলৈ দিয়া নাই যদিও এই ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে।

## কেৰলমৰ মুখ্যমন্ত্ৰী হিচাপে

বাক্য পাঠ কৰে। ৰাজ্যপাল আৰ ভি আৰ্লেকাৰে এই শপতগ্ৰহণ অনুষ্ঠান সম্পন্ন কৰায়তিৰুৱনন্তপুৰমৰ চেণ্ট্ৰেল ষ্টেডিয়ামত অনুষ্ঠিত এই আড়ম্বৰপূৰ্ণ শপতগ্ৰহণ অনুষ্ঠানৰ জৰিয়তে কংগ্ৰেছ নেতৃত্বাধীন ইউনাইটেড ডেম’ক্ৰেটিক ফ্ৰণ্টে (ইউডিএফ) এক দশকৰ পাছত কেৰালাত পুনৰ ক্ষমতা দখল কৰে। তাৰ লগে লগে চিপিআই (এম)ৰ প্ৰবীণ নেতা পিনাৰায় বিজয়নৰ দশকজোৰা শাসনৰ আনুষ্ঠানিকভাৱে অন্ত পৰে। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰা আৰু কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে অংশগ্ৰহণ কৰে। উপস্থিত থকা অন্যান্য মুখ্যমন্ত্ৰীসকলৰ ভিতৰত আছে— কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰমাইয়া, কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, তেলেংগানাৰ মুখ্যমন্ত্ৰী ৰেৱন্ত ৰেড্ডী আৰু হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং চুখু। ইয়াৰ লগতে কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পিনাৰায় বিজয়ন, বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ এ এন শ্বামশ্বিৰ, কেৰালা বিজেপিৰ সভাপতি ৰাজীৱ চন্দ্ৰশেখৰ আৰু চিপিআই নেতা বিনয় বিশ্বমেও অনুষ্ঠানত উপস্থিত থাকে। শপতগ্ৰহণ কৰা মন্ত্ৰীসকলৰ ভিতৰত ১১ গৰাকী কংগ্ৰেছৰ বিধায়ক। তেওঁলোক হৈছে— ৰমেশ চেনিথালা, ছানি জোচেফ, কে মুৰালীধৰণ, এ পি অনিল কুমাৰ, পি চি বিষ্ণুনাথ, ৰোজী এম জন, বিন্দু কৃষ্ণ, এম লিজু, টি ছিদ্দিক, কে এ তুলসী আৰু অ’ জে জনীশ। সতীশনে পূৰ্বেই ঘোষণা কৰি থোৱা মতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তিৰুৱঞ্চুৰ ৰাধাকৃষ্ণনে বিধানসভাৰ অধ্যক্ষ হিচাপে আৰু ছানিমুল উছমানে উপাধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ইফালে বিধায়ক আপ্পুজন জোচেফক চৰকাৰৰ মুখ্য হুইপ হিচাপে নিযুক্তি দিয়া হৈছেশপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে সতীশনে সাংবাদিকক কয়, “পবিত্ৰ দায়িত্ববোধেৰে মই সৰ্বাংগীণ শাসন ব্যৱস্থা নিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। সকলো সম্প্ৰদায়ক সন্মান জনোৱাৰ লগতে কেৰালাৰ উন্নয়ন আৰু প্ৰগতিক অগ্ৰাধিকাৰ দিয়া হ’ব।” চৰকাৰ গঠন প্ৰক্ৰিয়া ২৪ ঘণ্টাৰো কম সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰা প্ৰসঙ্গত তেওঁ কয়, “এয়া কেৰালাৰ ইতিহাসত আটাইতকৈ দ্ৰুততম সিদ্ধান্ত। আমি মিত্ৰজোঁটৰ অংশীদাৰসকলৰ সৈতে আলোচনা কৰি আঞ্চলিক আৰু সামাজিক জনগাঁথনিৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে মহিলা আৰু দলিতৰ প্ৰতিনিধিত্বৰ কথাও বিবেচনা কৰিলোঁ। ফলত আমি অনুসূচিত জনজাতি সম্প্ৰদায়ৰ দুজন সদস্যক অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছোঁ।” উল্লেখযোগ্য যে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত পাৰাভুৰ সমষ্টিৰ পৰা একেৰাহে ষষ্ঠবাৰৰ বাবে বিধায়ক হিচাপে নিৰ্বাচিত হৈছে ভি ডি সতীশন। তেওঁ চিপিআইৰ প্ৰাৰ্থী ইটি টাইছন মাষ্টাৰক ৭৮, ৬৫৮টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। ২০০১ চনত প্ৰথমবাৰৰ বাবে এই আসনখন দখল কৰি তেওঁ ২৫ বছৰ ধৰি পাৰাভুৰ সমষ্টিক প্ৰতিনিধিত্ব কৰি আহিছে। বিধানসভা নিৰ্বাচনৰ সামগ্ৰিক ফলাফল অনুসৰি, ১৪০ জনীয়া কেৰালা বিধানসভাত ইউডিএফে ১০২খন আসন লাভ কৰে। কংগ্ৰেছে ৬৩খন আসন লাভ কৰি সৰ্ববৃহৎ দল হিচাপে আত্মপ্ৰকাশ কৰাৰ বিপৰীতে ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগে (আইইউএমএল) ২২খন আসন লাভ কৰে। বামফ্ৰণ্ট এলডিএফৰ আসন ৩৫খনলৈ হ্ৰাস পায়, আনহাতে বিজেপিয়ে তিনিটা সমষ্টিত জয়লাভ কৰে। পৃথকভাৱে মুখ্যমন্ত্ৰী সতীশনৰ শপতগ্ৰহণক স্বাগতম জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যম এ’ত পোষ্ট দিয়ে। তেওঁ লিখে, “ভিডি সতীশন ডাঙৰীয়ালৈ আন্তৰিক অভিনন্দন। তেখেতৰ কাৰ্যকালৰ বাবে মোৰ শুভেচ্ছা ৰ’ল। ৰাজ্যবাসীৰ আকাংক্ষা পূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে নৱগঠিত কেৰালা চৰকাৰক সম্ভৱপৰ সকলো সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিছে।”

## বড়োলেণ্ড বিশ্ববিদ্যালয়ত PhD প্ৰদানৰ নামত ভয়ংকৰ

ন্যূনতম অৰ্হতা আৰু মানদণ্ড পূৰণ নকৰাকৈ ১২৭ গৰাকী ছাত্ৰ-ছাত্ৰীক অবৈধভাৱে PhD ডিগ্ৰী প্ৰদান কৰা হৈছে। UGCৰ নিয়ম অনুসৰি PhD প্ৰৱেশ আৰু ডিগ্ৰী প্ৰদানৰ বাবে স্নাতকোত্তৰ স্তৰত ন্যূনতম ৫৫ শতাংশ (SC/ST/PwDৰ বাবে ৫০ শতাংশ) নম্বৰ বাধ্যতামূলক। কিন্তু বড়োলেণ্ড বিশ্ববিদ্যালয়ে এই মৌলিক নিয়ম উলংঘন কৰি বহুসংখ্যক অযোগ্য প্ৰাৰ্থীক ডিগ্ৰী প্ৰদান কৰাৰ তথ্য উন্মোচিত হৈছে। UGC কৰ্তৃপক্ষই এই গুৰুতৰ অনিয়মৰ তদন্ত কৰি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক তলব কৰিছে। আগন্তুক ২৬ মে’ তাৰিখে দিল্লীস্থিত UGCৰ মুখ্য কাৰ্যালয়ত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ উপাচাৰ্য, ৰেজিষ্ট্ৰাৰ আৰু সংশ্লিষ্ট বিষয়ববীয়াক উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। তাত তেওঁলোকক প্ৰতিবেদনৰ তথ্যসমূহৰ বিষয়ে স্পষ্টকৈ ব্যাখ্যা আগবঢ়াবলৈ কোৱা হৈছে। UGCৰ বিশেষজ্ঞ সমিতিয়ে বিশ্ববিদ্যালয়ৰ PhD প্ৰৱেশ প্ৰক্ৰিয়া, গৱেষণা তত্ত্বাৱধায়কৰ নিয়োগ, থিচিছ মূল্যায়ন আৰু ডিগ্ৰী প্ৰদানৰ সমগ্ৰ প্ৰক্ৰিয়া পৰ্যালোচনা কৰি একাধিক অনিয়ম উলিয়াই আনিছে। কেৱল অৰ্হতা নথকাই নহয়, বহু ক্ষেত্ৰত নিয়মবিৰোধীভাৱে গৱেষণা তত্ত্বাৱধায়ক নিয়োগ, অপৰ্যাপ্ত গৱেষণা সময় আৰু মানদণ্ডৰ অভাৱও ধৰা পৰিছে। এই ঘটনাই সমগ্ৰ উত্তৰ-পূব ভাৰতৰ উচ্চ শিক্ষা ব্যৱস্থাৰ মান আৰু বিশ্বাসযোগ্যতাক গভীৰভাৱে প্ৰভাৱিত কৰিব বুলি আশংকা কৰা হৈছে। বিশেষকৈ বড়োলেণ্ড অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত আৰু শিক্ষাৰ মানদণ্ডৰ ওপৰত ইয়াৰ বিৰূপ প্ৰভাৱ পৰিব পাৰে। এই সংবাদ প্ৰকাশিত হোৱাৰ পিছত বড়োলেণ্ড বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা এতিয়ালৈ কোনো আনুষ্ঠানিক প্ৰতিক্ৰিয়া পোৱা নাই। UGCৰ তলবে কৰ্তৃপক্ষই কিমানদূৰ নিয়ম মানি চলিছে আৰু কি কি ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেয়া স্পষ্ট হ’ব বুলি আশা কৰা হৈছে। UGCৰ সূত্ৰই জানিব দিছে যে তদন্তৰ পিছত দোষী বিষয়ববীয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। প্ৰয়োজন হ’লে অবৈধভাৱে প্ৰদান কৰা PhD ডিগ্ৰীসমূহ বাতিল কৰাৰো সম্ভাৱনা আছে। লগতে বিশ্ববিদ্যালয়ৰ PhD প্ৰৱেশ প্ৰক্ৰিয়াত সম্পূৰ্ণ সংস্কাৰ আনা হ’ব পাৰে। এই ঘটনাই ৰাজ্য আৰু দেশৰ অন্যান্য বিশ্ববিদ্যালয়সমূহতো সতৰ্কতাৰ সৃষ্টি কৰিছে। UGCৰ নিয়ম-নীতি কঠোৰভাৱে পালন কৰাটো যে কিমান জৰুৰী সেয়া এই প্ৰতিবেদনে উজ্জ্বল কৰি তুলিছে।

## হঠাৎ গুৰুতৰভাৱে অসুস্থ

অসুস্থ হৈ পৰিছে। তেখেতৰ অৱনতি ঘটাত তৎক্ষণাৎ চিকিৎসাৰ বাবে তেখেতক মুম্বাইৰ জাছলোক হাস্পতালত ভৰ্তি কৰোৱা হৈছে। হাস্পতাল সূত্ৰই জানিবলৈ দিয়া মতে, বদৰুদ্দিন আজমলৰ শাৰীৰিক অৱস্থা অস্থিৰ হৈ পৰাত তেখেতক নিবিৰ পৰ্যবেক্ষণৰ অধীনত ৰখা হৈছে। বৰ্তমান চিকিৎসকৰ এটা দলে তেখেতৰ স্বাস্থ্যৰ মূল্যায়ন কৰি আৱশ্যকীয় চিকিৎসা প্ৰদান কৰি আছে। উল্লেখযোগ্য যে, অহা ২১ মে’ত পৱিত্ৰ হজ যাত্ৰাত অংশগ্ৰহণ কৰিবলৈ আজমলৰ সিদ্ধান্ত আছিল। কিন্তু হঠাতে অসুস্থ হৈ পৰাত তেখেতৰ সেই সিদ্ধান্ত অনিৰ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হৈছে। হজ যাত্ৰাৰ আগমুহূৰ্তত তেখেত অসুস্থ হৈ পৰাত তেখেতৰ অনুৰাগী আৰু ৰাজনৈতিক মহলত চিন্তা-উদ্বিগ্ণতাৰ সৃষ্টি হৈছে। ইফালে, বদৰুদ্দিন আজমলৰ আশু আৰোগ্য কামনা কৰি তেখেতৰ গুণমুগ্ধ, শুভাকাংক্ষী আৰু দলীয় কৰ্মীসকলে সামাজিক মাধ্যমত প্ৰাৰ্থনা জনাবলৈ আৰম্ভ কৰিছে। বহু শীৰ্ষ ৰাজনৈতিক নেতায়ো তেখেতৰ দ্ৰুত সুস্থতা কামনা কৰি টুইট বা পোষ্ট প্ৰকাশ কৰিছে। AIUDFৰ পদস্থ নেতাই সাংবাদিকক জনোৱা মতে, “আজমল চাহাব অতি সোনকালে সুস্থ হৈ ঘূৰি আহিব বুলি আমি পূৰ্ণ ভৰসা ৰাখিছোঁ। তেখেতৰ বাবে সমগ্ৰ দলেই প্ৰাৰ্থনা জনাইছে।” এতিয়ালৈকে হাস্পতাল কৰ্তৃপক্ষই আজমলৰ অসুস্থতাৰ নিৰ্দিষ্ট কাৰণ পৰিয়ালৰ লোকক অৱগত কৰালেও জনসাধাৰণৰ বাবে সেয়া প্ৰকাশ কৰা হোৱা নাই। কিছু সময়ৰ ভিতৰতে চিকিৎসকৰ পৰৱৰ্তী বুলেটিনত আজমলৰ স্বাস্থ্যৰ বিৱৰণ দিয়া হ’ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, বদৰুদ্দিন আজমল অসমৰ ৰাজনীতিত এজন গুৰুত্বপূৰ্ণ ব্যক্তি। তেখেতৰ নেতৃত্বত AIUDF দলটোৱে অসমৰ মুছলিম আৰু সংখ্যালঘু সমাজৰ মাজত ব্যাপক সমৰ্থন লাভ কৰি আহিছে। তেখেত অসুস্থ হোৱা বাতৰিয়ে ৰাজ্যৰ ৰাজনৈতিক মহলত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## ড° বসন্ত কুমাৰ গোস্বামীৰ মন্তব্যক সমৰ্থন সাংসদ ৰকিবুল

ৰাখিবলৈ বিচাৰিলে সেয়া ভুল বুলি অভিহিত কৰি সাংসদগৰাকীয়ে সকলোকে মিলিজুলি থাকিবলৈ আহ্বান জনায়। লগতে অসমীয়া ভাষাৰ সমান্তৰালকৈ আন আন ভাষাসমূহকো সন্মান কৰিব লাগে বুলি মন্তব্য কৰে। আজি ধুবুৰী জিলাৰ তামাৰহাটৰ সৰ্বজনীন দুৰ্গা মন্দিৰ প্ৰাঙ্গণত শৌচালয় নিৰ্মাণৰ বাবে সাংসদ পুঁজিৰ ধন আবণ্টনৰ আধাৰশিলা স্থাপন অনুষ্ঠানত উপস্থিত হৈ এই মন্তব্য কৰে ৰকিবুল হুছেইনে। ইফালে, বিধায়ক দিগন্ত কলিতাই মছজিদৰ লাউডস্পীকাৰৰ জৰিয়তে আজান দিয়া সন্দৰ্ভত কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিবলৈ গৈ ৰকিবুল হুছেইনে কয়, “অসমত এটা প্ৰতিযোগিতা চলি আছে— যিয়ে যিমান বেয়া কথা ক’ব পাৰে, সিয়ে সিমান প্ৰতিষ্ঠিত হ’ব। গতিকে মই এই বিতৰ্কৰ মাজত সোমাব বিচৰা নাই। আমি সকলোৱে মিলিজুলি থাকিব বিচাৰোঁ। কিছুমান মানুহে সমাজখন প্ৰদূষিত কৰে, আন কিছুমানৰ মতে তেন্তে তেওঁলোকৰ ‘নম্বৰ’ বাঢ়ে।” তেওঁ স্পষ্টভাৱে কয় যে তেওঁ এই ধৰণৰ বিতৰ্কিত মন্তব্যৰ পৰা আঁতৰি থাকিবলৈহে বিচাৰে। লগতে সাংসদ গৰাকীয়ে অল ইণ্ডিয়া ইউনাইটেড ডেমক্ৰেটিক ফ্ৰণ্ট (এ আই ইউ ডি এফ)ৰ মুৰব্বী বদৰুদ্দিন আজমলৰ আশু আৰোগ্য কামনা কৰে। উল্লেখ্য যে, আজমল কিছুদিন ধৰি অসুস্থ আৰু মুম্বাইৰ এখন হাস্পতালত চিকিৎসাধীন হৈ আছে। তেখেতৰ দ্ৰুত সুস্থতা কামনা কৰি ৰকিবুল হুছেইনে প্ৰাৰ্থনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে, তামাৰহাটৰ সৰ্বজনীন দুৰ্গা মন্দিৰ প্ৰাঙ্গণত শৌচালয় নিৰ্মাণৰ বাবে সাংসদ পুঁজিৰ ধন আবণ্টন কৰিছিল ৰকিবুল হুছেইনে। আজি তাৰেই আধাৰশিলা স্থাপন কৰিবলৈ সাংসদগৰাকী তামাৰহাটত উপস্থিত হয়। অনুষ্ঠানত স্থানীয় ৰাইজ, মন্দিৰ কমিটিৰ সদস্য আৰু বিভিন্ন জনজাতীয় নেতা-প্ৰতিনিধি উপস্থিত থাকে। শৌচালয় নিৰ্মাণৰ এই পদক্ষেপক স্থানীয় ৰাইজে সাদৰে আদৰি লোৱা বুলি জানিবলৈ দিয়ে সাংসদৰ কাৰ্যালয়ে।

## দেশৰ ১৮খন চহৰত জল মেট্ৰ’ আৰম্ভ কৰাৰ পৰিকল্পনা

সোণোৱালে এই বৈঠকত সভাপতিত্ব কৰি দেশৰ ১৮খন চহৰত জল মেট্ৰ’ সেৱা আৰম্ভ কৰাৰ পৰিকল্পনাৰ বুজ লয়। বৈঠকৰ পাছত মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ ১৮খন চহৰত জল মেট্ৰ’ সেৱা আৰম্ভ কৰাৰ পৰিকল্পনা আগবঢ়াই লৈ গৈছে, যাৰ প্ৰথম পৰ্যায়ত গুৱাহাটীকো অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰথম পৰ্যায়ত শ্ৰীনগৰ, পাটনা, বাৰাণসী, অযোধ্যা আৰু প্ৰয়াগৰাজকো অন্তৰ্ভুক্ত কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। আনহাতে, দ্বিতীয় পৰ্যায়ত অসমৰ তেজপুৰ আৰু ডিব্ৰুগড়তো এই প্ৰকল্প ৰূপায়ণৰ প্ৰস্তাৱ দিয়া হৈছে। একে সময়তে, নগৰভিত্তিক জল পৰিবহণৰ বাবে এক ৰাষ্ট্ৰীয় পৰিকাঠামো প্ৰস্তুত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ঋঋ”খচৰা ৰাষ্ট্ৰীয় জল মেট্ৰ’ নীতি, ২০২৬”ঋঋ আন্তঃমন্ত্ৰালয় পৰামৰ্শৰ বাবে প্ৰেৰণ কৰিছে। সোণোৱালে ৰাজ্য চৰকাৰসমূহৰ সৈতেও ৰাষ্ট্ৰীয় জল মেট্ৰ’ নীতিৰ খচৰা, ২০২৬ৰ পৰামৰ্শ লোৱাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। কোচি জল মেট্ৰ’ৰ সফলতা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি মোদী চৰকাৰে এতিয়া নৌ-চলাচল উপযোগী জলপথ থকা চহৰসমূহত জলভিত্তিক নগৰ পৰিবহণ ব্যৱস্থা আৰম্ভ কৰাৰ বাবে এক ৰাষ্ট্ৰীয় আন্তঃগাঁথনি প্ৰস্তুত কৰিছে। এই পদক্ষেপৰ লক্ষ্য হৈছে অভ্যন্তৰীণ জলপথসমূহক দক্ষ, বহনক্ষম আৰু আধুনিক ৰাজহুৱা পৰিবহণ ব্যৱস্থালৈ ৰূপান্তৰিত কৰা। এই পদক্ষেপ সন্দৰ্ভত ব্যাখ্যা কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়, “প্ৰস্তাৱিত জল মেট্ৰ’ ব্যৱস্থাসমূহ তুলনামূলকভাৱে কম ব্যয়বহুল। দ্ৰুত নিৰ্মাণ, কম ভূমিৰ প্ৰয়োজনীয়তা আৰু বিশেষকৈ বৈদ্যুতিক আৰু হাইব্ৰিড ফেৰী ব্যৱহাৰৰ জৰিয়তে কম পৰিচালনা ব্যয়ে এই ব্যৱস্থাক পৰম্পৰাগত নগৰ পৰিবহণৰ এক বাস্তৱসন্মত আৰু পৰিৱেশ-অনুকূল বিকল্প হিচাপে গঢ়ি তুলিব। এই সেৱাই নগৰসমূহত যান-জঁট হ্ৰাস কৰাৰ লগতে যাত্ৰীসকলক এক আৰামদায়ক, মনোমোহা আৰু মসৃণ যাত্ৰাৰ অভিজ্ঞতা প্ৰদান কৰিব।”” প্ৰস্তাৱিত জল মেট্ৰ’ ব্যৱস্থাক দৈনিক যাত্ৰী আৰু পৰ্যটক উভয়ৰ বাবে এক পৰিবহণ ব্যৱস্থা হিচাপে পৰিকল্পনা কৰা হৈছে। ই সকলো নৌ-চলাচল উপযোগী জলপথত চলাচল কৰিব বুলিও উল্লেখ কৰে কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে সৰ্বানন্দ সোণোৱালে আৰু কয়, “প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ বলিষ্ঠ নেতৃত্বত সেউজ প্ৰযুক্তিৰ প্ৰসাৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। হাইব্ৰিড আৰু বৈদ্যুতিক চালন ব্যৱস্থাক উৎসাহিত কৰাৰ লগতে সময়ে সময়ে প্ৰযুক্তিগত উন্নীতকৰণো কৰা হ’ব।” এই পদক্ষেপে জাহাজৰ নক্সা, টাৰ্মিনেল, চাৰ্জিং আন্তঃগাঁথনি আৰু সুৰক্ষা ব্যৱস্থাৰ মান স্থাপন কৰাৰ লগতে দেশীয়ভাৱে জাহাজ নিৰ্মাণ আৰু বৰ্তমানৰ পৰিবহণ ব্যৱস্থাৰ সৈতে সমন্বয় সাধনক উৎসাহিত কৰিব বুলিও জানিবলৈ দিয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। প্ৰকল্প ৰূপায়ণৰ মান ব্যাখ্যা কৰি সোণোৱালে কয়, “নীৰৱচ্ছিন্ন বা আংশিকভাৱে সংযুক্ত জলপথ থকা অঞ্চলসমূহত জল মেট্ৰ’ প্ৰকল্পক অগ্ৰাধিকাৰ দিয়া হ’ব। এক মিলিয়নৰো অধিক জনসংখ্যা থকা আৰু বিশেষকৈ পৰ্যটন ক্ষেত্ৰত পৰিবহণৰ চাহিদা থকা চহৰসমূহ এইক্ষেত্ৰত বিবেচনা কৰা হ’ব।” এই উন্নয়নৰ অন্তৰ্গত থাকিব জাহাজ, পণ্টুন, জেটি, বাঙ্কাৰিং আৰু চাৰ্জিং আন্তঃগাঁথনি, টাৰ্মিনেল, যাত্ৰী সুবিধা আৰু নেভিগেশ্যন সহায়ক ব্যৱস্থা। যৌথ কেন্দ্ৰ-ৰাজ্য পুঁজি, সম্পূৰ্ণ ৰাজ্য চৰকাৰৰ পৃষ্ঠপোষকতা, ৰাজহুৱা-বেচৰকাৰী অংশীদাৰিত্ব (PPP) আৰু সম্পূৰ্ণ কেন্দ্ৰীয় পুঁজিৰ দৰে একাধিক পুঁজি মডেল বিবেচনা কৰা হৈছে। ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ (IWAI)-এ ২৫ ফেব্ৰুৱাৰী ২০২৫ তাৰিখে ১৮খন চহৰৰ সম্ভাব্যতা অধ্যয়নৰ দায়িত্ব কোচি মেট্ৰ’ ৰে’ল লিমিটেড (KMRL)-ক অৰ্পণ কৰিছিল। এই অধ্যয়নৰ অধীনত বৰ্তমানৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থা, যাতায়াতৰ চাহিদা, আৰ্থিক সম্ভাব্যতা আৰু বহু-মাধ্যমিক সংযোগ মূল্যায়ন অন্তৰ্ভুক্ত আছে। বৰ্তমানলৈকে ১৮টা স্থানত পৰিদৰ্শন সম্পন্ন হৈছে। ১৭খন চহৰৰ খচৰা প্ৰতিবেদন দাখিল কৰা হৈছে, য’ত লক্ষদ্বীপৰ প্ৰতিবেদন বাকী আছে। শ্ৰীনগৰ, পাটনা, গুৱাহাটী, বাৰাণসী আৰু অযোধ্যাৰ প্ৰতিবেদন ইতিমধ্যে গৃহীত হৈছে। “খচৰা ৰাষ্ট্ৰীয় জল মেট্ৰ’ নীতি ২০২৬” সন্দৰ্ভত মত প্ৰকাশ কৰি সৰ্বানন্দ সোণোৱালে কয় যে ভাৰতৰ সমৃদ্ধ সামুদ্ৰিক ঐতিহ্য টাৰ্মিনেল আৰু সংশ্লিষ্ট আন্তঃগাঁথনিৰ ন’া আৰু স্থাপত্যত প্ৰতিফলিত হ’ব লাগিব। তেওঁ আঞ্চলিক স্বকীয়তা অটুট ৰখাত গুৰুত্ব আৰোপ কৰে আৰু স্থানীয়ভাৱে উপযোগী নিৰ্মাণ সামগ্ৰী ব্যৱহাৰত অগ্ৰাধিকাৰ দিয়ে। সোণোৱালে লগতে যুৱ শিক্ষাৰ্থীসকলক জলপথৰ ৰূপান্তৰমূলক সজাগতা বৃদ্ধি আৰু যুৱপ্ৰজন্মৰ অংশগ্ৰহণ বৃদ্ধিৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। তেওঁ কয় যে জল মেট্ৰ’ প্ৰকল্পসমূহে বিশ্বমানৰ আৰু বহনক্ষম যাতায়াত ব্যৱস্থা ত্বৰান্বিত কৰাৰ লগতে চহৰসমূহৰ সৌন্দৰ্য, সুনাম আৰু ঐতিহ্য বৰ্ধন কৰিব।

## শেখৰজ্যোতি গোস্বামীৰ

কৰে। উল্লেখযোগ্য যে, একেটা গোচৰতে সাতজন অভিযুক্তৰ বিৰুদ্ধে চাৰ্জফ্ৰেমৰ বিষয়টোও বিচাৰাধীন। সেই সন্দৰ্ভত অহা ২৬ মে’ত আদালতে কেইগৰাকী অভিযুক্তৰ বিৰুদ্ধে আনুষ্ঠানিকভাৱে অভিযোগ গঠন (চাৰ্জফ্ৰেম) কৰি ৰায় দিব বুলি সূত্ৰই জানিবলৈ দিয়ে। শেখৰজ্যোতি গোস্বামীয়ে দায়ৰ জামিনৰ বাবে যোৱা কেইসপ্তাহমান আগতে উচ্চ ন্যায়ালয়ত আবেদন দাখিল কৰিছিল। আজি তাৰ শুনানি সমাপ্ত হয়। ইফালে, সাত অভিযুক্তৰ চাৰ্জফ্ৰেম সম্পৰ্কীয় ৰায় আগতীয়াকৈ ২৬ মে’ত ঘোষণা কৰিবলৈ আদালতে সিদ্ধান্ত লৈছে। এই দুয়োটা ঘটনাকে লৈ আইনী মহলত তীব্ৰ চাঞ্চল্য সৃষ্টি হৈছে। উল্লেখ্য যে, শেখৰজ্যোতি গোস্বামীকে ধৰি সাতজন অভিযুক্তই বিভিন্ন অভিযোগৰ সন্মুখীন হৈ আছে। চাৰ্জফ্ৰেমৰ ৰায় প্ৰদানৰ পাছতহে গোচৰটোৰ পূৰ্ণাঙ্গ শুনানি আৰম্ভ হ’ব। তেতিয়ালৈকে জামিনৰ আবেদনত উচ্চ ন্যায়ালয়ৰ ৰায়েই বৰ্তমান অৱস্থাত গোচৰটোৰ গতিপথ নিৰ্ধাৰণ কৰিব বুলি ধাৰণা কৰা হৈছে।

## কংগ্ৰেছ ত্যাগৰ বাতৰি নাকচ দেৱব্ৰত শইকীয়াৰ

পৰা উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা সম্পৰ্কীয় যিকোনো বাতৰি সম্পূৰ্ণৰূপে ভিত্তিহীন আৰু এক গভীৰ ষড়যন্ত্ৰৰ অংশ। শেহতীয়াকৈ ৰাজনৈতিক মহলত চলি থকা চৰ্চা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নেতাগৰাকীয়ে কয়, “ৰাইজৰ সেৱাত, ৰাজ্যৰ ৰাজনীতিত মই সদায় আছোঁ আৰু থাকিম। একাংশ লোকে মোৰ নগাঁও লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা আৰু বিজেপিত যোগদান কৰা সন্দৰ্ভত যি উৰাবাতৰি বিয়পাইছে, সেয়া সম্পূৰ্ণৰূপে ভিত্তিহীন।” তেওঁ লগতে কয় যে এই উৰাবাতৰিৰ জৰিয়তে তেওঁক অসমৰ ৰাজনীতিৰ পৰা আঁতৰাই পঠোৱাৰ এক বিফল প্ৰচেষ্টা চলোৱা হৈছে। “মই মোৰ দল কংগ্ৰেছৰ লগতেই আছোঁ, দল ত্যাগ কৰাৰ বা উপ-নিৰ্বাচন খেলাৰ কোনো প্ৰশ্নই নুঠে”— বুলি স্পষ্টভাৱে উল্লেখ কৰে দেৱব্ৰত শইকীয়াই। বিৰোধী দলপতি হিচাপে ৰাইজৰ স্বাৰ্থত আৰু অসমৰ হকে সদায় মাত মাতি অহা বুলি উল্লেখ কৰি শইকীয়াই কয় যে বৰ্তমান গণতন্ত্ৰৰ প্ৰতি যি ভাবুকি আহি পৰিছে আৰু নিৰ্বাচনী আয়োগৰ যি হতাশজনক ভূমিকা আমি দেখিছোঁ, সেয়া সঁচাকৈয়ে উদ্বেগজনক। “নিৰ্বাচন শেষ হোৱাৰ লগে লগেই অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধি হৈছে, সাধাৰণ ৰাইজৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে” — বুলি তেওঁ চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰে। মুখ্যমন্ত্ৰী সম্পৰ্কীয় মন্তব্য প্ৰকাশ কৰি দেৱব্ৰত শইকীয়াই কয়, “আমাৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীক একাংশই ‘চাণক্য’ বুলি আখ্যা দিয়ে। কিন্তু চাণক্য নীতিত শিক্ষিত লোকক সন্মান কৰা আৰু ৰাজহুৱা ধনৰ অপচয় নকৰাৰ কথা কোৱা হৈছে — যিটো বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত আমি দেখা পোৱা নাই।” তেখেতে লগতে কয় যে ভুৱা ডিগ্ৰী আৰু মিছা প্ৰতিশ্ৰুতিৰ ৰাজনীতিতকৈ ৰাইজৰ প্ৰকৃত সমস্যাবোৰ সমাধান কৰাটোহে চৰকাৰৰ মূল লক্ষ্য হোৱা উচিত। “পুঁজিপতিৰ স্বাৰ্থত কাম কৰা এই চৰকাৰে সাধাৰণ জনতাক মাধমাৰ দিছে।” অসমৰ ৰাইজৰ হকে নিজৰ আৰু কংগ্ৰেছ দলৰ যুঁজ সদায় অব্যাহত থাকিব বুলি উল্লেখ কৰি দেৱব্ৰত শইকীয়াই শেষত কয়, “সত্যৰ জয় হ’বই।” তেখেতৰ এই মন্তব্যৰ পাছতেই ৰাজনৈতিক মহলত তুমুল চাঞ্চল্যৰ সৃষ্টি হৈছে। ইফালে, দেৱব্ৰত শইকীয়াই কংগ্ৰেছ দল ত্যাগ কৰা বুলি প্ৰচাৰ চলোৱা চক্ৰৰ বিৰুদ্ধে তেওঁ যে আইনী ব্যৱস্থা গ্ৰহণৰ পথত আগবাঢ়িব পাৰে, সেই বিষয়েও চৰ্চা চলিছে।

## অস্বাভাৱিক দাম বৃদ্ধি কৰিলে বাতিল হ’ব ট্ৰেড লাইচেন্স

গুৰুত্ব দিয়া হ’ব। এতিয়াৰে পৰা ৰাজ্যৰ সকলো খুচুৰা আৰু পাইকাৰী দোকানত অত্যাৱশ্যকীয় সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা মূল্য ৰাইজৰ সুবিধাৰ্থে স্পষ্টকৈ প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা হৈছে। এই ব্যৱস্থাই গ্ৰাহকক সঠিক মূল্য জানিবলৈ সহায় কৰিব আৰু ইয়াৰ দ্বাৰা ব্যৱসায়ীসকলৰ স্বেচ্ছাচাৰিতাও ৰোধ হ’ব বুলি আশা কৰা হৈছে। বজাৰত কৃত্ৰিম নাটনি বা অস্বাভাৱিক মূল্যবৃদ্ধিৰ জৰিয়তে গ্ৰাহকক হাৰাশাস্তি কৰা ব্যৱসায়ীসকলৰ বিৰুদ্ধে চৰকাৰে কঠোৰ হুংকাৰ প্ৰদান কৰিছে। চৰকাৰী নিৰ্দেশনাত স্পষ্টকৈ কোৱা হৈছে যে এনে কাৰ্যত লিপ্ত থকাটো প্ৰমাণিত হ’লে সংশ্লি-ষ্ট ব্যৱসায়ী প্ৰতিষ্ঠানৰ ব্যৱসায়িক অনুজ্ঞাপত্ৰ (ট্ৰেড লাইচেন্স) বাতিল কৰা হ’ব। লগতে প্ৰয়োজন সাপেক্ষে আইনী ব্যৱস্থাও গ্ৰহণ কৰা হ’ব বুলি সকীয়াই দিয়া হৈছে। বজাৰৰ তদাৰকী ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ উপায়ুক্ত, চেম্বাৰ অব্ কমাৰ্চ আৰু বিভিন্ন ব্যৱসায়িক সংস্থাসমূহক সাঙুৰি নিয়মীয়াকৈ সাপ্তাহিক পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হ’ব। ইয়াৰ উপৰিও, বজাৰত হঠাতে হোৱা মূল্যবৃদ্ধি ধৰা পেলাবলৈ আৰু ইয়াক প্ৰতিহত কৰিবলৈ বিষয়াসকলক ক্ষেত্ৰভিত্তিক পৰিদৰ্শন (ফিল্ড ভিজিট) তীব্ৰতৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিষয়াসকলে পোনপটীয়াকৈ দোকান-বজাৰ পৰিদৰ্শন কৰি মূল্য তালিকা যাচাই কৰিব। আনহাতে, এলপিজি চিলিণ্ডাৰ বিতৰণ প্ৰক্ৰিয়া অধিক সুশৃংখলিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে আধাৰ সংযোগ প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ বাবেও চৰকাৰে বিশেষ ঘোষণা কৰে। ইয়াৰ ফলত উপকাৰীসকলক জটিলতাৰ মাজেৰে নগৈ দ্ৰুতগতিত চিলিণ্ডাৰ লাভ কৰাত সহায়ক হ’ব বুলি আশা কৰা হৈছে। ৰাজ্য চৰকাৰে স্পষ্ট কৰি দিছে যে জনসাধাৰণৰ চিন্তা দূৰ কৰিবলৈ আৰু সমগ্ৰ অসমতে অত্যাৱশ্যকীয় সামগ্ৰীৰ নিয়মীয়া যোগান তথা সঠিক মূল্য নিৰ্ধাৰণ নিশ্চিত কৰিবলৈ চৰকাৰ সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ। ভৱিষ্যতে বজাৰৰ পৰিস্থিতি নিয়মীয়াভাৱে নিৰীক্ষণ কৰি প্ৰয়োজন সাপেক্ষে অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে জনায়।

## ২৩ মে’ত ক্ৰাইম ব্ৰাঞ্চত

হৈছে। এই গোচৰ সন্দৰ্ভত ইয়াৰ পূৰ্বেই ক্ৰাইম ব্ৰাঞ্চে পৱন খেৰাক দুদিন ধৰি জেৰা কৰিছিল। জেৰাৰ সময়ত পৱন খেৰাই ৰণদ্বীপ সিং সূৰ্যেৱালাৰ নাম লৈছিল বুলি সূত্ৰই জানিবলৈ দিয়ে। তথ্য অনুসৰি, পৱন খেৰাই ৰণদ্বীপ সিং সূৰ্যেৱালাৰ পৰা ভুৱা নথি-পত্ৰ লাভ কৰিছিল। গোচৰটোৰ গুৰুত্ব উপলব্ধি কৰিয়েই ক্ৰাইম ব্ৰাঞ্চে সম্প্ৰতি জেৰাৰ পৰিসৰ বহলাইছে। ইফালে, পৱন খেৰাক অহা ২৫ মে’ত পুনৰ ক্ৰাইম ব্ৰাঞ্চত হাজিৰ হৈ জেৰাত অংশগ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ পূৰ্বে তেওঁৰ জেৰাৰ সময়ত কেইবাটাও গুৰুত্বপূৰ্ণ তথ্য পোহৰলৈ অহাত জেৰা অব্যাহত ৰখাৰ প্ৰয়োজনীয়তা দেখা দিছে। ক্ৰাইম ব্ৰাঞ্চৰ এজন জ্যেষ্ঠ বিষয়াৰ মতে, “আমি পৱন খেৰাৰ পৰা পোৱা তথ্যৰ ভিত্তিতে ৰণদ্বীপ সিং সূৰ্যেৱালাকো জেৰা কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি চমন জাৰি কৰিছো। ২৩ মে’ত জেৰাত কি প্ৰকাশ পায়, তাৰ ওপৰতে গোচৰটোৰ ভৱিষ্যৎ গতিপথ নিৰ্ধাৰণ কৰা হ’ব।” এতিয়ালৈকে এই সন্দৰ্ভত ৰণদ্বীপ সিং সূৰ্যেৱালাৰ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ পোৱা নাই। কিন্তু কংগ্ৰেছৰ জ্যেষ্ঠ নেতাজন চমনৰ সন্মুখীন হোৱাত ৰাজনৈতিক মহলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অহা ২৩ মে’ত ক্ৰাইম ব্ৰাঞ্চত তেওঁ উপস্থিত হয় নে নহয়, সেই দিশলৈ সমগ্ৰ দেশে চাই আছে।

## অজাপ ত্যাগ ৰাজেন গোহাঁইৰ

সম্বোধন কৰি লিখা পদত্যাগ পত্ৰত ৰাজেন গোঁহায়ে ব্যক্তিগত কাৰণত দলৰ সকলো দায়িত্ব আৰু প্ৰাথমিক সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ ইচ্ছা প্ৰকাশ কৰে। অসমীয়া প্ৰতিদিন ডিজিটেলৰ সৈতে হোৱা এক সাক্ষাৎকাৰত গোঁহায়ে কয়, “ব্যক্তিগত কাৰণতে মই দলটো এৰিছো। আন কিছু কামত ব্যস্ত হ’ম বুলি পৰিকল্পনা কৰিয়েই এই সিদ্ধান্ত গ্ৰহণ কৰিছো।” তেখেতে কোনো নিৰ্দিষ্ট ৰাজনৈতিক অসন্তুষ্টি বা আন কোনো কাৰণ স্পষ্টভাৱে উল্লেখ নকৰিলে। উল্লেখযোগ্য যে, ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনত বঢ়মপুৰ সমষ্টিৰ পৰা অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল ৰাজেন গোঁহায়ে। এই নিৰ্বাচনত তেখেত বিজেপিৰ প্ৰাৰ্থী জিতু গোস্বামীৰ হাতত পৰাস্ত হয়। জিতু গোস্বামীয়ে ১, ১৭, ১২৭টা ভোট লাভ কৰাৰ বিপৰীতে ৰাজেন গোঁহায়ে লাভ কৰে মাত্ৰ ৬০, ৯৮৬টা ভোট। অসম জাতীয় পৰিষদৰ এজন বিশ্বস্ত সূত্ৰই জানিবলৈ দিয়া মতে, নিৰ্বাচনৰ সময়ত দলৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে ৰাজেন গোঁহাইৰ সমষ্টিত কোনো নিৰ্বাচনী সভাত অংশগ্ৰহণ নকৰাকৈ থকাত গোঁহাই গভীৰভাৱে ক্ষোভিত হৈ আছিল। এই ক্ষোভেই হয়তো তেখেতৰ দলত্যাগৰ মূল কাৰণ বুলি অনুমান কৰা হৈছে। উল্লেখ্য যে, ৰাজেন গোঁহাই অসম জাতীয় পৰিষদৰ ৰাজনৈতিক পৰিক্ৰমা কমিটিৰো অন্যতম মুখ্য সদস্য আছিল। ৰাজেন গোঁহাই অসমৰ ৰাজনীতিত এজন পৰিচিত মুখ। তেখেতে বিজেপিৰ ৰাজ্যিক সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে মোদী চৰকাৰৰ প্ৰথম কাৰ্যকালত কেন্দ্ৰীয় ৰে’ল মন্ত্ৰীৰ দায়িত্বও সাম্ভালিছিল। পিছলৈ তেখেতে বিজেপি এৰি অসম জাতীয় পৰিষদত যোগদান কৰিছিল। এতিয়া পুনৰ দলত্যাগ কৰাত তেখেতৰ অগ্ৰগতিৰ দিশটো চৌদিশে চৰ্চিত হৈ পৰিছে। অসম জাতীয় পৰিষদৰ ভিতৰুৱা কোন্দল আৰু দলটোৰ নেতৃত্বৰ শৈলীৰ বাবেই ৰাজেন গোঁহাইৰ দৰে জ্যেষ্ঠ নেতাই দল এৰি যাবলগীয়া হৈছে বুলি ৰাজনৈতিক বিশে-ষকসকলে মত পোষণ কৰিছে। ইফালে, ৰাজেন গোঁহাই আগামী দিনত কোনো নতুন ৰাজনৈতিক দল গঠন কৰে নে পূৰ্বৰ দল বিজেপিলৈ ঘূৰি যায়, সেই দিশলৈ সমগ্ৰ অসমে চাই আছে।

## কেৰালাৰ নতুন চৰকাৰক

বাক্য পাঠ কৰে। একে সময়তে আন ২০ গৰাকী বিধায়কে ৰাজ্য মন্ত্ৰীসভাৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। শপতগ্ৰহণ অনুষ্ঠান শেষ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেৰালাৰ নতুন মুখ্যমন্ত্ৰী ভি ডি সতীশনলৈ অভিনন্দন জ্ঞাপন কৰে। বৰ্তমান বিদেশ ভ্ৰমণত থকা প্ৰধানমন্ত্ৰীগৰাকীয়ে ছ’চিয়েল মিডিয়া প্লেটফৰ্ম ‘এক্স’ত পোষ্ট দি কেৰালাৰ নতুন চৰকাৰক শুভেচ্ছা জনায়। তেওঁ লিখে, “কেৰালাৰ মুখ্যমন্ত্ৰী হিচাপে শপত লোৱা ভি ডি সতীশনজীক অভিনন্দন। তেওঁৰ কাৰ্যকালৰ বাবে মোৰ শুভেচ্ছা ৰ’ল। ৰাজ্যবাসীৰ আকাংক্ষা পূৰণৰ ক্ষেত্ৰত নৱগঠিত কেৰালা চৰকাৰক কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহায় আৰু সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিছে।” ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসকলক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰায়। ২০ গৰাকী মন্ত্ৰীৰ কেবিনেটখনত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰমেশ চেন্নিথালা, কে মুৰালীধৰণ আৰু কেপিচিচিৰ সভাপতি ছানি জোছেফৰ লগতে ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগৰ নেতা পি কে কুনহালিকুট্টী, পিকে বছিৰ, এন ছামছুদ্দিন, কেএম শ্বাজি আৰু ভিই আব্দুল গফুৰো অন্তৰ্ভুক্ত। মন্ত্ৰী হিচাপে শপত লোৱা আন সদস্যসকল হৈছে— মন্স জোছেফ, শিবু বেবী জন, অনুপ জেকব, চিপি জন, এপি অনিল কুমাৰ, টি ছিদ্দিক, পিচি বিষ্ণুনাথ, ৰ’জী এম জন, বিন্দু কৃষ্ণ, এম লিজু, কেএ থুলাছি আৰু অ’জে জানেশ। শপতগ্ৰহণ অনুষ্ঠানত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধী, কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী ভাদ্ৰা, কংগ্ৰেছৰ সাধাৰণ সম্পাদক কেচি বেণুগোপালকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ কংগ্ৰেছ নেতাই উপস্থিত থাকে। ইয়াৰ লগতে কংগ্ৰেছ শাসিত আন কেইখনমান ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীও অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁলোকৰ ভিতৰত আছে— কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰমাইয়া, কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱন্ত ৰেড্ডী আৰু হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখবিন্দৰ সিং সুখু।

## প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ

সন্মান ‘গ্ৰেণ্ড ক্ৰছ অৱ দি ৰয়েল নৰৱেজিয়ান অৰ্ডাৰ অৱ মেৰিট’ প্ৰদান কৰে। নৰৱে আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাত প্ৰধানমন্ত্ৰীগৰাকীয়ে আগবঢ়োৱা অসাধাৰণ সেৱা আৰু অৱদানৰ স্বীকৃতিস্বৰূপে তেখেতক এই সন্মান প্ৰদান কৰা হয়। এই নতুন সন্মানৰ সৈতে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ কাৰ্যকালত বিভিন্ন বিদেশী ৰাষ্ট্ৰৰ পৰা লাভ কৰা আন্তঃৰাষ্ট্ৰীয় সন্মানৰ সংখ্যা ৩২ খনলৈ বৃদ্ধি কৰে। ইয়াৰ পূৰ্বে চুইডেন ভ্ৰমণকালতো তেখেতক দেশখনৰ সৰ্বোচ্চ সন্মান ‘ৰয়েল অৰ্ডাৰ অৱ পোলাৰ ষ্টাৰ কমাণ্ডাৰ গ্ৰেণ্ড ক্ৰছ’ প্ৰদান কৰা হৈছিল। উল্লেখ্য যে, চুইডেন চৰকাৰে বিদেশী ৰাষ্ট্ৰৰ মুৰব্বীক দিয়া সৰ্বোচ্চ স্বীকৃতি এইটো। প্ৰধানমন্ত্ৰী মোদী বৰ্তমান ১৫ মে’ৰ পৰা ২০ মে’লৈ আয়োজিত এক গুৰুত্বপূৰ্ণ পাঁচখন দেশৰ ভ্ৰমণসূচীত আছে। ইতিমধ্যে তেওঁ ইউ এ ই, নেদাৰলেণ্ড আৰু চুইডেন ভ্ৰমণ সমাপ্ত কৰি নৰৱেত উপস্থিত হৈছে। নৰৱে কাৰ্যসূচীৰ ভিতৰত প্ৰধানমন্ত্ৰী মোদীয়ে তৃতীয় ‘ভাৰত-নৰ্ডিক সন্মিলন’ত অংশগ্ৰহণ কৰিব। নৰৱেৰ কাৰ্যসূচী অন্ত পৰাৰ পিছত তেওঁ এই ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত ইটালী অভিমুখে ৰাওনা হ’ব। এই ভ্ৰমণে ভাৰতৰ বৈদেশিক সম্পৰ্কক নতুন উচ্চতালৈ লৈ যোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

## ভাৰতীয় টকাৰ অভিলেখ

ডলাৰৰ বিপৰীতে টকাৰ মূল্য প্ৰথমে ৯৬.২০ টকালৈ নামে, তাৰ কিছু সময়ৰ পাছত পুনৰ হ্ৰাস পাই ৯৬.২৫ টকাত উপনীত হয়। এইটো ভাৰতীয় মুদ্ৰাৰ ইতিহাসৰ আটাইতকৈ নিম্ন স্তৰ। টকাৰ অভিলেখ হ্ৰাসৰ সমান্তৰালকৈ সোমবাৰে ঘৰুৱা শ্বেয়াৰ বজাৰো ডাঙৰ বিপৰ্যয়ৰ সন্মুখীন হয়। বজাৰ মুকলি হোৱাৰ লগে লগে চেন্সে’ প্ৰায় ৯৫০ পইন্টলৈকে তললৈ নামিছিল।

## ডিব্ৰুগড়ত মঞ্চৰূপাৰ উদ্যোগত গীতে-মাতে ‘বসন্ত উৎসৱ’ উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, ডিব্ৰুগড়, ১৭ মে’ ঃ** ডিব্ৰুগড়ৰ অগ্ৰনী সাংস্কৃতিক অনুষ্ঠান “মঞ্চৰূপা”ৰ উদ্যোগত ১৫ মে’ত জীৱন ফুকন নগৰস্থিত পেঞ্চনাৰ ভৱনত গীত, নৃত্যৰ সমাহাৰেৰে বসন্ত উৎসৱ উদ্‌যাপন কৰা হয়। কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে হিয়াৰ আমঠু জুবিনগাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে মঞ্চৰূপাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী সংগীতা বৰুৱাই। ভাৰপ্ৰাপ্ত সম্পাদক অৰুণ চেতিয়াৰ তত্ত্বাৱধানত সকলো সদস্য সদস্যাই হাৰ্টথ্ৰ’ব জুবিন গাৰ্গৰ “মায়াবিনী ৰাতিৰ বুকুত” গীতটি পৰিৱেশন কৰি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে। কাৰ্য্যসূচী অনুযায়ী সহঃসম্পাদিকা জুলী দিহিঙ্গীয়াই অনুষ্ঠানটি পৰিচালনা কৰে। এই অনুষ্ঠানতে ”মঞ্চৰূপাৰ” তৰফৰ পৰা পেঞ্চনাৰ ভৱনৰ সভাপতি তথা ডিব্ৰুগড় জিলাৰ সাংস্কৃতিক মহাসভাৰ সভাপতি দিলীপ দাসক, পেঞ্চনাৰ ভৱনৰ সম্পাদক মৃদুল শৰ্মা, অসম বেংগলী ফেডাৰচনৰ সম্পাদক তাপস দাসৰ লগতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিনক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানটি গীতে-মাতে সজীৱ কৰি তোলে কুমুদ ৰঞ্জন দাস, অৰুণ চেতিয়া, জুলী দিহিঙ্গীয়া, ৰঞ্জন হাজৰিকা, মল্লিকা দাস, লক্ষ্মী বৰা, আশিস কুমাৰ ধৰ, ছাঁয়া ভূঁঞা, টুনুমনি বৰুৱা, মঞ্জু গগৈ, অনুপম দত্ত, অঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিন আহমেদ, মৌচুমী ভট্টাচাৰ্যী আদিয়ে। অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলৰ লগত বাদ্যযন্ত্ৰত সহযোগ কৰে ৰোহিনী গগৈ(কি-বৰ্ড), কুঞ্জন বৰপাত্ৰ গোহাঁই(তবলা), দেৱজিত গগৈয়ে(মেণ্ডলিন)। স্ব-ৰচিত কবিতা পাঠ কৰে সংগীতা বৰুৱাই। নৃত্য পৰিৱেশন কৰে তৰুলতা নেওগ, উত্তৰা শেনচোৱা, জিতুমনি গগৈয়ে। আৰু মৌচুমী ভট্টাচাৰ্যীয়ে। নৃত্যত দলীয় অংশগ্ৰহণকাৰী সকল হৈছে প্ৰানৱী পূজাৰী, নিৰ্বী অভিক কৌশিক, আনৱি শ্যাম, সম্ভৱী ভট্টাচাৰ্য্যী, প্ৰিয়াঞ্চি গোঁহাই, অদ্ৰিকা ভগত আৰু কুমকুম চেতিয়া। অনুষ্ঠানত কণমানী ৰিয়াঞ্চি দেৱীৰ বিহু নৃত্যই সকলোকে মোহিত কৰে। শলাগৰ শৰাই আগবঢ়ায় “মঞ্চৰূপা”ৰ কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে।

**সময়ৰ সদ্ব্যৱহাৰ কৰাসকলহে জীৱন ৰঙীণ হয় ঃ ড° দেৱজিৎ শইকীয়া**

# মাজুলীৰ ঘুনুচাবাৰীত কৃতী শিক্ষাৰ্থীৰ সম্ভাষণ অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৭ মে’ ঃ** “সময়ৰ সদ্ব্যৱহাৰ কৰিব জনাসকলেই জীৱনটোক ৰঙীণ কৰি তুলিবলৈ সক্ষম হয়। সময় হৈছে জীৱনৰ আটাইতকৈ মূল্যৱান সম্পদ। সেইবাবেই টাইম ইচ দ্য বেষ্ট হিলাৰ বুলি কোৱা হয়।” - এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। মাজুলীৰ ঘুনুচাবাৰী অঞ্চলৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক সম্ভাষণ জনোৱাৰ উদ্দেশ্য আজি ঘুনুচাবাৰীৰ আশাজ্যোতি যুৱ সংঘৰ বিশেষ উদ্যোগত আয়োজন কৰা হয় এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ নিৰ্দিষ্ট বক্তাৰ ভাষণ দি অধ্যক্ষ ড° শইকীয়াই শিক্ষাৰ্থীসকলক সম্বুধি কয়, সমাজক দিব পৰাখিনি দি যোৱাটো সকলোৰে কৰ্তব্য হোৱা উচিত। সম্বৰ্ধনা সভা উপলক্ষে পুৱা যুৱ সংঘৰ কৰ্মকৰ্তাসকলৰ সৌজন্যত পৰিৱেশ নিকাকৰণ কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত গাঁৱৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কৰা কাৰ্যসূচী আৰম্ভ কৰে বয়োজ্যেষ্ঠ লোক গোলাপ বৰুৱা আৰু ললিত ভূএগ্রাই। ঘুনুচাবাৰী গাঁৱৰ নামঘৰত দিনৰ ১১.০০ বজাৰ পৰা অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে স্থানীয় বয়োজ্যেষ্ঠ ব্যক্তি মহেন্দ্ৰ বৰাই। অনুষ্ঠানৰ আৰম্ভণিতে গাঁৱৰ মহিলাসকলে এটি দিহানাম পৰিৱেশন কৰে। আশাজ্যোতি যুৱ সংঘৰ হৈ অঞ্জন শইকীয়া আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক (অৱসৰপ্ৰাপ্ত) অধ্যক্ষ নৰেন্দ্ৰ শৰ্মাই। সভাখনি উদ্বোধন কৰি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা পৱিত্ৰ গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সফলতা লাভ কৰিবলৈ কঠোৰ সংগ্ৰাম কৰিবই লাগিব বুলি উল্লেখ কৰে। অঞ্চলটোৰ শতায়ু গৰকা ব্যক্তি বেণুধৰ শইকীয়া আৰু ভোগেশ্বৰ বৰাক সভাত সম্বৰ্ধনা জনোৱা হয়। উদযাপন সমিতিৰ তৰফৰ পৰা আদৰণী ভাষণ দিয়ে ঘুনুচাবাৰী আশাজ্যোতি যুৱ সংঘৰ সভাপতি অচ্যুত শইকীয়াই। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূএগ্রাই শিক্ষাৰ্থীসকলক নিজৰ কৰ্তব্যৰ প্ৰতি সদাসচেতন হৈ আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ আগবঢ়ায় সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, মাজুলী জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল শইকীয়া, শ্ৰীৰাম বনমালীদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ প্ৰসন্ন নাথ আৰু জেংৰাইমুখ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দেৱজিত শইকীয়াই। কৰিস্মা দেৱীৰ লোকগীত আৰু ৰাজশ্ৰী বৰাৰ ভূপেন্দ্ৰ সংগীতে সকলোকে মোহিত কৰে। আজিৰ সভাত অঞ্চলটোৰ পৰা সদ্যঘোষিত উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক অংগবস্ত্ৰ, কিতাপ টোপোলা, স্মাৰক, প্ৰশংসা পত্ৰ আদিৰে সম্বৰ্ধনা জনোৱা হয়। প্ৰায় দুই শতাধিক লোক উপস্থিত থকা সভাখনিৰ শেষত শলাগৰ শৰাই আগবঢ়ায় আশাজ্যোতি যুৱ সংঘৰ সম্পাদক সৌৰভজ্যোতি চমুৱাই।

# চপাই যুৱ কল্যাণ কেন্দ্ৰ-চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ উদ্যোগত প্ৰবীণ অভিনেতা, সাংস্কৃতিক সংগঠক মণিৰাম শৰ্মাক সম্বৰ্ধনা




**অসম বাৰ্তা, মঙলদৈ, ১৮ মে’ ঃ** চপাই যুৱ কল্যাণ কেন্দ্ৰ আৰু চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ উদ্যোগত আজি প্ৰবীণ অভিনেতা, সাংস্কৃতিক সংগঠক, ৰেচম বিভাগৰ অৱসৰপ্ৰাপ্ত পৰিদৰ্শক মণিৰাম শৰ্মাৰ লগত এক অন্তৰংগ আলাপ অনুষ্ঠান হয়। চপাই অধমাপাৰাৰ মণিৰাম শৰ্মাৰ বাসগৃহ ‘জিৰণি’ত বিয়লি ৩ বজাত হোৱা এই অনুষ্ঠানত শিল্পী গৰাকীক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰৰে সম্ভাষণ জনোৱাৰ লগতে তেওঁৰ সহধৰ্মিনী পুতুলী দেৱীকো উদ্যোক্তা সকলে ফুলাম গামোচাৰে সম্ভাষণ জনায়। আনহাতে সদৌ অসম ব্ৰাহ্মণ সভাৰ পূব মঙলদৈ শাখা, চপাই সাহিত্য সভা, চপাই পদুমপাহি মইনা পাৰিজাত, চপাই বণিক সন্থা, চপাই দুৰ্গাপূজা উদ্‌যাপন সমিতিয়েও মণিৰাম শৰ্মাক সম্ভাষণ জনায়। এই উপলক্ষে চপাই যুৱ কল্যাণ কেন্দ্ৰৰ সম্পাদক ৰমেশ চহৰীয়া আৰু চপাই থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদক গণেশ দত্তই আঁত ধৰা অনুষ্ঠানত নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মাই বন্তি প্ৰজ্বলন কৰি কয়- ‘প্ৰত্যাহ্বানৰ মাজতো বিভিন্ন ক্ষেত্ৰত উজলি উঠা ব্যক্তি হৈছে মণিৰাম শৰ্মা। নিজেই মঞ্চ নিৰ্মাণ কৰি, নাটক এখন মঞ্চস্থ কৰাৰ বাবে যি সামগ্ৰী প্ৰয়োজন তাক যা যোগাৰ কৰি মণিৰাম শৰ্মা আৰু তেওঁৰ সহযোগী সকলে দুৰ্দান্ত অভিনয় কৰি ৰাইজৰ মাজত প্ৰিয়ভাজন হৈ পৰিছিল।’ ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক লক্ষ্মীকান্ত শৰ্মাই বৃহত্তৰ চপাই অঞ্চলত নাটকৰ ধাৰাটো উজ্জীৱিত কৰাত মণিৰাম শৰ্মাৰ অৱদান অনন্য বুলি কয়। দৰং জিলা সাহিত্য সভাৰ উপসভাপতি কুঞ্জ দেৱীয়ে ৮৬ বছৰতো দুৰন্ত তৰুণ হৈ থকা মণিৰাম শৰ্মাৰ সু স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰি অভিনয়ৰ জৰিয়তে হাঁহিৰ খোৰাক যোগায়। মঙলদৈ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সূৰ্য্য কুমাৰ ডেকা, জেংৰাই অসমৰ সঞ্চালক বিশ্বজিৎ ডেকা, অভিনেতা ৰমণীমোহন শৰ্মা, চপাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৈলাস শৰ্মা, শিল্পী শৰৎ চন্দ্ৰ শৰ্মা, চপাই পদুমপাহি মইনা পাৰিজাতৰ সম্পাদক দুগ্ধ ডেকা, ৰক্তদাতা প্ৰদীপ দাস, প্ৰণিতা দেৱী, নাতিনী মূৰ্চনা শৰ্মা, শিল্পী উপেন চহৰীয়া, অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী কৰ্ণেশ্বৰ বৰুৱা, চপাই সাহিত্য সভাৰ সভাপতি নৱ কুমাৰ শৰ্মাই বক্তব্য প্ৰদান কৰা এই অনুষ্ঠানত তিতিক্ষা শৰ্মা, যুগজয়ী শৰ্মা, বসন্ত শৰ্মা, মৃত্তিকা শৰ্মা, মৃত্তিক শৰ্মাই গীত, সূৰ্য্য শৰ্মা, জিজ্ঞাস শৰ্মা, বেদান্ত শৰ্মা, শৰৎ চন্দ্ৰ শৰ্মা, পদ্মেশ্বৰ চহৰীয়াই কবিতা পাঠ কৰে। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি সূৰ্য্য শৰ্মাই মণিৰাম শৰ্মাৰ ‘জীৱন আৰু কৰ্ম’ সম্পৰ্কত লিখিত ভাষণ পাঠ কৰা এই অনুষ্ঠানত মণিৰাম শৰ্মাই স্কুলীয়া, চাকৰি আৰু সাংস্কৃতিক জীৱনৰ বহু ৰোমাঞ্চকৰ কাহিনী কয়। অনুষ্ঠানত গাঁওপ্ৰধান হিতেশ শৰ্মা, চপাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৈলাস চন্দ্ৰ শৰ্মা, ‘আশাৰ আলোক’- মানুহে মানুহৰ বাবে-দৰং, অসমৰ কোষাধ্যক্ষ গোলোক বৰা, কবি ইবিনাথ ৰাভা, সাহিত্য সমালোচক পুলিন কুমাৰ ডেকা, ৰুণু দেৱী, উত্তৰা দেৱী, দৰং জিলা নাট্য সন্মিলনীৰ সভাপতি মহেন্দ্ৰ ডেকা, সমাজসেৱক ধনমণি ডেকা, বনমালী ডেকা, ডম্বৰুধৰ ডেকা, সত্য ডেকা, হেমকান্ত বৰুৱা, হেমন্ত কুমাৰ শৰ্মা, জয়ন্ত শৰ্মা, শিক্ষয়িত্ৰী চুইটি ভট্ট, শুক্লেশ্বৰ বড়ো, যুৱ নেতা হেমন্ত কুমাৰ বৰুৱা, প্ৰবীণ ক্ৰীড়াবিদ ঠগেশ্বৰ বৰুৱা, মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ভৱেশ নাৰায়ণ চৌধুৰী, মণিকণ পাঠক, অমূল্য শৰ্মা, ক্ৰীড়াবিদ ডম্বৰুধৰ ডেকা, হিৰেণ কুমাৰ ডেকা, অৱসৰপ্ৰাপ্ত সেনা বিষয়া মোহন চন্দ্ৰ শৰ্মা, অৱসৰপ্ৰাপ্ত আৰক্ষী বিষয়া দেবেন বৰুৱাকে ধৰি শতাধিক লোক উপস্থিত থাকে।

# ডিব্ৰুগড়ত মঞ্চৰূপাৰ উদ্যোগত ব’হাগী উৎসৱ উদযাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৮ মে’ ঃ** ডিব্ৰুগড়ৰ অগ্ৰনী সাংস্কৃতিক অনুষ্ঠান ‘‘মঞ্চৰূপা’’ৰ উদ্যোগত ৩১ ব’হাগত(১৫ মে’) জীৱন ফুকন নগৰস্থিত পেঞ্চনাৰ ভৱনত গীত, নৃত্যৰ সমাহাৰেৰে বসন্ত উৎসৱ উদ্‌যাপন কৰা হয়। কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে হিয়াৰ আমঠু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰে মঞ্চৰূপাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী সংগীতা বৰুৱাই। ভাৰপ্ৰাপ্ত সম্পাদক অৰুণ চেতিয়াৰ তত্ত্বাৱধানত সকলো সদস্য সদস্যাই হাৰ্টথ্ৰ’ব জুবিন গাৰ্গৰ “মায়াবিনী ৰাতিৰ বুকুত”গীতটি পৰিৱেশন কৰি অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে। কাৰ্য্যসূচী অনুযায়ী সহঃসম্পাদিকা জুলী দিহিঙ্গীয়াই অনুষ্ঠানটি পৰিচালনা কৰে। এই অনুষ্ঠানতে “মঞ্চৰূপাৰ” তৰফৰ পৰা পেঞ্চনাৰ ভৱনৰ সভাপতি তথা ডিব্ৰুগড় জিলাৰ সাংস্কৃতিক মহাসভাৰ সভাপতি দিলীপ দাসক, পেঞ্চনাৰ ভৱনৰ সম্পাদক মৃদুল শৰ্মা, অসম বেংগলী ফেডাৰচনৰ সম্পাদক তাপস দাসৰ লগতে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ অঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিনক ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানটি গীতে-মাতে সজীৱ কৰি তোলে কুমুদ ৰঞ্জন দাস, অৰুণ চেতিয়া, জুলী দিহিঙ্গীয়া, ৰঞ্জন হাজৰিকা, মল্লিকা দাস, লক্ষ্মী বৰা, আশিস কুমাৰ ধৰ, ছাঁয়া ভূঁএগ্রা, টুনুমনি বৰুৱা, মঞ্জু গগৈ, অনুপম দত্ত, অঁনাতাৰ শিল্পী মিৰ্জা নিয়ামুদ্দিন আহমেদ, মৌচুমী ভট্টাচাৰ্যী আদিয়ে। অনুষ্ঠানত অংশগ্ৰহণকাৰী সকলৰ লগত বাদ্যযন্ত্ৰত সহযোগ কৰে ৰোহিনী গগৈ(কি-বৰ্ড), কুঞ্জন বৰপাত্ৰ গোহাঁই (তবলা), দেৱজিত গগৈয়ে(মেণ্ডলিন)। স্ব-ৰচিত কবিতা পাঠ কৰে সংগীতা বৰুৱাই। নৃত্য পৰিবেশন কৰে তৰুলতা নেওগ, উত্তৰা শেনচোৱা, জিতুমনি গগৈয়ে। আৰু মৌচুমী ভট্টাচাৰ্যীয়ে। নৃত্যত দলীয় অংশগ্ৰহণকাৰী সকল হৈছে প্ৰাণবী পূজাৰী, নিৰ্বী অভিক কৌশিক, আনৱি শ্যাম, সম্ভৱী ভট্টাচাৰ্য্যী, প্ৰিয়াঞ্চি গোঁহাই, অদ্ৰিকা ভগত আৰু কুমকুম চেতিয়া। অনুষ্ঠানত কণমানী ৰিয়াঞ্চি দেৱীৰ বিহু নৃত্যই সকলোকে মোহিত কৰে। শলাগৰ শৰাই আগবঢ়ায় “মঞ্চৰূপা”ৰ কাৰ্য্যকৰী সভানেত্ৰী জোনালী খাউণ্ডে।

# যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিৰ নতুন শাখা গঠন

**অসম বাৰ্তা, নকছাৰি, ১৮ মে’ ঃ** যোৰহাট জিলা লেখিকা সমাৰোহ সমিতিয়ে ১৪/৫/২০২৬ তাৰিখে “কুঁৱৰীপুখুৰী” ত এটা নতুন শাখা গঠন কৰে। ১৩২ নং কুঁৱৰীপুখুৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা সভাখন জিলা সমিতিৰ সভানেত্ৰী শকুন্তলা দেৱী, উপদেষ্টা অপৰাজিতা বৰপূজাৰী আৰু কাৰ্য্যকৰী সভানেত্ৰী কৰুণা গগৈ বৰাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। শকুন্তলা দেৱীয়ে সভাপতিত্ব কৰা সভাখনত আঁত ধৰে জিলা সমিতিৰ সম্পাদিকা ড° অঞ্জুমণি শইকীয়াই। সভাত প্ৰায় ৩০/৪০ গৰাকী মহিলা আৰু নৱ প্ৰজন্মৰ ছাত্ৰীৰ উপস্থিতিত শিক্ষয়ত্ৰী তথা আবৃত্তিকাৰ ৰূপৰেখা বৰুৱাক সভানেত্ৰী আৰু সুলেখিকা উদীপ্তা বৰা গগৈক সম্পাদিকা হিচাপে লৈ সৰ্বসন্মতিক্ৰমে এখন সম্পূৰ্ণ সমিতি গঠন কৰা হয়। নতুন সমিতি খনৰ সদস্যা সকলৰ উৎসাহ উদ্দীপনা আৰু শৃংখলিত আতিথ্যই সকলোকে মুগ্ধ কৰে। বিশিষ্ট ব্যক্তি হিচাপে কৰুণা গগৈ বৰা, জিলা সমিতিৰ সহকাৰী সম্পাদিকা দলি বৰা বৰুৱা, জয়ন্তী বৰুৱা, নৱ-নিৰ্বাচিত উপদেষ্টা দুলাৰী বৰুৱা, নৱ-নিৰ্বাচিত সভানেত্ৰী ৰূপৰেখা বৰুৱা, সম্পাদিকা উদীপ্তা বৰা গগৈ, কাৰ্য্যকৰী সভানেত্ৰী বিভা বৰুৱা আদিয়ে তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়ায়। আন্তৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত তথা নৱ-নিৰ্বাচিত আলোচনী সম্পাদিকা ৰেখা নেওগে এটি স্বৰচিত কবিতা আবৃত্তিৰে সভাঘৰ জীপাল কৰি তোলে। ইয়াৰ পাছত সভানেত্ৰী শকুন্তলা দেৱীয়ে তেখেতৰ সাৰুৱা ভাষণ প্ৰদান কৰে আৰু শলাগৰ থশৰাই আগবঢ়ায় ড° অঞ্জুমণি শইকীয়া আৰু উদীপ্তা বৰা গগৈয়ে। জাতীয় সংগীতেৰে সভাৰ অন্ত পৰে।

# ৰূপহীহাটৰ কাৰৈমাৰী জাতীয় বিদ্যা নিকেতনত কৃতি মানক সম্বৰ্দ্ধনা

**অসম বাৰ্তা, ৰূপহীহাট, ১৮ মে’ ঃ** ৰূপহীহাটৰ কাৰৈমাৰী জাতীয় বিদ্যানিকেতনত আজি প্ৰতিষ্ঠা দিৱসৰ ও সম্বৰ্ধনা সভাৰ আয়োজন কৰে। সভাখনৰ আৰম্ভণিতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদাঞ্জলি জনায় সভাৰ কাৰ্যসূচী আৰম্ভ কৰে। অতি ভিতৰুৱা অঞ্চলৰ আগশাৰীৰ ব্যক্তিগত শিক্ষা অনুষ্ঠান কাৰৈমাৰী জাতীয় বিদ্যানিকেতনৰ ছাত্ৰ-ছাত্ৰী সকলে বছৰে বছৰে হাইস্কুল শিক্ষান্ত চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ ফলাফলৰে গৌৰৱ অৰ্জন কৰি আহিছে। সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত চূড়ান্ত পৰীক্ষাত ৫৫ জন ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল যদিও তাৰে ভিতৰত ৩জন ডিষ্টিংচন, ৫জন ষ্টাৰ মাৰ্ক, ১০জন প্ৰথম বিভাগ আৰু ৩৭ জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। আজি বিদ্যালয় খনত কৃতি ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্ধনা জনায়। সম্বৰ্ধনা সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও কলেজ অফ এডুকেশ্বনৰ উপাধ্যক্ষ ড° শেৱালি বৰা, বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে নগাওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° প্ৰাৰ্থ প্ৰতিম ফুকনৰ, লগতে বহু কেইখন বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক-শিক্ষয়িত্ৰী, সমাজ সেৱক, অভিভাৱক, সকল। কাৰৈমাৰী জাতীয় বিদ্যানিকেতনৰ অধ্যক্ষ আব্দুল হাইয়ে উদ্দেশ্য ব্যাখ্যা কৰে কয় আজিৰ এই সম্বৰ্ধনা সভাৰ উদ্দেশ্য হল ছাত্ৰ-ছাত্ৰী সকল যাতে আগন্তুক দিনত আৰু ভাল ফলা ফল অৰ্জন কৰিবলৈ সক্ষম হয় তাৰ বাবে অনুপ্ৰেৰণা দিবলৈ সভাখন আয়োজন কৰা হৈছে। এইখন বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ বহু ছাত্ৰ-ছাত্ৰী চিকিৎসক, শিক্ষক হৈছে। এই বছৰতো কাৰৈমাৰী জাতীয় বিদ্যানিকেতনৰ ১০০ শতাংশ ফলাফল কঢ়িয়াই অনাত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ যথেষ্ট অৱদান আছে সেই কাৰণে সকলো শিক্ষক-শিক্ষয়িত্ৰী সকলকো বিদ্যালয় পৰিচালনা সমিতিৰ ফালৰ পৰা ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়।

# ধিং মহাবিদ্যালয়ত ভাৰতীয় জ্ঞান পৰম্পৰা বিষয়ক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত

**অসম বাৰ্তা, বটদ্ৰৱা, ১৮ মে’ ঃ** নগাঁও জিলাৰ ধিং মহাবিদ্যালয়ৰ লক্ষ্মী কান্ত মহন্ত সোঁৱৰণী সভা গৃহত ভাৰতীয় জ্ঞান পৰম্পৰা বিষয়ক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানটি সৰস্বতী বন্দনাৰে বন্তি প্ৰজ্বলন কৰে নতুন দিল্লী অখিল ভাৰতীয় ইতিহাস সংকলন যোজনা ৰাষ্ট্ৰীয় মহা সচিব হেমন্ত ধিং মজুমদাৰে। ধিং মহাবিদ্যালয় অধ্যক্ষ ড° বিমান হাজৰিকা সভাপতিত্বত অনুষ্ঠিত সভাৰ আদৰণি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি হেমন্ত ধিং মজুমদাৰে ভাৰতীয় ইতিহাস সংকলনৰ ওপৰত বক্তব্য ৰাখে। সভাত বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰ দেৱ মহাবিদ্যালয় অধ্যক্ষ ড° নমিতা কলিতা, ড° জুৰি শৰ্মা, ধিং মহাবিদ্যালয় উপাধ্যক্ষ ড° স্নিগ্ধা মহন্ত, ধিঙৰ জ্যেষ্ঠ নাগৰিক তথা অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক নিত্যানন্দ বৰা, ডাঃ মুকুট দেৱ নাথ, অৱসৰ প্ৰাপ্ত শিক্ষক যাদৱ বৰা আদি কেইবা গৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে অধ্যাপক-অধ্যাপিকাৰ আৰু প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। আনহাতে উক্ত অনুষ্ঠানৰ পিছতে আই চি টি শ্ৰেণী কোঠা এটাও নতুন দিল্লী অখিল ভাৰতীয় ইতিহাস সংকলন যোজনা ৰাষ্ট্ৰীয় মহা সচিব হেমন্ত ধিং মজুমদাৰে উদ্বোধন কৰে।

# গাম্ভীৰ্যপূৰ্ণ কাৰ্যসূচীৰে অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাটৰ অধিৱেশন

**ড° প্ৰাপ্তি ঠাকুৰক জীৱ-জগত দৰদী বঁটা; সাংবাদিকতা, সংগঠক বঁটা প্ৰদান আৰু বিশেষ সম্বৰ্ধনা**



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১৮ মে’ ঃ** অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাট জিলা সমিতিৰ চতুৰ্থ বাৰ্ষিক অধিৱেশন, বঁটা প্ৰদান অনুষ্ঠান আৰু বিশেষ সম্বৰ্ধনা গাম্ভীৰ্যপূৰ্ণ দিনজোৱা কাৰ্যসূচীৰে আজি অনুষ্ঠিত হৈ যায়। গোলাঘাট এমেছাৰ থিয়েটাৰ চচাইটিৰ প্ৰেক্ষাগৃহত বিশাল সমাৰেশত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট প্ৰকৃতি, জীৱ-জন্তুপ্ৰেমী, শিক্ষাবিদ, লেখক, সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰক জীৱ-জগত দৰদী বঁটা প্ৰদান কৰা হয়। গামোচা, চেলেং, সঁফুৰা, স্মাৰক, সম্বৰ্ধনা পত্ৰ আদিৰে বিপুল সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে, ড° প্ৰাপ্তি ঠাকুৰে শৈক্ষিক, বৌদ্ধিক, সামাজিক ক্ষেত্ৰখনলৈ বলিষ্ঠ অৱদান আগবঢ়োৱাৰ লগতে দীৰ্ঘ দিন জীৱ-জন্তু, প্ৰকৃতি সংৰক্ষণৰ বাবে নিঃস্বাৰ্থ অৱদান আগবঢ়াইছে। প্ৰাপ্তি ফাউণ্ডেশ্যনৰ জন্ম দি বহু বছৰ ধৰি জীৱ-জন্তুৰ সুৰক্ষা, আশ্ৰয়, আহাৰ আদি যোগান ধৰি মহানুভৱতা প্ৰদৰ্শন কৰিছে। জাৰ্ণেলিষ্ট ইউনিয়নৰ, গোলাঘাট জিলা সমিতিৰ সভাপতি জয়ন্ত গগৈৰ সভাপতিত্বত, বিশিষ্ট সাংস্কৃতিক কৰ্মী আব্দুল কাছিমে আঁত ধৰা অনুষ্ঠানত প্ৰবীণ সাংবাদিক জিতু শৰ্মা ৰাজখোৱাক ‘সাংবাদিকতাৰ জীৱনজোৰা সাধনা বঁটা’ আৰু প্ৰবীণ সাংবাদিক, সমাজকৰ্মী দিগন্ত কুমাৰ ভূএগ্রাক ‘সাংবাদিকতা আৰু শ্ৰেষ্ঠ সংগঠক বঁটা’ প্ৰদান কৰে। অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনায় সমাজকৰ্মী পূৰ্ণ ৰাজখোৱা, জিতু শইকীয়া আৰু কৃতি ব’ৰ, ৰাষ্ট্ৰীয় বঁটাৰ বিষয়ববীয়া দিগন্ত নাথক। অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি অভিৱৰ্তন গোস্বামীয়ে। মুকলি সভা শুভ উদ্বোধন কৰে আটছা, গোলাঘাট জিলা সমিতিৰ সভাপতি সুশীল কালিন্দীয়ে। মুকলি সভাত ডাঃ শ্ৰীবৎস গোপাল গোস্বামীৰ ‘গছতলৰ হোটেল’ গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট সাহিত্যিক পূণেশ্বৰ পূজাৰীয়ে। সভাত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° পুতুল চন্দ্ৰ শইকীয়া, বিশিষ্ট শিক্ষাবিদ ড° লুকুমণি গোস্বামী, অল ইণ্ডিয়া জাৰ্ণেলিষ্ট ইউনিয়নৰ কেন্দ্ৰীয় সভাপতি প্ৰকাশ কায়স্থ, ৰাজ্যিক সম্পাদক জিয়াউদ্দিন আহমেদ, বিশিষ্ট শিক্ষাবিদ ড° তৰালী গগৈ, গোলাঘাট নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ দাস, আটছা, গোলাঘাট জিলা সমিতিৰ সাধাৰণ সম্পাদক মনোজ মহানন্দ, পশ্চিম গোলাঘাট শাখা সাহিত্য সভাৰ সম্পাদক স্বাগতা বৰা, বিশিষ্ট লেখিকা, কবি হেমা চৌধুৰী গগৈ, জিলা পৰিষদৰ সদস্য বেদান্ত গোঁহাই, সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সম্পাদক নিপন গগৈ, সাংস্কৃতিক কৰ্মী ৰেকিব শ্বাহ, অনুসূচিত জাতি ছাত্ৰ সন্থাৰ জিলা সভাপতি মাধুৰ্য দাস, বিশিষ্ট সাংস্কৃতিক কৰ্মী দীপজ্যোতি বৰা ফুকন আদিয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। পুৱা ভাগত পতাকা উত্তোলন কৰে জয়ন্ত গগৈয়ে। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে জাৰ্ণেলিষ্ট ইউনিয়ন, গোলাঘাট জিলা সমিতিৰ সম্পাদক বিদ্বান বৰদলৈ আৰু সহকাৰী সম্পাদক নজৰুল হুছেইনে। ছাত্ৰ-ছাত্ৰীৰ মাজত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে সমাজকৰ্মী তনুজ কুমাৰ মহন্তই।

**বিধায়ক অশ্বিনী কুমাৰ ৰায় চৰকাৰৰ গুৰুত্বপূৰ্ণ ঘোষণা**

# গোলকগঞ্জত জাকজমকতাৰে ৰবীন্দ্ৰ জয়ন্তী উদ্‌যাপন

**অসম বাৰ্তা, গোলকগঞ্জ, ১৮ মে’ ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ দেৱনাথ পাৰা পুৰণি কালী মন্দিৰ প্ৰেক্ষাগৃহত ২৫ ব’হাগ উপলক্ষে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তী অত্যন্ত উলহ-মালহেৰে উদযাপন কৰা হয়। ৰুনা দেৱনাথৰ বিশেষ উদ্যোগত আয়োজিত এই অনুষ্ঠানত অঞ্চলটোৰ সাংস্কৃতিক অনুৰাগীসকলৰ ব্যাপক সমাগম পৰিলক্ষিত হয়। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত এই জয়ন্তীৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নৃত্য, ৰবীন্দ্ৰ সংগীত, আবৃত্তি আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। নৱপ্ৰজন্মৰ মাজত কবিগুৰুৰ আদৰ্শ আৰু সৃষ্টিৰাজিক জীয়াই ৰখাৰ উদ্দেশ্যে আয়োজিত এই সাংস্কৃতিক সমাৰোহে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৬নং বিধান সভা সমষ্টিৰ বিধায়ক অশ্বিনী কুমাৰ ৰায় চৰকাৰে উদ্যোক্তা ৰুনা দেৱনাথৰ এই প্ৰচেষ্টাৰ উচ্চ প্ৰশংসা কৰে। ভাষণ প্ৰসংগত বিধায়কগৰাকীয়ে আক্ষেপ প্ৰকাশ কৰি কয় যে বৰ্তমান সময়ত নৱপ্ৰজন্মৰ মাজত নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি ধীৰে-ধীৰে আগ্ৰহ হ্ৰাস পাইছে। এনে পৰিপ্ৰেক্ষিতত নতুন প্ৰজন্মক সাহিত্য-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰতিবছৰে এনেদৰে ৰবীন্দ্ৰ জয়ন্তী পালন কৰাটো অতি প্ৰয়োজনীয়। ভাষণৰ মাজতে তেওঁ এক বিশেষ ঘোষণা কৰি কয় যে, আগন্তুক ৰাজহুৱা ৰবীন্দ্ৰ জয়ন্তীত তেওঁৰ তৰফৰ পৰা এটি কবিগুৰুৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰি দিয়া হ’ব। অনুষ্ঠানটোত অঞ্চলটোৰ বহু গণ্যমান্য ব্যক্তি, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি কাৰ্যসূচীটো সফল কৰি তোলে। প্ৰতিযোগিতাৰ অন্তত বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়।

# ১ৰ পৰা ১২ জুনলৈ অৰুণাচল প্ৰদেশত অনুষ্ঠিত হ’ব অগ্নিবীৰ নিযুক্তি পৰীক্ষা

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৮ মে’ ঃ** অহা ১ৰ পৰা ১২ জুনলৈ অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত নিৰ্দিষ্ট পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হ’ব ‘আৰ্মী কমন এণ্ট্ৰেন্স পৰীক্ষা (ARCEE), ২০২৭’। এই নিযুক্তি প্ৰক্ৰিয়াৰ বাবে অগ্নিবীৰ পঞ্জীয়ন কৰা অৰুণাচল প্ৰদেশৰ যোগ্য প্ৰাৰ্থীসকলক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অফিচিয়েল নিযুক্তি ৱেবছাইট www.joinindianarmy.nic.inৰ পৰা এডমিট কাৰ্ড ডাউনলোড কৰি সবিশেষ ভালদৰে পৰীক্ষা কৰিবলৈ আহ্বান জনোৱা হৈছে। এডমিট কাৰ্ডত উল্লেখ কৰা নিৰ্ধাৰিত সময়ৰ বহু আগতেই পৰীক্ষাৰ্থীয়ে নিজ নিজ পৰীক্ষা কেন্দ্ৰত উপস্থিত হ’ব লাগিব। পৰীক্ষাৰ স্থানত প্ৰৱেশৰ অনুমতি কেৱল কোনো এবিধ বৈধ ফটো পৰিচয় প্ৰমাণৰ সৈতে বৈধ এডমিট কাৰ্ড দেখুৱালেহে দিয়া হ’ব। পৰীক্ষা সম্পৰ্কীয় সকলো নিৰ্দেশ কঠোৰভাৱে মানি চলিবলৈ আৰু পৰীক্ষা পৰিচালনাৰ সমগ্ৰ সময়ছোৱাত অনুশাসন বজাই ৰাখিবলৈ পৰীক্ষাৰ্থীসকলক আহ্বান জনোৱা হৈছে। কোনো ধৰণৰ অলাগতিয়াল সামগ্ৰী, ইলেক্ট্ৰনিক গেজেট ব্যৱহাৰ আৰু অসৎ উপায় অৱলম্বনত জড়িত হ’লে তেনে পৰীক্ষাৰ্থীক অযোগ্য ঘোষণা কৰাৰ লগতে অধিক অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ’ব। পৰীক্ষা সুচাৰুৰূপে পৰিচালনাৰ বাবে সকলো পৰীক্ষা কেন্দ্ৰতে প্ৰয়োজনীয় ব্যৱস্থা কৰা হৈছে। এইবিষয়ে অধিক তথ্য জানিবলৈ আৰু বিশদ নিৰ্দেশনাৰ বাবে প্ৰাৰ্থীসকলে সেনা নিযুক্তি কাৰ্যালয়, যোৰহাটৰ হেল্পলাইন নম্বৰত যোগাযোগ কৰিব পাৰে: ৭৯১৬৯০১৯৬৩১৯৩, (ইমেইল: ap.upper@nic.in)। প্ৰাৰ্থীসকলে প্ৰয়োজনীয় স্পষ্টীকৰণৰ বাবে www.joinindianarmy.nic.in ত যিকোনো ধৰণৰ প্ৰশ্নও কৰিব পাৰে বুলি অৰুণাচল প্ৰদেশৰ তথ্য আৰু জনসংযোগ বিভাগৰ তৰফৰ পৰা জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে।

# চুৰি গৰু সৰবৰাহকাৰীক জে’ললৈ প্ৰেৰণ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৮ মে’ ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত চাউলধোৱা আৰক্ষীয়ে ১৫ মে’ৰ নিশা এ এছ ২১ এ চি ২৩৮৩ নম্বৰৰ বলেৰ’ পিকআপ বাহনখনত ৯ টাকৈ চুৰি গৰু সৰবৰাহ কৰিবলৈ যত্ন কৰি গ্ৰেপ্তাৰ হোৱা লোকজনক আজি লখিমপুৰ জিলা আদালতৰ জৰিয়তে জে’ল হাজোতলৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে। জে’ললৈ প্ৰেৰণ কৰা লোকজন হৈছে নগাঁও জিলাৰ চামগুৰি থানাৰ অন্তৰ্গত বৰমা বিলৰ আব্দুল হুছেইনৰ পুত্ৰ ছাদ্দাম হুছেইন(২৮)। এইঅভিযানত নেতৃত্ব প্ৰদান কৰিছিল চাউলধোৱা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অভিজিৎ গগৈয়ে।

# পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন আৰু বহু ৰাষ্ট্ৰীয়কৃত কোম্পানী চান ফাৰ্মাৰ যৌথ উদ্যোগত কেঞ্চাৰ স্ক্ৰীনিং কাৰ্যসূচীৰ শুভাৰম্ভণি

**অসম বাৰ্তা, মঙলদৈ, ১৮ মে’ ঃ** কামৰূপ গ্ৰাম্য জিলাৰ পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন আৰু বহু ৰাষ্ট্ৰীয়কৃত কোম্পানী চান ফাৰ্মাৰ যৌথ উদ্যোগত আজি পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ত কেঞ্চাৰ স্ক্ৰীনিং কাৰ্যসূচীৰ শুভাৰম্ভণি কৰে। সামাজিক দায়বদ্ধতাৰ গুৰুত্ব আৰোপ কৰি বহু ৰাষ্ট্ৰীয়কৃত কোম্পানী চান ফাৰ্মাই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনলৈ আৰ্থিক সাহায্য আগবঢ়াই জনসাধাৰণৰ আগতীয়াকৈ কৰ্কট ৰোগ চিনাক্তকৰণৰ লগতে সাৱধানতা আৰু সজাগতাৰ ওপৰত ৰাইজক সজাগ কৰিবৰ বাবে লগতে মুখ্য কৰ্কট ৰোগ, জৰায়ু কৰ্কট ৰোগ, স্তন কৰ্কট ৰোগৰ আগতীয়া চিনাক্তকৰণৰ বাবে আগতিয়া কেন্সাৰ স্ক্ৰীনিং কাৰ্যসূচী ৰ আজি শুভাৰম্ভণি কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কৰ্মচাৰী নিৰঞ্জন শইকীয়াই আঁতধৰা কাৰ্যসূচীত কেন্সাৰ স্ক্ৰীনিং কাৰ্যসূচী ৰ শুভাৰম্ভণি কৰে কামৰূপ গ্ৰাম্য জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অজিত দাসে। এই কাৰ্যসূচীত উপস্থিত থাকি কৰ্কট ৰোগৰ সজাগতা, লক্ষণ, সাৱধানতা, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ বিষয়ৰ লগতে কেন্সাৰ স্ক্ৰীনিং কাৰ্যসূচীৰ ওপৰত সবিশেষ আগবঢ়ায় অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ তৰফৰপৰা উপস্থিত থকা ডাঃ (কৰ্ণেল) চৈয়দ ইফটিখাৰ চোভানীয়ে। চান ফাৰ্মাই জনসাধাৰণৰ বাবে সামাজিক দায়বদ্ধতা ৰ বাবে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কেন্সাৰ স্ক্ৰীনিং ৰ বাবে আগবঢ়োৱা আৰ্থিক সহায় ৰ বিষয়ে সবিশেষ আগবঢ়াই চান ফাৰ্মাৰ চাইড হেড ডাঃ ৰঞ্জিত মহাপ্ৰাত্ৰ আৰু চান ফাৰ্মাৰ কৰ্মচাৰী অবিনাশ চৌহানে। উপস্থিত থকা ৰাইজৰ পৰা বক্তব্য আগবঢ়ায় পলাশবাৰী ৰাজ্যিক চিকিৎসালয় পৰিচালনা সমিতিৰ সভাপতি অমিয় কলিতাই। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন আৰু বহু ৰাষ্ট্ৰীয়কৃত কোম্পানী চান ফাৰ্মাৰ যৌথ উদ্যোগত আজি শুভাৰম্ভণি কৰা কেন্সাৰ স্ক্ৰীনিং কাৰ্যসূচীত উপস্থিত থাকে বহু ৰাষ্ট্ৰীয়কৃত কোম্পানী চান ফাৰ্মাৰ মুখ্য মানৱ সম্পদ বিষয়া তেইবিৰ সিং, কোৱালিটি মুখ্য বিষয়া অতুল বিজয় বাৰ্গিয়া, কামৰূপ গ্ৰাম্য জিলাৰ জ্যেষ্ঠ চিকিৎসা বিষয়া ডাঃ গৰ্গৰাম মালী, পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ ৰীমা দাস, পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ৰ চিকিৎসক ডাঃ স্মিতা দাস, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কৰ্মচাৰী জাণ্টু দে, সংযুক্তা কাশ্যপ, দীপমনি শৰ্মা, ৰেবিকা তাঁন্তি, ডাঃ দ্বিপানিতা ৰ’ৱাট, চাহনাজ বেগম, পলাশবাৰী গাঁৱৰ গাঁও প্ৰধান জিতেন কলিতাৰ লগতে আশা কৰ্মী সকল, পলাশবাৰী ৰাজ্যিক চিকিৎসালয়ৰ কৰ্মচাৰী সকল আৰু শতাধিক ৰাইজ উপস্থিত থাকে।

# চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়ত্ৰী, কৰ্মচাৰী সমাৰোহ

**অসম বাৰ্তা, চেলেংহাট, ১৮ মে’ ঃ** যোৰহাট জিলাৰ ভিতৰতে এখন পুৰনি আৰু ঐতিহ্যমণ্ডিত শিক্ষাপ্ৰতিষ্ঠান চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰী, শিক্ষক শিক্ষয়ত্ৰী আৰু কৰ্মচাৰী সমাৰোহৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। অহা ২৩ আৰু ২৪ মে’ তাৰিখে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সমাৰোহখন অনুষ্ঠিত হ’ব। কাৰ্যসূচীৰ অনুসৰি ২৩ মে’ শনিবাৰে পুৱা বিদ্যালয়ৰ পতাকা আৰু উদযাপন সমিতিৰ পতাকা উত্তোলন, স্মৃতি তৰ্পন, গছপুলি ৰোপণ কৰাৰ পাছতেই বিদ্যালয়খনৰ প্ৰথম গৰাকী প্ৰধান শিক্ষক দুৰ্গেশ্বৰ বৰুৱাৰ আৱক্ষ মূৰ্তি উন্মোচন কৰিব অৱসৰপ্ৰাপ্ত অতিৰিক্ত আৰক্ষী অধীক্ষক তথা বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰী ইলা গগৈ চক্ৰৱৰ্তীয়ে। স্মৃতিসৌধ উন্মোচন কৰিব প্ৰাক্তন ছাত্ৰ তৃণমল আগৰৱালাই। দিনৰ ১১ বজাত সমাৰোহৰ মঞ্চ আৰু মণ্ডপ উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ তথা অৱসৰী শিক্ষক ধৰ্ম বৰুৱাই। দিনৰ ১২ বজাত বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া বিনোদ গগৈৰ সঞ্চালনাত অনুষ্ঠিত হ’ব “হেৰুৱা স্মৃতিৰ মিঠা আবেলি” শীৰ্ষক প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন আৰু গুৰু সেৱা অনুষ্ঠান। ইয়াৰ পিছতে প্ৰাক্তন ছাত্ৰী তথা অৱসৰী প্ৰশাসনিক বিষয়া গীতাঞ্জলী দত্তৰ সভাপতিত্বত অনুষ্ঠিত হ’ব লগা স্মৃতিগ্ৰন্থ উন্মোচনী অনুষ্ঠানত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব প্ৰাক্তন ছাত্ৰ তথা অৱসৰী প্ৰশাসনিক বিষয়া নিৰোদ ৰঞ্জন বিশ্বাসে। সন্ধিয়া অনুষ্ঠিত হ’ব লগা সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰী অমিয়া গগৈয়ে। কাৰ্যসূচীৰ দ্বিতীয় দিনা সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব প্ৰাক্তন অধ্যক্ষ দিগন্ত কুমাৰ শইকীয়াই। দিনৰ ১১ বজাত যোৰহাট জিলা কুইজ সন্থাৰ পৰিচালনাত অনুষ্ঠিত হব লগা কুইজ প্ৰতিযোগিতা উদ্বোধন কৰিব প্ৰাক্তন প্ৰধান শিক্ষক কাশীনাথ পাত্ৰই। দিনৰ ১১ বজাত উদ্‌যাপন সমিতিৰ সভাপতি জানুৰাম কুৰ্মীৰ সভাপতিত্বত অনুষ্ঠিত হ’ব লগা মুকলি সভা উদ্বোধন কৰিব যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়াই। সভাত আউনীআটি বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য মণ্ডিত বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। স্থানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী, প্ৰাক্তন ছাত্ৰ তথা শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈ, যোৰহাট জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক বুলি গগৈ ভূঞা, অৱসৰী শিক্ষা বিষয়া কমলজ্যোতি গগৈ, প্ৰাক্তন ছাত্ৰী তথা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ডাঃ নিকুঞ্জলতা দত্তই সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্ধিয়া স্থানীয় শিল্পী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা পৰিবেশন কৰিব লগা “গান্ধাৰীৰ কৃষ্ণৰূপ দৰ্শন” নাট ভাওনা উদ্বোধন কৰিব অধ্যাপক ড° মণ্টু কুমাৰ বৰাই। সমাৰোহৰ দুয়োদিনৰ কাৰ্যসূচীত সকলোৰে উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

**৩০ বছৰে হত্যাকাৰীক কৰায়ত্ত কৰিব নোৱাৰাটো দুৰ্ভাগ্যজনক ঃ অধ্যাপক দেৱজিৎ ফুকন**

# গোলাঘাট মিডিয়া ফ’ৰামৰ উদ্যোগত শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসক স্মৰণ

**অসম বাৰ্তা ষ্টাফ ৰিপ’ৰ্টাৰ, গোলাঘাট, ১৮ মে’ ঃ** আজি শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসৰ ৩০ সংখ্যক মৃত্যু তিথিৰ দিনটোত গোলাঘাট মিডিয়া ফ’ৰামৰ উদ্যোগত অনুষ্ঠিত কৰা হয় এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। গোলাঘাট পৌৰসভা কাৰ্যালয়ৰ সন্মুখত থকা শ্বহীদ সাংবাদিক পৰাগ কুমাৰ দাসৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ ডীন, অধ্যাপক ড° দেৱজিৎ ফুকনে। সাংবাদিক পৰাগ কুমাৰ দাসৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ড° ফুকনে কয় অসমৰ জাতীয় জীৱনৰ এগৰাকী পুৰোধা ব্যক্তি, আপোচহীন সংগ্ৰামী, বিপ্লৱী শ্বহীদ পৰাগ কুমাৰ দাসৰ আজি ৩০ সংখ্যক মৃত্যু বাৰ্ষিকীক আমি তেখেতখ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিছোঁ আৰু এই ৩০ বছৰৰ পাছতো তেখেতৰ হত্যাকাৰীক কৰায়ত্ত কৰিব নোৱাৰা বিষয়টোত গভীৰ উদ্বেগ প্ৰকাশ কৰিছোঁ। ইয়াৰ উপৰিও পৰাগ কুমাৰ দাসে যি সমূহ জাতীয় প্ৰশ্ন উত্থাপন কৰি গৈছিল সেই প্ৰশ্নসমূহ আজিও অমীমাংসিত হৈ আছে। সেই জাতীয় প্ৰশ্ন সমূহৰ ওপৰত আজিও এক গণ আন্দোলনৰ প্ৰয়োজন আছে। অসমীয়াৰ সুৰক্ষাৰ স্বাৰ্থত যুৱ-প্ৰজন্মই পৰাগ কুমাৰ দাসৰ আদৰ্শক অনুসৰণ কৰি অসমীয়া জাতিৰ স্বাৰ্থত আগবাঢ়ি যাওক তাকে কামনা কৰিছোঁ। আনহাতে সাংবাদিক গৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদক বিদ্যুৎ শইকীয়াই কয় পৰাগ কুমাৰ দাসে অসমীয়া জাতীয় অৰ্থনীতিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ভৱিষ্যত অসমৰ ক্ষেত্ৰত তেখেতে যি ৰূপৰেখা প্ৰস্তুত কৰিছিল সেইয়া আজিলৈকে তেখেতৰ অবৰ্তমানত সম্ভৱপৰ হৈ নুঠিল। অসমীয়া জাতি কেনেধৰণে আগবাঢ়ি যাব লাগে সেই সম্পৰ্কত তেখেতে লিখা মেলা কৰিছিল সেই বাবে ভাৰত ৰাষ্ট্ৰই পৰাগ কুমাৰ দাসক ভয় কৰিছিল আৰু তাৰ বাবে কিছু অসমীয়া জাতিৰ শত্ৰুৰ জৰিয়তে পৰাগ কুমাৰ দাসক হত্যা কৰিছিল। তেখেতক কোনে হত্যা কৰিছিল সকলোৱে জানে, কিন্তু তাৰ পিছতো আজিলৈকে হত্যাকাৰীয়ে শাস্তি নাপালে। যাৰ বাবে আজিও আমাৰ মনত প্ৰশ্ন উত্থাপন হয় যে কিয় তেখেতৰ হত্যাকাৰীয়ে শাস্তি নাপালে। কিয় তেখেতৰ হত্যাকাৰীক ৰক্ষণাবেক্ষণ দিয়া হ’ল আৰু আজিৰ এই দিনটোতে পুনৰ চৰকাৰক দাবী পৰাগ কুমাৰ দাসৰ হত্যাকাৰীক বিচাৰি শাস্তি প্ৰদান কৰিবলৈ দাবী জনাই ছোঁ। গোলাঘাট মিডিয়া ফ’ৰামৰ সম্পাদকদ্বয় ক্ৰমে পঙ্কজ হাজৰিকা আৰু মোস্তাক হুছেইনে আঁতধৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সদৌ অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক নিপন গগৈৰ লগতে কেই বাটাও সংগঠনে তেখেতৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# শিঙৰী আৰক্ষীৰ বৃহৎ সফলতা; ৪০টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ দুই যুৱকক আটক

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৮ মে’ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত শিঙৰী আৰক্ষীয়ে পুনৰ এবাৰ ড্ৰাগছ বিৰোধী অভিযানত বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। শিঙৰী আৰক্ষী চকী এলেকাৰ ২ নং চিতলমাৰীত চলোৱা এক বিশেষ অভিযানত আৰক্ষীয়ে ৪০টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে দুগৰাকী যুৱকক আটক কৰে। প্ৰাপ্ত তথ্য অনুসৰি শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থৰ নিৰ্দেশত ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাস আৰু ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসৰ সুপৰিকল্পনাৰে শিঙৰী আৰক্ষীয়ে এই ড্ৰাগছ বিৰোধী অভিযান চলাইছিল। শিঙৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া চমদন স্বৰ্গীয়াৰীৰ নেতৃত্বত আৰু এ এছআই দীপক মালাকাৰৰ সহযোগত চলোৱা এই অভিযানত আৰক্ষীয়ে সন্দেহজনকভাৱে মটৰচাইকেলেৰে ঘূৰি ফুৰা দুই যুৱকক আটক কৰে। আটকাধীন যুৱক দুজন হৈছে নেকিবুৰ ইছলাম আৰু ফৰিদুল ইছলাম। তল্লাচী চলোৱাৰ সময়ত তেওঁলোকৰ দখলৰ পৰা ৪০টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰিবলৈ সক্ষম হয় শিঙৰী আৰক্ষী। ঘটনাটোক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষীয়ে ইতিমধ্যে আটকাধীন দুই অভিযুক্তক সোধ-পোছ আৰম্ভ কৰাৰ লগতে এই ড্ৰাগছ চক্ৰৰ সৈতে জড়িত আন লোকৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে। ড্ৰাগছ বিৰোধী অভিযানত শিঙৰী আৰক্ষীৰ এই সফলতাক স্থানীয় ৰাইজে আদৰণি জনোৱাৰ লগতে অঞ্চলটোত অবৈধ মাদক দ্ৰব্যৰ বিৰুদ্ধে শিঙৰী আৰক্ষীয়ে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

# ডুমডুমাৰ চামডাং বাইপাছত পথ দুৰ্ঘটনাত নিহত মাতৃ-পুত্ৰৰ মৃতদেহ লৈ ৰাইজৰ পথ অৱৰোধ

**অসম বাৰ্তা, ষ্টাফ ৰিপ’ৰ্টাৰ, তিনিচুকীয়া, ১৮ মে’ ঃ** ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত চামডাং বাইপাছত আজি বিয়লি স্থানীয় চাহ শ্ৰমিক আৰু আটছাৰ কৰ্মীসকলে কালি বিয়লি সংঘটিত হোৱা পথ দুৰ্ঘটনাত মৃত্যুক আকোঁৱালি লোৱা লাজন্তী ওৰাং আৰু বিকাশ ওৰাংৰ মৃতদেহ লৈ পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে, চামডাং বাইপাছত কালি বিয়লি এখন চাৰিচকীয়া বাহনে এখন মটৰচাইকেলেৰে গৈ থকা মাতৃ-পুত্ৰক মহতিয়াই নিয়াৰ ফলত অতি কৰুণভাৱে দুয়োজনে মৃত্যুক সাৱটি লোৱাৰ লগতে আন এজন ব্যক্তিও এই দুৰ্ঘটনাত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। আনহাতে আজি বিয়লি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত মাতৃ-পুত্ৰৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত মৃতদেহ দুটা নিজ গৃহলৈ বুলি অনাৰ পথত বিয়লি ৪-৩০ বজাৰ পৰা চামডাং বাইপাছত মৃতদেহ লৈ প্ৰতিবাদ সাব্যস্ত কৰে। ইতিমধ্যে ডুমডুমা সম জিলাৰ সহকাৰী আয়ুক্ত আৰু সম জিলা আৰক্ষী প্ৰশাসনৰ লোক ঘটনাস্থলীত উপস্থিত হৈ তদন্ত প্ৰক্ৰিয়া শেষ কৰি দুৰ্ঘটনা সংঘটিত হোৱা স্থানত গতিৰোধক নিৰ্মাণ কৰাৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ কথা স্থানীয় ৰাইজক অৱগত কৰে। সন্ধিয়া ভাগত প্ৰশাসনৰ লোকৰ উপস্থিতিত প্ৰতিবাদী ৰাইজৰ এক আলোচনাৰ অন্তত এই পথ অৱৰোধ প্ৰত্যাহাৰ কৰে প্ৰতিবাদী ৰাইজে। উল্লেখযোগ্য যে ডুমডুমা আৰক্ষী থানাৰ অন্তৰ্গত চামডাং বাইপাইছত কালি বিয়লি সংঘটিত হোৱা এই শোকাৱহ পথ দুৰ্ঘটনাটোত চামডাং চাহ বাগিচাৰ নতুন লাইনৰ নিবাসী মাতৃ-পুত্ৰ লাজন্তী ওৰাং (৪০) আৰু বিকাশ ওৰাং (২০)ৰ মৃত্যু হোৱাৰ লগতে কান্দৰো ওৰাং (৩৮) নামৰ আন এজন ব্যক্তি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা ঘটনাই অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে চামডাং চাহ বাগিচাৰ শ্ৰমিক লাজন্তী ওৰাঙে আজি নিজৰ কাম সম্পাদন কৰি বাগিচাৰ পোন্ধৰদিনীয়া দৰমহা লৈ পুত্ৰ বিকাশ ওৰাঙৰ সৈতে এখন মটৰচাইকেলেৰে আহি থকা অৱস্থাত চামডাং বাইপাছ চাৰিআলিৰ সমীপত তিনিচুকীয়া দিশৰ পৰা কাকপথাৰ দিশে গৈ থকা AR-20-A-0364 নম্বৰৰ তীব্ৰবেগী মুণ্ডাই ভেনু বাহনখনে মাতৃ-পুত্ৰসহ মটৰচাইকেলখন মহতিয়াই নিয়ে। এই দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতে স্থানীয় ৰাইজে আহত তিনিওজনকে ততাতৈয়াকৈ তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পাতাললৈ প্ৰেৰণ কৰে যদিও কিন্তু তিনিচুকীয়া মহাবিদ্যালয় হাস্পাতালৰ চিকিৎসকে মাতৃ-পুত্ৰক মৃত বুলি ঘোষণা কৰে। আনহাতে সেই সময়ত পথেৰে গৈ থকা কান্দৰো ওৰাং এই দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হয়। বৰ্তমান তেওঁ ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ আছে। পাছত দুৰ্ঘটনা সংঘটিত কৰা বাহনখন ডুমডুমা আৰক্ষীয়ে জব্দ কৰি থানালৈ লৈ আনে।

# খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ নতুন কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি

**অসম বাৰ্তা, খাৰুপেটীয়া, ১৮ মে’ ঃ** খাৰুপেটীয়া মিডিয়া ফ’ৰাম-ৰ নতুন কাৰ্যালয় ইং ১৭ মে’ ২০২৬ তাৰিখে খাৰুপেটীয়াত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে আনুষ্ঠানিকভাৱে মুকলি কৰা হয়।



স্থানীয় সাংবাদিক সমাজৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত এইনতুন কাৰ্যালয় মুকলি অনুষ্ঠানত বহু বিশিষ্ট ব্যক্তি, সাংবাদিক আৰু সমাজকৰ্মীৰ উপস্থিতিয়ে অনুষ্ঠানটোক বিশেষ মৰ্যাদা প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণিতে ‘অসম সাংবাদিক সন্থা’ৰ উপ-সভাপতি আব্দুল আজিজয়ে আনুষ্ঠানিকভাৱে ফিতা কাটি নতুন কাৰ্যালয়ৰ শুভ উদ্বোধন কৰে। এই শুভক্ষণত সহযোগিতা আগবঢ়ায় দৰং জিলা সাংবাদিক সন্থাৰ সভাপতি ইমদাদুল ইছলামে। অনুষ্ঠানত বিশেষ সহযোগিতা আগবঢ়ায় দলগাঁও সমষ্টিৰ বিশিষ্ট সমাজসেৱক ৰাকিব উদ্দিন আহমেদে। পিছত নতুন কাৰ্যালয় প্ৰাঙ্গণত অনুষ্ঠিত হয় এক নিমন্ত্ৰণ সভা। সভাখনত সভাপতিত্ব কৰে খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ মুখ্য পৃষ্ঠপোষক আইনুদ্দিন আহমেদে। সভাৰ আঁত ধৰে সংগঠনটোৰ সাধাৰণ সম্পাদক শ্বাহিন আখতাৰ তালুকদাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ সভাপতি আব্দুল অৱালে কয় যে, খাৰুপেটীয়াৰ সাংবাদিকসকলৰ মাজত একতা, দায়িত্ববোধ আৰু পেছাদাৰী মানসিকতা শক্তিশালী কৰাৰ লক্ষ্যৰে এই নতুন কাৰ্যালয় স্থাপন কৰা হৈছে। তেওঁ আশা প্ৰকাশ কৰে যে, এই কাৰ্যালয় ভৱিষ্যতে সাংবাদিকসকলৰ বাবে এক সৃষ্টিশীল আৰু গঠনমূলক মঞ্চ হিচাপে পৰিগণিত হ’ব। অনুষ্ঠানত উপস্থিত থকা অতিথিসকলে নিজৰ বক্তব্যত খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ এই পদক্ষেপক আদৰণি জনাই কয় যে, অঞ্চলটোৰ সাংবাদিক সমাজৰ বিকাশ আৰু সংবাদ মাধ্যমৰ শক্তিশালী ভূমিকা নিশ্চিত কৰাত এই নতুন কাৰ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। উল্লেখযোগ্যভাৱে, অনুষ্ঠানত উপস্থিত থাকে দলগাঁৱৰ “প্ৰথম খবৰ”ৰ সাংবাদিক মহম্মদ আলিম আজাদ, দৰং জিলা পৰিষদৰ সদস্য ৰাকিব উদ্দিন, আমছুৰ দৰং জিলা সমিতিৰ সভাপতি জিয়াউল হক, সাধাৰণ সম্পাদক ছুলতান আহমেদ, সম্পাদক শাহিনুৰ আলম, দৰং জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক মেহবুব মোস্তাক হাছান, দৰং জিলা নেমছুৰ সাধাৰণ সম্পাদক আবু চায়েদ আনচাৰী, খাৰুপেটীয়া নগৰ আঞ্চলিক আমছুৰ প্ৰাক্তন সভাপতি গুলজাৰ হুছেইন, NSUI-ৰ অসম ৰাজ্যিক সম্পাদক মফিদুল ইছলাম আৰু মিশ্যন একাডেমী-ৰ অধ্যক্ষ হোছেন আলি আদি। ইয়াৰ উপৰিও অনুষ্ঠানটোৰ সফল আয়োজনত খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ প্ৰেছ কো-অৰ্ডিনেটৰ বাইজিত বুছস্তান, কো-অৰ্ডিনেটৰ ৰাকিব আহমেদ, সদস্য মজিবুৰ ৰহমান আৰু মোবাৰক আলিয়ে বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়াই অনুষ্ঠানটোক সফল কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠানটোৰ শেষত অতিথি আৰু উপস্থিত সাংবাদিকসকলৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। খাৰুপেটীয়া মিডিয়া ফ’ৰামৰ এই নতুন যাত্ৰাই অঞ্চলটোৰ সংবাদ জগতত এক নতুন অধ্যায় সূচনা কৰিব বুলি স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে।

# জ্যেষ্ঠ চিকিৎসক নুৰুল হক আহমেদৰ পৰলোক; অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, সোণতলী, ১৮ মে’ ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ২নং মালিবাৰী পথাৰত এগৰাকী অৱসৰী চিকিৎসকৰ পৰলোক ঘটে। ২নং মালিবাৰী পথাৰৰ অৱসৰী সুচিকিৎসক নুৰুল হক আহমেদ (৭৬)য়ে গুৱাহাটীৰ জি এন আৰ চিত শনিবাৰে ব্ৰেইন ষ্ট্ৰ’কত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। চিকিৎসক গৰাকী পুৱাৰ ভাগত হঠাৎ অসুস্থ হৈ পৰাত গুৱাহাটীৰ জি এন আৰ চিত ভৰ্তি কৰে যদিও মৃত্যুক আকোঁৱলি ল’বলগীয়া হয়। প্ৰয়াত চিকিৎসক গৰাকী বিগত সোতৰ বছৰ পূৰ্বে ধুবুৰীৰ সাতশিঙি মাৰী অসামৰিক চিকিৎসালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰি গোৱালপাৰাৰ ছ’লাছ নাৰ্চিং হ’মত কৰ্তব্যৰত আছিল। সৰুৰে পৰা নম্ৰ তথা মেধা সম্পন্ন চিকিৎসক গৰাকী ছমৰীয়াস্থ নগৰবেৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ শেহলৈ ডিব্ৰুগড়ৰ অসম মেডিকেল কলেজত চিকিৎসা পাঠ্যক্ৰম বিষয়ত পঢ়িবলৈ ভৰ্তি হয়। তাৰ পৰা সুখ্যাতিৰে চিকিৎসা সেৱাৰ পাঠ্যক্ৰম সামৰি নিজ এলেকাস্থ সোণতলী ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰত চিকিৎসক হিচাপে যোগদান কৰি চাকৰী জীৱনৰ পাতনি মেলে। তাত কিছুদিন সেৱা আগবঢ়োৱাৰ পিছত ক্ৰমে - গোৱালপাৰাৰ টিপলাই চিকিৎসা কেন্দ্ৰ, মেটাৰনিটি হস্পিতাল আৰু ধুবুৰীৰ সাতশিঙি মাৰী অসামৰিক চিকিৎসালয়ত এছ ডি এম অ’ পদত অধিষ্ঠিত হয়। তেওঁ ধুবুৰীৰ সাতশিঙি মাৰী অসামৰিক চিকিৎসালয়ত এছ ডি এম অ’ পদত অধিষ্ঠিত হৈ থকা সময়তে চাখৰী জীৱনৰ পৰা অৱসৰ লৈ গোৱালপাৰাৰ ছ’লাছ নাৰ্চিং হ’মত কৰ্তব্যৰত হৈ থাকে। শনিবাৰে চিকিৎসক গৰাকীক আবেলি নিজ গাঁও সংলগ্ন ডেকাচাং-দুৱামাৰী আঞ্চলিক কবৰস্থানত অগণন লোকৰ উপস্থিতিত তেওঁৰ জানাজা সম্পন্ন কৰা হয়। উল্লেখ্য, চিকিৎসক গৰাকীয়ে মৃত্যুৰ পূৰ্বে পত্নীসহ দুগৰাকী পুত্ৰ আৰু এজনী জীয়েকৰ লগতে বহুতো আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। সম্প্ৰতি তেওঁৰ মৃত্যুত অঞ্চলখনত গভীৰ শোকৰ ছাঁ পৰিছে।

# চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নৱাগত আদৰণি আৰু অভিনন্দন অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, নামতি, ১৮ মে’ ঃ** নাজিৰা সম-জিলাৰ অন্তৰ্গত চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত নবাগত ষষ্ঠ, নৱম আৰু একাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি নবাগত আদৰণি সভা আৰু সদ্য ঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষা সমূহত পাৰদৰ্শিতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক অভিনন্দন জ্ঞাপন কৰাৰ বাবে ১৬ মে’ত এখনি বিশেষ গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। প্ৰাক্তন অধ্যক্ষ গণেশ সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনিতে এই বিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰ, সমাজ কৰ্মী প্ৰয়াত দিগন্ত মহন্তৰ স্মৃতিত তেখেতৰ পৰিয়ালবৰ্গই ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক (কলা শাখাত) সৰ্বোচ্চ নম্বৰ লাভ কৰা ঘনশ্যাম তাঁতীক “দিগন্ত মহন্ত সোঁৱৰণী মেধাৱী বঁটা” প্ৰদান কৰে। বঁটাটিত থকা এখনি মানপত্ৰ, কিতাপৰ টোপোলা আৰু নগদ ধন পৰিয়ালৰহৈ তেখেতৰ মাতৃ উৰ্মিলা মহন্তই আগবঢ়ায়। অনাগত প্ৰতি বছৰে বিদ্যালয় খনিৰ পৰা সৰ্বোচ্চ নম্বৰে উচ্চতৰ মাধ্যমিক পৰীক্ষা উত্তীৰ্ণ হ’ব লগা এজন ছাত্ৰ বা ছাত্ৰীক এই বঁটা আগবঢ়োৱা হ’ব বুলি পৰিয়ালটোৰ তৰফৰপৰা প্ৰকাশ কৰিছে। প্ৰাক্তন অধ্যক্ষ দেউকণ চাংমায়ে তেখেতৰ বক্তব্যত নবাগত সকলক আদৰণি জনোৱাৰ লগতে সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সকলোকে অভিনন্দন জনায়। বিদ্যালয় কৰ্তৃপক্ষৰ হৈ অধ্যক্ষা ৰেণু গোৱালাই উপস্থিত সকলোকে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে কৃতজ্ঞতা জ্ঞাপন কৰে।

# অভয়াপুৰী লেংটিছিঙাত আৰক্ষীৰ জালত তিনি IPL জুৱাৰী

**অসম বাৰ্তা, অভয়াপুৰী, ১৮ মে’ ঃ** অভয়াপুৰী লেংটিছিঙাত IPL জুৱাৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে। অভয়াপুৰী আৰক্ষীয়ে এক গোপন সূত্ৰৰ পনখেদি লেংটিছিঙাৰ বিভিন্ন স্থানত IPL জুৱাৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীৰ অভিযানত আজি পুৱাৰ ভাগত আটক কৰে তিনিজন IPL জুৱাৰী। আটকাধীন জুৱাৰী কেইজন হল ঝাৰপাৰাৰ হাফিজুৰ ৰহমান, আনোৱাৰ হোছেইন ভূএগ আৰু জানেৰমুখৰ হাবিব হুছেইন। আৰক্ষীয়ে আটকাধীন জুৱাৰী কেইজনৰ পৰা আৰক্ষীয়ে Online Batting Apps আৰু তিনিটা মোবাইল ফোন উদ্ধাৰ কৰে। আৰক্ষীয়ে আটকাধীন তিনিজন জুৱাৰীকেই অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

**নতুন কাৰ্যনিৰ্বাহক সমিতি গঠন**

# গোসাঁইগাঁও স্বৰ্ণদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৮ মে’ ঃ** অসম সাহিত্য সভাৰ অন্তৰ্গত কোকৰাঝাৰ জিলা সাহিত্য সভাৰ অধীনস্থ গোসাঁইগাঁও স্বৰ্ণদল শাখা সাহিত্য সভাৰ বৰ্তমানৰ কাৰ্যনিৰ্বাহক সমিতি খনৰ দুই বছৰীয়া কাৰ্যকাল অন্ত পৰাত সমিতিখন ভংগ কৰি আজি এখন নতুন সমিতি গঠন কৰা হয়। এই উপলক্ষে স্থানীয় কমল নাথ ক্লাৱ কাম লাইব্ৰেৰীত আয়োজিত দিনজোৰা কাৰ্য্যসূচীৰ আদিতে ৰাতিপুৱা ৯-০০ বজাত পতাকা উত্তোলনেৰে কাৰ্য্যসূচীৰ পাতনি মেলে বিদায়ী সভাপতি খনীন্দ্ৰ নাথ দাসে। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা স্মৃতি তৰ্পণ কাৰ্য্যসূচীত ৰাম ফল বিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিষয় শিক্ষক গিৰিশ চন্দ্ৰ ডেকাই মুখ্য তৰ্পক হিচাপে কাৰ্যসূচী সম্পন্ন কৰে। দিনৰ দহ বজাৰ পৰা অনুষ্ঠিত হোৱা বিষয় বাছনি সভাত সৰ্বসন্মতি ক্ৰমে গোসাঁইগাঁও মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী প্ৰদীপ দাসক সভাপতি আৰু গোসাঁইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী বিজ্ঞান শিক্ষক নুৰুল হ’কক সম্পাদক হিচাপে লৈ এখন পূৰ্ণাংগ শক্তিশালী কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। বিষয় বাছনি সভাৰ পিছতে অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে সদ্যঘোষিত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, লিখক-সাহিত্যিক ড° দীনেশ দাসে। বিভিন্ন জাতি-জনগোষ্ঠীৰ সদস্য-সদস্যাৰ সমাহাৰত নৱগঠিত কাৰ্যনিৰ্বাহক সমিতি খনক তেওঁ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে নতুন নেতৃত্বই শাখা সভাখনক ভাষা-সাহিত্য চৰ্চাৰ উত্তৰণৰ লগতে অন্যান্য দিশত আৰু অধিক গতিশীলতা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। মুকলি সভাত কোকৰাঝাৰ জিলা সাহিত্য সভাৰ সভাপতি নজমূল হ’ক, সম্পাদক শৰত ডেকা, প্ৰাক্তন সম্পাদক হিতেশ দেৱশৰ্মাৰ উপৰি পদ্মধৰ দাস, মাণিক ডেকা, ধৰণীধৰ পাঠক, শান্তিৰাম ৰায়, দিলীপ সাহা, ড° লাৱণ্য লহকৰ, মৃণালিনী ডেকা কলিতা, কবিতা চৌধুৰী, সৌদা বৰ্মন, অধ্যাপিকা ৰাখী সৰকাৰ, কোঁৱৰ মাৰ্দি, অজিৎ বৰ্মন, সুশীল বৰ্মন, চিন্ময় বল, দীপক বৈশ্য, বিজন কুমাৰ দে, শংকৰ দাস, ৰত্নেশ্বৰ দেৱনাথ, হাফিজুৰ ৰহমান, উৎপল দে, মিজানুৰ ৰহমানৰ লগতে ভালে সংখ্যক ব্যক্তি উপস্থিত থকা জনাকীৰ্ণ সভাখনৰ আদিতে উদ্দেশ্য ব্যাখ্যা আৰু অন্তত শলাগৰ শৰাই আগবঢ়ায় বিদায়ী সম্পাদক ডাঃ তৰণী কান্ত কলিতাই।



◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা
● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন